DP1175

ASSAM LEGISLATIVE ASSEMBLY DEBATES

OFFICIAL REPORT

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TWELFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. 18

THE 30th March, 2010

Price Rs. 222.00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday,the 30th March, 2010

The House met at 9.00 AM of the clock in the Assembly Chamber at Dispur

with Shri Tanka Bahadur Rai, Speaker in the Chair.

POINT OF ORDER

শ্রী আব্দুল খালেক ঃ মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অৱ অর্ডাৰ, আজি বিৰোধী পক্ষই যি পৰিবেশ সৃষ্টি কৰিছে "যুদ্ধ আৰম্ভ নৌহওঁতেই যুদ্ধ ক্ষেত্ৰৰ পৰা ছত্ৰভংগ চন্দ্ৰমোহনৰ। ২২ জানুৱাৰী তাৰিখে অসমীয়া প্ৰতিদিন কাকতত জয়ন্ত বৰুৱাক ৰাজ্য সভাৰ টিকট বিক্ৰীৰ ফন্দি অগপৰ নেতৃত্বৰ" এই কথাখিনি প্ৰকাশ পোৱাত মই সদনত এই বিষয়ে উত্থাপন কৰিব বিচাৰিছো।

াননীয় অধ্যক্ষ ঃ এতিয়া পইন্ট অৱ অর্ডাৰ নহয়। এতিয়া বহক। প্ৰশ্নোত্তৰ শেষ হোৱাৰ পিচত উত্থাপন কৰিব। আপোনালোকে অনুগ্ৰহ কৰি বহক।

শ্রী ওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অৱ অর্ডাৰ, আমি এই কাৰণে আপোনাক ক'ব বিচাৰিছো যে বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে গেট বন্ধ কৰি দিছে।

(কেইবাজনো মাননীয় সদস্যই থিয় হৈ একে মুখে কয়। কাৰো মাত শুনা নাযায়)

---

* Speech not corrected

STARRED

QUESTION AND ANSWERS

(To which oral replies were given)

(Starred Question No. 321 could not be taken up for disposal as the questioner was not present in the House for when called for. However, the said question deemed to have been laid on the table of the House with replies there to.)

বিষয় ঃ বেদখল চিলিং চাৰপ্লাচ্ মাটি।

শ্রী ৰামেশ্ৱৰ তেলীয়ে সুধিছে ঃ

***৩২১। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমৰ কোন কোন জিলাত চৰকাৰী মাটি খালী হৈ আছে? ইয়াৰ পৰিমাণ কিমান?

(খ) অসমৰ কোন কোন জিলাত চৰকাৰী মাটি বেদখল হৈ আছে? ইয়াৰ পৰিমাণ কিমান? ইয়াক মুক্ত কৰাৰ কি ব্যৱস্থা লোৱা হৈছে?

(গ) কোন কোন জিলাত কোন কোন কোম্পানীৰ বাগিচাই কিমান কিমান চৰকাৰী/চিলিং মাটি বেদখল কৰি আছে? ইয়াক মুক্ত কৰাৰ কি ব্যৱস্থা চৰকাৰে লৈছে?

(ঘ) অসমৰ চাহ বাগিচাসমূহৰ পৰা কি কি ক্ষেত্রত চৰকাৰে ৰাজহ আদায় কৰে? এই ৰাজহ প্রত্যেক শিতানত কিমান টকা আয় হয়?

*** ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯ খন জিলাৰ পৰা পোৱা তথ্য অনুসৰি জিলা ভিত্তিত খালী হৈ থকা চৰকাৰী মাটিৰ পৰিমাণ পৰিশিষ্ট 'ক' যোগে দেখুওৱা হৈছে। (৩ নং কলমত)। (See Annexure - I)

(খ) পৰিশিষ্ট 'ক' ৰ ৪ নং কলমত দেখুওৱা হৈছে। অসম ভূমি আৰু ৰাজহ অধিনিয়ম ১৮৮৬ আৰু ১৯৮৯ চনৰ ভূমিনীতি অনুসৰি ব্যৱস্থা লৈ থকা হৈছে।

(গ) ২২খন জিলাৰ তথ্য পৰিশিষ্ট 'ক' যোগে দেখুৱা হৈছে। (৫ আৰু ৬ নং কলমত) অসম ভূমি আৰু ৰাজহ অধিনিয়ম ১৮৮৬ আৰু ১৯৮৯ চনৰ ভূমিনীতি অনুসৰি ব্যৱস্থা লৈ থকা হৈছে।

(ঘ) ভূমি ৰাজহ ব্ৰহ্মপুত্ৰ উপত্যকাত বছৰি প্ৰতিবিঘা ২২ টকাকৈ আৰু বৰাক উপত্যকাত প্ৰতিবিঘা ১৬ টকাকৈ আদায় কৰা হয়। চাহ বাগিচাৰ ফেক্টৰী অংশৰ পৰা গাঁও অঞ্চলত ৫০০ টকাকৈ আৰু চহৰ অঞ্চলত ১০০০ টকাকৈ আদায়ৰ ব্যৱস্থা আছে। চৰকাৰী জমি চাহ খেতিৰ বাবে বেদখল কৰিলে বিঘা প্ৰতি ২০০ টকাকৈ জৰিমনাৰ ব্যৱস্থা আছে।

বিত্ত বিভাগৰ তথ্য অনুসৰি অসমৰ চাহ বাগিচাসমূহৰ পৰা ক'লা চাহপাত (Black Tea) বিক্ৰী মূল্যৰ ওপৰত অসম ভেট্ আইন, ২০০৩ আৰু কেন্দ্ৰীয় বিক্ৰী কৰ আইন ১৯৫৬, অসম কৃষি আয়কৰ আইন, ১৯৩৯ আৰু কেঁচা চাহপাতৰ ওপৰত অসম স্পেচিফাইড লেণ্ড আইন, ১৯৯০ ৰাজহ সংগ্ৰহ কৰা হয়।

২১ খন জিলাৰ পৰা পোৱা তথ্য অনুসৰি ৮,৮৬,৪১,৯৭৬.৩৩ টকা ভূমি ৰাজহ হিচাপে লাভ কৰে।

তাৰোপৰি অন্যান্য শিতানত সংগ্ৰহ হোৱা ৰাজহৰ পৰিমাণ এনে ধৰণৰ (লাখ টকা হিচাবত - বিত্ত বিভাগৰ তথ্য অনুসৰি)।

(১) অসম ভেট আইন, ২০০৩	- ২০০৬-০৭ - ১৪৭.০১	- ২০০৭-০৮ ২৬৬.১০	- ২০০৮-০৯ ৯৩৪.৯৭
(২) কেন্দ্ৰীয় বিক্ৰী কৰ আইন, ১৯৫৬	- ৫৭.৩৩	১৯২.১২	- ৩৯৯.৬৮

(৩) অসম কৃষি-আয়কৰ আইন, ১৯৩৯ - ২৫১.৬০ - ৩১৪.০৭ - ১৮১৮.৪০

(৪) অসম স্পেচিফাইড লেণ্ড আইন, ১৯৯০ - ৬৩৯১.৯৮ - ৬৮৫৪.৮২ - ৮০০০.০০

Mr. Speaker : Now, Starred Question No. 322, Hon'ble Member, Md. Mohibul Hoque.

বিষয় ঃ শৌচাগাৰ নির্মাণ।

শ্রী মহিবুল হকে সুধিছে ঃ

***৩২২। মাননীয় জনস্বাস্থ্য কাৰিকাৰী বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰি জনাবনেঃ**

(ক) ৰাজ্যখনত *Total Sanitation Campaign* আঁচনিৰ জৰিয়তে কিমানহিতাধিকাৰীক শৌচাগাৰ নির্মাণ কৰি দিয়া হৈছে?

(খ) ভাৰতৰ অইন ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যখন উক্ত আঁচনি ৰূপায়নৰ ক্ষেত্রত পিছপৰি থকাৰ মূল কাৰণ কি?

(গ) ধুবুৰী জিলাত এই চৰকাৰৰ দিনত এই বিভাগে কি কি আঁচনি গ্রহন কৰিছে আৰু কি কি আঁচনি ৰূপায়ণ কৰিছে?

(ঘ) এই চৰকাৰৰ দিনত T.S.C. ৰ Target কিমান আছিল আৰু ইয়াৰ সফল হৈছে তাৰ এক প্রতিবেদন দিবনে?

(ঙ) ২০০৮-০৯ আৰু ২০০৯-১০ আৰু বিত্তীয় বছৰৰ বাবে অনুমোদন জনোৱা (Action Plan) কার্যকৰী নকৰাৰ ৰহস্য কি?

(চ) গৌৰীপুৰ সমষ্টিত কোন কোন Pipe Water Supply Scheme বিকল হৈ আছে?

(ছ) এই আঁচনিসমূহ কার্য্যক্ষম কৰি তোলাৰ বাবে চৰকাৰে কিবা পদক্ষেপ লবনে ?

শ্রী বিহন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সম্পূর্ণ অনাময় অভিযান আঁচনিৰ জৰিয়তে বর্তমানলৈকে ৰাজ্যখনত মুঠ ৬,২০,৪৬৭ টা দৰিদ্র সীমাৰেখাৰ ওপৰৰ হিতাধিকাৰী পৰিয়ালক শৌচাগাৰ নির্মাণ কৰি দিয়া হৈছে।

(খ) ভাৰতৰ অইন ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যখন অনাময় আঁচনি ৰূপায়ণত পিচপৰি থকাৰ প্রধান কাৰণসমূহ হ'ল -

১) সম্পূর্ণ অনাময় আঁচনিৰ আৰম্ভনিৰ সময় চোৱাত (২০০০-২০০১ চনত) অসমত পঞ্চায়তীৰাজ ব্যৱস্থা নথকাত অনাময় আঁচনি ৰূপায়ণত অসুবিধা হৈছিল।

২) পঞ্চায়তীৰাজ ব্যৱস্থা, সংশ্লিষ্ট বিভাগ স্বেচ্ছাসেৱী অনুষ্ঠান আদি বিভিন্ন পক্ষক লগত লৈ কাম কৰাৰ পৰম্পৰা নতুনভাৱে হোৱা বাবে প্রথম অৱস্থাত কিছু অসুবিধা হৈছিল।

৩) আৰম্ভনিৰ পৰা ২০০৮ চনলৈ এই সময় খিনিত ৰাজ্যিক অংশ (State Share)ৰ প্রয়োজনীয় ধন মোকোলাই দিয়াৰ পৰিমান নিচেই কম থকাৰ বাবে আঁচনিৰ অগ্রগতি যথেষ্ট ব্যাহত হৈছিল।

(গ) সম্পূর্ণ অনাময় আঁচনিৰ উপৰিও এই বিভাগে বিভিন্ন পানী যোগান আঁচনি গ্রহন আৰু ৰূপায়ন কৰি থকা হৈছে।

(ঘ) প্রতিবেদন Annexure - A ত সংলগ্ন কৰা হ'ল।
(See Annexure - II)

(ঙ) ২০০৮-০৯ বিত্তীয় বর্ষৰ কর্ম আঁচনি আৰু তাৰ বিপৰীতে কৰা কামৰ খতিয়ান সংশ্লিষ্ট প্রতিবেদন (Annexure - A) ত সন্নিবিষ্ট আছে। (২০০৯-

১০)বিত্তীয় বর্ষৰ বাবে প্রস্তুত কৰা (Action Plan) অনুমোদনৰ বাবে যোৱা ৬-৮-২০০৯ তাৰিখে DWSM ৰ সভাত উত্থাপন কৰা হৈছিল যদিও অনুমোদন নহ'ল, কিন্তু পর্যায়ক্রমে আঁচনিৰ কাম চলি আছে।

(চ) গৌৰীপুৰ সমষ্টিত বর্তমানে - ১) খুদীমাৰী ২)বালাজান ৩) চাৰালডাভা ৪) দেবঙত্তৰ হাজদহা ৫) বানিয়ামাৰী ৬) পূৰগাইখোৱা - পানী যোগান আঁচনি বিকল হৈ আছে।

(ছ) এই আঁচনিসমূহ কার্যক্ষম কৰি তোলাৰ বাবে পর্য্যায়ক্রমে ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বানিয়ামাৰী আঁচনিৰ কাম হাতত লোৱা হৈছে।

***মোঃ মহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, (ক) প্রশ্নটো মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছে যে গৌৰীপুৰ সমষ্টিত ওৱাটাৰ চাপ্লাই স্কীমটো বহুত দিনৰ পৰা বন্ধ হৈ আছে। মাননীয় মন্ত্রীমহোদয়ে কৈছে যে পানী যোগান আঁচনিবোৰ বন্ধ হৈ আছে। গৌৰীপুৰ সমষ্টিত কেইবাখনো আঁচনি বন্ধ হৈ আছে বা সময়মতে পানী যোগান ধৰিব নোৱাৰা কাৰণে মই ক'ব বিচাৰিছো যে সংশ্লিষ্ট বিভাগীয় বিষয়াৰ গাফিলতিৰ কাৰণে মই দুখ প্রকাশ কৰিছো। যি কি নহওক, মাননীয় মন্ত্রী মহোদয়ে এই পবিত্র সদনত প্রতিশ্রুতি দিব লাগে। গৌৰীপুৰ সমষ্টিত যি কেইটা পানী যোগান আঁচনি আছে সেইকেইটা কিমান দিনৰ ভিতৰত কার্য্যকৰী কৰি তুলিব পাৰিব আৰু কেতিয়া কিমান দিনৰ ভিতৰত বাইজ উপকৃত হ'ব। অতি কমেও ১০-১৫ বছৰৰ পৰা পানী যোগান বন্ধ হৈ আছে।

*** শ্রী বিহন দৈমাৰী (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি কেইটা কথা উত্থাপন কৰিছে সেই সন্দর্ভত মই ক'ব বিচাৰিছো যে পুঁজিৰ অভাৱৰ কাৰণে পাইপৰ পানীযোগান আঁচনি বন্ধ হৈ আছে। পুঁজি পালে আঁচনিবোৰ মেৰামতি কৰি খোৱা পানীৰ ব্যৱস্থা কৰিব পৰা হ'ব বুলি কথা দিছো।গৌৰীপুৰত যি কেইটা আঁচনি কার্য্যকৰী হোৱা নাই সেইকেইটা পর্য্যায়ক্রমে পুঁজি সাপেক্ষে মেৰামতি কৰি ব্যৱস্থা লোৱা হ'ব।

* Speech not corrected

*** মোঃ মহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়ে, মাননীয় মন্ত্রী মহোদয়ে পানী যোগানৰ আঁচনিবোৰ পুঁজি সাপেক্ষে কার্য্যকৰী কৰিব বুলি কোৱা বাবে তেখেতক মই ধন্যবাদ দিছো। গৌৰীপুৰ সমষ্টিত পানী যোগান ধৰিব বুলি কোৱা কাৰণে ভাল পাইছো। যি কি নহওক, অহা জুন মাহৰ ভিতৰত এই আঁচনি সমূহ কার্য্যক্ষম কৰি তোলে যেন।

মাননীয় অধ্যক্ষ মহোদয়, মই দুটামান চাপ্লিমেন্টাৰী আনিব বিচাৰিছো। ২০০১-২০০২ চনৰ আঁচনি চৰকাৰে কেতিয়াৰ পৰা কৰিছে? ২০০৩-২০০৪ চনৰ আঁচনি মতে ৰাইজে কেতিয়া পানী পাব?২০০৫-২০০৬ চনত আঁচনি লোৱা হৈছে। মই মাননীয় মন্ত্রী মহোদয়ক সুধিছিলো ভাৰত বর্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যখনত আঁচনিবোৰ ৰূপায়ণ কৰা ক্ষেত্র ত পিচপৰি থকাৰ কাৰণ কি? ভাৰতবর্ষৰ অন্যান্য ৰাজ্যখনৰ তুলনাত আমাৰ ৰাজ্যখন যে পিচপৰি আছে এই কথাটো মাননীয় মন্ত্রী মহোদয়ে স্বীকাৰ কৰিছে। সেইকাৰণে মই তেখেতক ধন্যবাদ দিছে। আমাৰ ৰাজ্যখনত সময়মতে ষ্টেট চেয়াৰ মুকলি কৰি নিদিয়া ইয়াৰো এটা কাৰণ দর্শাইছে।

মাননীয় অধ্যক্ষ ঃ আপুনি প্রশ্ন কৰক।

*** মোঃ মহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়,কেন্দ্রীয় চৰকাৰে ভাৰতৰ বিভিন্ন প্রান্তত কোটি কোটি টকা দিছে আৰু আমাৰ ৰাজ্যখনতো দিছে। ইয়াত যি কেইটা কাৰণ দেখুৱাইছে তাত মই সন্তুষ্ট নহয়। মাননীয় অধ্যক্ষ মহোদয়, মই গোটেই ৰাজ্যখনৰ কথা কৈছো। এই চেনিটেচন প্রগ্রেমটো ফলবতি হোৱা নাই। সিদিনা মহামান্য ৰাষ্ট্রপতি গৰাকীয়ে সৰুসজাইত এটা বঁটা বিতৰনি অনুস্থানত উপস্থিত আছিল। তাত এটা কথা ওলাই পৰিছে ভাৰতবর্ষৰ বাকী বিলাক ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যখনত চেনিটেচন প্রগ্রেমটো সফল হোৱা নাই। যোৱা বছৰ বাজেটৰ ডিবেটত মই এই কথা উত্থাপন কৰিছিলো। মন্ত্রী মহোদয়েও আশ্বাস দিছিল। কেন্দ্রীয় চৰকাৰ আৰু মুখ্যমন্ত্রীৰ লগত আলোচনা কৰি এই অনাময় আঁচনি কার্যকৰী কৰা হ'ব। কিন্তু দেখা গৈছে

*** Speech not corrected**

যে দুখীয়া ৰাইজে এই আঁচনিৰ পৰা বঞ্চিত হৈ আছে। আনকি মোৰ ধুবুৰীত মাননীয় মন্ত্রী মহোদয় ভ্রমন কৰি বিধায়কৰ লগত আলোচনা কৰি অহাৰ পাচতো মোৰ সমষ্টিত এই আঁচনিৰ কাম হোৱা নাই। এই অনাময় আঁচনিৰ কেমপেনিঙৰ কি ব্যৱস্থা হাতত লৈছে আৰু দুখীয়া মানুহখিনিৰ সকাহ দিয়াৰ কাৰণে কি ব্যৱস্থা লৈছে মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

* **শ্রী ৰিহন দৈমাৰী (মন্ত্রী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত ২০০৫/০৬ চনৰ পৰাহে এই আঁচনিৰ কাম আৰম্ভ হয় যদিও যিমানখিনি অগ্রগতি লাভ কৰিব লাগিছিল সিমানখিনি পৰা নাই। এইটো এটা নোভেল এজেঞ্চি। এই আঁচনিৰ টকা কেন্দ্রীয় চৰকাৰে বহন কৰে আৰু প্রতি জিলাই যায়। প্রতিখন জিলাত এটা পলিচি মিচন আছে এই মিচনত বিধায়ক, সাংসদ আৰু জিলা উপায়ুক্ত আৰু জিলা পৰিষদৰ সভাপতি থাকে। এই মিচনে সকলো পলিচি উদ্ভাৱন কৰে। এই মিচন সর্বোচ্চ পলিচি মেকিং বডি। এই কমিটিয়ে একচন প্লেন থিৰাং কৰে। এই পৰিপ্রেক্ষিতত জিলাখনে কি কাৰণে অগ্রগতি লাভ কৰিব পৰা নাই সেইটো আমি আলোচনা কৰিছো। সেই কাৰণে মাননীয় বিধায়কসকলক আহ্বান জনাইছো যে আপোনালোকৰ সহযোগত এই আঁচনিৰ কাম ক্ষীপ্রগতিৰে আগবঢ়াব পাৰিম। জিলা কর্তৃপক্ষৰ উপায়ুক্তকো এই বিষয়ে জনোৱা হৈছে।

* **মোঃ মহিবুল হক ঃ** ধুবুৰী জিলাত তিনিহাজাৰ টকা শৌচাগাৰৰ কাৰণে দিয়া ব্যৱস্থা আছে। ইতিমধ্যে আই এ ৱাই সুবিধা যিসকলে পাইছে তেওঁলোকক এই সুবিধাটো দিয়া নাই। আজি প্রায় এবছৰ ডেৰ বছৰ হৈ গ'ল তেওঁলোকে তিনিশ টকাটো জমা দিছে। টকাটো পি এইচ চিত জমা আছে। ধুবুৰী জিলাৰ হিতাধিকাৰী সকলক দিয়াৰ কাৰণে বিধায়কসকলৰ লগত মন্ত্রীয়ে আলোচনা কৰিছিল। আৰু একজিকিউটিভ ইঞ্জিনিয়াৰ আৰু এচিছটেন্ট ইঞ্জিনিয়াৰক দায়িত্ব দিয়া হৈছিল। দুখৰ বিষয় সেই মানুহখিনিয়ে এতিয়ালৈকে সুবিধা পোৱা নাই। এক নম্বৰ প্রশ্নৰ উত্তৰত মন্ত্রী মহোদয়ে কৈছে এই অনাময়

অভিযান আঁচনিৰ জৰিয়তে বৰ্ত্তমানলৈকে ৰাজ্যখনত মুঠ ৬২০৪৬৭টা পৰিয়ালক শৌচাগাৰ নিৰ্মাণ কৰি দিয়াহৈছে। এই হিতাধিকাৰীবিলাক দৰিদ্ৰ সীমাৰেখাৰ ওপৰত। আচলতে দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহকহে দিব লাগিছিল। দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহবিলাকৰ কাৰণে উদাসীন মনোভাৰ দেখুওৱা হৈছে। যদি এই কথা বিলাক নামানে, তেতিয়া হ'লে সদনৰ ডিগনিতি নষ্ট কৰা হ'ব।

* **শ্ৰী বিহন দৈমাৰী (মন্ত্ৰী) ঃ** দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ কাৰণে দুহেজাৰ টকা কেন্দ্ৰীয় চৰকাৰে, ৰাজ্য চৰকাৰে ৭শ টকা আৰু অন্যান্য ফালৰ পৰা তিনিশ টকা। ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যখনৰ অনাময় আঁচনিত পিচপৰি থকা কাৰণটো হ'ল ২০০০-২০০১ চনত অসমত পঞ্চায়তী ৰাজব্যৱস্থা নথকাত অনাময় আঁচনিৰ ৰূপায়ণৰ অসুবিধা হৈছিল তাৰোপৰি পঞ্চায়তী ৰাজব্যৱস্থা সংশ্লিষ্ট বিভাগ আৰু স্বেচ্চাসেবী অনুষ্ঠানৰ সহায়লৈ নতুনকৈ কাম আৰম্ভ কৰা কাৰণে কিছু অসুবিধা হৈছে। ২০০৮ চনলৈ ষ্টেট চেয়াৰৰ পৰিমাণটো কম আছিল।সেয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি আৰু মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি কেনেকৈ সমস্যাটো সমাধান কৰিব পাৰি এই বিষয়ে চিন্তা কৰা হৈছে। আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহখিনিয়ে যদিওবা আই ৱাইৰ ঘৰ পাইছে তথাপি তেওঁলোকৰ আই ডি কার্ড নথকাৰ কাৰণে অনাময় আঁচনিৰ অন্তৰ্ভূক্ত কৰিব পৰা নাই। তেওঁলোকে যদিও টকাটো জমা দিছে এই সমস্যা সমাধান নোহোৱা কাৰণে কাম বিলাকত আগবাঢ়িব পৰা নাই । এতিয়া আমি ব্যৱস্থা গ্ৰহণ কৰিছো।

***শ্ৰী প্ৰনব কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ সদস্যসকল সদনত নথকাৰ কাৰণে প্ৰশ্নোত্তৰ বেলিকা প্ৰশ্নকৰ্ত্তা আৰু উত্তৰ দিওতাৰ কথাৰ মাজত যদি সামঞ্জস্য নাথাকে, তেতিয়া হ'লেই ভৰিষ্যতৰ কাৰণে শুভ লক্ষন নহয়। মই এটা কথাত সন্তুষ্ট হ'ব পৰা নাই। ২০১২ চনৰ ভিতৰত তিনি হাজাৰ টকাকৈ দি শৌচাগাৰ সম্পূৰ্ণ কৰাৰ কথা আছিল। ১৮ লাখ বিপিএল

পৰিয়ালৰ ভিতৰত মাত্ৰ ৬,০৯০ টা পৰিয়ালৰ কামহে সম্পূৰ্ণ কৰা হ'ল। এই সকলো দায়িত্ব আমাৰ জনস্বাস্থ্য কাৰীকৰি বিভাগৰ। মই এই কাৰণেই কৈছো যে কেন্দ্ৰীয় চৰকাৰে এনেবোৰ আঁচনি ৰূপায়ণ কৰোতে সকলো ৰাজ্যৰ মুখ্য সচিবসকলক জৰিত কৰে। এই 'ইভেলুয়েচন কমিটিত' কেন্দ্ৰীয় চৰকাৰে 'গাইডলাইন' বিলাক ঠিক কৰে। অসম ৰাজ্যৰ ভৌগোলিক পৰিবেশ আৰু জলবায়ু আনৰ ৰাজ্যৰ লগত একে নহয়। তাৰোপৰি অসমৰ এই কথা বিলাকৰ ওপৰত কোনো ধৰণৰ প্ৰাধান্য দিয়া নাই। আমাৰ আই এ ওৱাইৰ যিটো ঘৰ সেইটো ৮৫০০ টকাত কেতিয়াও নহয়। কিন্তু ২০ হাজাৰ টকাৰে অন্ধ্ৰ প্ৰদেশত ইটাৰ ঘৰ নিৰ্মাণ হৈছে। মন্ত্ৰী মহোদয়ে কৈছে যে মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি আঁচনিৰ কাম সম্পূৰ্ণ কৰিব। কিন্তু এইদৰে আলোচনা কৰিলে ২০১২ চন পাৰ হৈ যাব। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিছাৰিছো যে এমাহৰ ভিতৰত অৰ্থাৎ এপ্ৰিলৰ ভিতৰত তদাৰকী কমিটি আৰু মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি আই ডি নম্বৰৰ ব্যৱস্থা কৰি এই আঁচনিৰ কাম সম্পূৰ্ণ কৰিব বুলি মই প্ৰতিশ্ৰুতি বিছাৰিছো।

* **শ্ৰী ৰাজীব লোচন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় কলিতা ডাঙৰীয়াই যিটো কথা কৈছে যে তিনি হাজাৰ টকীয়া শৌচাগাৰৰ সুবিধা দুখীয়া পৰিয়াল অৰ্থাৎ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালে এতিয়াও পোৱা নাই। মই মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিছাৰিছো যে কিছুমান এলেকা আছে যেনে মৰিগাঁও, ধুবুৰী, মাজুলী আদি ঠাইত বছৰৰ ৭ মাহে পানীৰ তলত ডুবি থাকে। এই বানপানী প্ৰবল এলেকাত বৰ্ত্তমান যি মডেলৰ চেনিটেচনৰ ব্যৱস্থা কৰিছে এইটো মাত্ৰ কেইমাহমানৰ বাবেহে ব্যৱহাৰ হয়। বাকী সমগ্ৰ চোৱাত ব্যৱহাৰ কৰিব নোৱাৰে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো এই লোলেণ্ড এৰিয়া আৰু চৰ এৰিয়া বিলাকৰ কাৰণে সুবিধা জনক শৌচাগাৰৰ আঁচনিৰ ব্যৱস্থা হাতত ল'বনে? বা তেনে ধৰণৰ কিবা চিন্তা চৰ্চা কৰা হৈছে নেকি।

***শ্ৰী বিহন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,

---

* Speech not corrected

মাননীয় সদস্য, কলিতা ডাঙৰীয়াই যিটো কথা কৈছে সেই বিষয়ে ইতিমধ্যে আমাৰ বিভাগৰ তৰফৰপৰা কেন্দ্রীয় মন্ত্রীৰ লগত আলোচনা কৰিছো। আৰু তেওঁলোকে আমাক পৰামৰ্শও আগবঢ়াইছে। এই বিষয় আমি মুখ্যমন্ত্রীৰ লগতো আলোচনা কৰিছো। তাৰোপৰি যিটো বিপিএল আইডেনটিটি কার্ডৰ কথা কোৱা হৈছে। সেই বিপিএল লিষ্টখন আমাৰ বিভাগৰ পৰা কৰিব নোৱাৰো। তাৰ কাৰণে পঞ্চায়ত বিভাগক অবগত কৰিছো। তেওঁলোকে বিপিএল লিষ্টখন ফাইনেল কৰি দিলে আমাৰ কাম সম্পূর্ণ কৰিম।

***শ্রী প্রনব কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্রী মহোদয়ৰ পৰা প্রতিশ্রুতি বিছাৰিছো যে এই দৰিদ্র সীমা ৰেখাৰ তলৰ পৰিয়ালখিনিয়ে ২০১১ চনৰ ভিতৰত শৌচাগাৰৰ সুবিধা পাব আৰু মন্ত্রী মহোদয়ে তাৰ ব্যৱস্থা কৰিব।

***শ্রী ৰিহন দৈমাৰী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিছাৰিছো আমি দুটা বিভাগৰ লগত আলোচনা কৰিছো। কেন্দ্রীয় চৰকাৰৰ নির্দেশ অনুযায়ী আমি গাঁও পঞ্চায়তক বি পি এল লিষ্ট তৈয়াৰ কৰিব দিছো। যদি বি পি এল লিষ্টখন তৈয়াৰ হৈ যায় তেতিয়া আমাৰ কোনো অসুবিধা নহ'ব। আমি বাৰে বাৰে অনুৰোধ কৰিছে এই মিচনত জৰিত থকা বিধায়কসকলৰ সহায্যৰ বাবে। মাননীয় বিধায়কসকলৰ সহায় সহযোগ বাদ দি আমি এই আঁচনি সম্পূর্ণ কৰিব নোৱাৰো। টকা পইচা আটাইখিনি ভাৰত চৰকাৰৰ আমাৰ ৰাজ্য চৰকাৰৰ খৰছ নাই। এতিয়া কোনটো এন জি অ'ৰ জৰিয়তে এই আঁচনি সম্পূর্ণ কৰা হ'ব সেইটোহে আলোচনা কৰি ঠিক কৰিব লাগে। পেগু ডাঙৰীয়াই যিটো কথা কৈছে জলাশয় অঞ্চল আৰু চৰ অঞ্চলৰ কথাটো তেনেধৰণৰ শৌচাগাৰৰ নির্মাণৰ অর্থে আমি ইতিমধ্যে নির্দেশ দিছো।

***শ্রী ওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা সুধিব বিছাৰিছো যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে চৰ অঞ্চলত যোৱা তিনি বছৰে খোৱা পানীৰ কি ব্যৱস্থা হাতত লৈছে আৰু বর্ত্তমান কি অৱস্থাত আছে।

*** Speech not corrected**

*শ্রী ৰিহন দৈমাৰী (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে খোৱা পানীৰ ব্যৱস্থা গোটেই ৰাজ্য জুৰি কৰিছো। ২০০১ চনৰ লোকপিয়লৰ জৰীপ মতে আৰু ২০০৩ চনৰ জৰীপ মতে গোটেই গাঁৱে ভুৱে ৰাজ্যৰ সকলো ঠাইতে খোৱা পানীৰ ব্যৱস্থা কৰি আছো। বিশেষকৈ চৰ অঞ্চল, সীমা মূৰীয়া অঞ্চল আৰু ভিতৰুৱা অঞ্চল বিলাকৰ কাৰণে অসম বিকাশ যোজনা আঁচনি লৈছো। আৰু ইয়াৰ জৰিয়তে আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে কাম কৰি আছে।

*শ্রী ওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ওৱাটাৰ চাপ্লাই স্কীম গাওঁ আৰু চহৰ অঞ্চলত আছে। কিছুমান ঠাইত নাই, বিশেষকৈ আমাৰ ধুবুৰী জিলাত নাই, মাত্র এটা আছে। হেণ্ড টিউবওৱেলৰ ব্যৱস্থা নাই, প্রতি বছৰে সামান্য টিউবওৱেলৰ ব্যৱস্থা লোৱা হয়। মানুহে নদীৰ পানী খাব লগা হয়। গতিকে খোৱা পানীৰ ব্যৱস্থা কৰিব নে' সেইটো মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

*মোঃ মহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, খোৱা পানীৰ ক্ষেত্রত বিশেষ পেকেজ ল'বলৈ মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিলো।

* শ্রী ভীমানন্দ তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয়, অনাময় আঁচনি চাহ বাগিচাৰ মানুহে পাব নে নাই? এই ক্ষেত্রত চৰকাৰে সিদ্ধান্ত লৈছে নে নাই? বাকী বিলাক ঠাইত খোৱা পানীৰ যোগান পাইছে, কিন্তু চাহ বাগানৰ মানুহে পোৱা নাই। এই ক্ষেত্রত চৰকাৰে কিবা সিদ্ধান্ত লৈছে নে নাই মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

*শ্রী ৰিহন দৈমাৰী (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্রী তাঁতী ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে, তেখেতক মই জনাব বিচাৰিছো যে চাহ বাগিচা বিলাকত খোৱা পানীৰ ব্যৱস্থা কৰা হৈছে। যদিহে বাগিচাৰ মালিক পক্ষই মাতে, তেতিয়া হ'লে খোৱা পানীৰ ব্যৱস্থা কৰা হ'ব।

---

* Speech not corrected

মই আগতেই কৈছো যে যিবিলাকৰ বি পি এল আই বি নম্বৰ আছে তেওঁলোকৰ কৰা হৈছে। চাহ জনজাতিৰ উন্নয়ন তৰফৰ পৰা টয়লেট নির্মানৰ কাৰণে নির্দ্দেশ দিয়া হৈছিল, সেইমতে তিনি হাজাৰৰো অধিক টয়লেট নির্মাণ কৰা হৈছে। আমাৰ আঁচনি চলি আছে।

* **শ্রী ভীমানন্দ তাঁতী ঃ** মাননীয় অধ্যক্ষ মহোদয় বি পি এলৰ মানুহ বিলাকক কেতিয়া অর্ন্তভুক্ত কৰা হ'ব। এইটো পঞ্চায়তেও নকৰে। এইটো কেতিয়া কৰিব যেতিয়া বি পি এল শেষ হৈ যাব, তেতিয়া কৰিব নেকি? কেতিয়া কৰিব সিদ্ধান্ত হ'ব লাগে। কোন বিভাগে কৰিব সেইটো সিদ্ধান্ত হ'ব লাগে। তেওঁলোকৰ বি, পি, এল, কার্ড হোৱা নাই, সকলো ক্ষেত্রতে পিছ পৰি আছে। বি, পি, এলক কেতিয়া অর্ন্তভুক্ত কৰিব, এইটো মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

***শ্রী বিহন দৈমাৰী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাগিচাসমূহত বি পি এল কম আছে, এইটো আমাৰ বিভাগে নকৰে, পঞ্চায়তে কৰে।

(Starred Questions Nos. 323, 324, 325,326,327 and 328 could not be taken up for disposal as the questioners were not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ আবকাৰী বাজহ।

শ্রীনুকল হছেইনে সুধিছে ঃ

*** ৩২৩। মাননীয় আবকাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমত মদ বিক্রীৰ বিপৰীতে প্রতি বছৰে কিমান ৰাজহ সংগ্রহ হয়। (যোৱা চাৰি বছৰৰ দেশী আৰু বিদেশী মদৰ বিপৰীতে তথ্য দিব।)

(খ) অসমৰ কোন-কোন অঞ্চলত মদ বিক্রী নিষেধাজ্ঞা (Prohibited) থকা স্বত্বেও উক্ত অঞ্চলত অবৈধভাৱে মদ বিক্রীৰ বাবে বিভাগে কিমান গোচৰ

* Speech not corrected

ৰুজু কৰিছে। (পৃথকে পৃথকে যোৱা চাৰি বছৰৰ তথ্য দিব।)

(গ) নিষেধাজ্ঞা থকা অঞ্চলৰ বাদেও অন্য কোনো অঞ্চল আছে নেকি, য'ত মদ বিক্রী নহয়? (তথ্য দিব)

(ঘ) অসমৰ কিমান সংখ্যক লোকে মদ্যপান কৰে।

(ঙ) মদ্যপান কৰাৰ বাবে চৰকাৰে যোগান ধৰা কিমান সংখ্যক লোকৰ অনুজ্ঞাপত্র আছে। (তথ্য দিব)

*** শ্রী গৌতম ৰয়ে(আৰকাৰী বিভাগৰ মন্ত্রী) উত্তৰ দিছে ঃ**

(ক) অসমতযোৱা চাৰি বছৰত দেশী আৰু বিদেশী মদৰপৰা সংগ্রহ হোৱা ৰাজহৰ পৰিমাণ তলত দেখুৱা হ'ল।

বছৰ	বিলাতী সুৰাৰ পৰা গোৱা ৰাজহ	দেশীয় মদৰ পৰা গোৱা ৰাজহ	মুঠ ৰাজহ
২০০৬-০৭	১৬৭.০৬ কোটি টকা	১১.০৭ কোটি টকা	১৭৮.১৩ কোটি টকা
২০০৭-০৮	১৮১.১৫ " "	১০.০৭ " "	১৯১.২২ " "
২০০৮-০৯	১৯১.১২ " "	১০.৩৫ " "	২০৯.৪৭ " "
২০০৯-১০	১৯৮.৩৯ " "	৯.৯৮ " "	২০৮.৩৭ " "

(খ) অসমৰ হাজো গাওঁ পঞ্চায়ত আৰু ৰৰপেটা পৌৰ নিগম এলেকা অঞ্চলত মদ বিক্রী নিষেধাজ্ঞা আছে। এই অঞ্চল দুটাত অবৈধ ভাৱে মদ বিক্রী কৰাৰ বাবে তলত দেখুওৱা ধৰণে গোচৰ ৰুজু হৈছে। যোৱা চাৰি বছৰৰ তথ্য পৃথকে পৃথকে তলত দেখুওৱা হ'ল।

(গোচৰ ৰুজুৰ সংখ্যা)

বছৰ	হাজো গাওঁ পঞ্চায়ত	ৰৰপেটা পৌৰ এলেকা
২০০৬ - ০৭	৪০ টা	১২ টা
২০০৭ - ০৮	৩১ টা	নাই

২০০৮ - ০৯	২২ টা	নাই
২০০৯ - ১০ (ফেব্রুৱাৰী,২০১০লৈকে)	৭২ টা	৭৭ টা

(গ) অসমৰ কোনো ঠাইত অনুজ্ঞাপত্ৰ নোহোৱাকৈ মদ বিক্ৰী কৰিব নোৱাৰে। হাজো গাওঁ পঞ্চায়ত আৰু বৰপেটাৰ পৌৰ এলেকাৰ বাহিৰেও অসমৰ এনে বহুত ঠাই আছে য'ত মদ বিক্ৰীৰ বাবে অনুজ্ঞাপত্ৰ কোনোৱে লোৱা নাই। উদাহৰণ স্বৰূপে অসমৰ মাজুলী, হাটাশিঙিমাৰী (মহকুমাত) আদি ঠাইত মদ বিক্ৰীৰ বাবে কোনো অনুজ্ঞাপত্ৰ নাই।

(ঘ) অসমৰ গড়ে প্ৰায় আনুমানিক ১.৭০ শতাংশ লোকে মদ পান কৰে।

(ঙ) অসম মদ নিবাৰণী আইনৰ অধীনত সুৰা সেৱনৰ বাবে অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা আছে। কিন্তু এই আইনখন বৰ্ত্তমান বৰপেটা পৌৰ এলেকা আৰু হাজো গাওঁ পঞ্চায়ত এলেকাতহে 'ড্ৰাই' এৰিয়া হিচাপে প্ৰযোজ্য হৈ আছে। উক্ত এলেকা দুখনৰ কোনোলোকে সুৰা সেৱনৰ বাবে অনুজ্ঞাপত্ৰ বিচৰা নাই।

আনহাতে, আৱকাৰী আইনৰ অধীনত মদ সেৱনৰ বাবে অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা নাই। বৰপেটা পৌৰ এলেকা আৰু হাজো গাওঁ পঞ্চায়তৰ বাহিৰে অসমৰ বাকী সকলো অঞ্চলতে ১৯১০ চনৰ আবকাৰী আইন প্ৰযোজ্য হৈ আছে।

বিষয় ঃ বিলাতী মদৰ বণ্ড আৰু দোকানৰ সংখ্যা ।

ডাঃ আদিত্য লাংথাছাই সুধিছে ঃ

***৩২৪। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বৰ্ত্তমান অসমত বিলাতী মদৰ বণ্ড আৰু দোকানৰ সংখ্যা কিমান? বণ্ড আৰু দোকানৰ সংখ্যা পৃথককৈ জনাব ?

(খ) উক্ত বণ্ড সমূহৰ স্বত্বাধিকাৰী বা কোম্পানী সমূহৰ নামৰ তালিকা সদনক জনাবনে?

(গ) বিলাতী মদৰ পৰা অসম চৰকাৰে বছৰি কিমান ৰাজহ সংগ্ৰহ কৰে, যোৱা পাঁচ বছৰৰ তথ্য জনাবনে?

শ্ৰী গৌতম বৰে (আবকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান অসমত ৬৬ টা বিলাতী মদৰ বণ্ড আৰু ১৬৭৮ খন বিলাতী মদৰ দোকান আছে।

(খ) উক্ত বণ্ড সমূহৰ স্বত্বাধিকাৰী আৰু কোম্পানী সমূহৰ নামৰ তালিকা 'ক' ত গাঁঠি দিয়া হ'ল। (See Annexure - III)

(গ) বিলাতী মদৰ পৰা অসম চৰকাৰে যোৱা পাঁচ বছৰত সংগ্ৰহ কৰা আৰকাৰী ৰাজহৰ পৰিমাণ তলত দেখুওৱা হ'ল।

বছৰ	ৰাজহৰ পৰিমাণ
২০০৫-০৬	১৪৮.৫৮ কোটি টকা
২০০৬-০৭	১৬৭.০৬ " "
২০০৭-০৮	১৮১.১৫ " "
২০০৮-০৯	১৯১.১২ " "
২০০৯-১০ (ফেব্ৰুৱাৰী,২০১০লৈকে)	১৯৮.৩৯ " "

Sub : N.R.C. Update.

Shri Drupad Borgohain asked :

***325.** Will the Minister of Implementation of Assam Accord be pleased to state :

(a) What are the steps taken for updating of NRC?

(b) Are all the modalities comleted?

(c) Whether the Union Govt.has agreed with the modalities and delegated the power to update NRC in Assam to the state Govt.?

(d) What is the time frame of the completion of NRC ?

Dr. BhumidharBarman (Minister of Implementaion of Assam Accord Department) replied :

(a) State Government had submitted modalities to update the NRC to the Central Government in the year 2008. The standard operating procedures as sought for by the Central Government were also submitted to the Central Government.State Government had proposed to the Government of India the names of two Revenue Circles for taking up as Pilot project for updation of NRC along with a proposal for fund. Further, the preliminary work such as data entry of NRC 1951 and electoral Rolls upto 1971 are nearing completion.

(b) Central Government has amended the Citizenship (Registration of Citizens and Issue of Naional Identity Cards) Rules, 2003 and amended Rules have been notified on 9.11.2009 incorporating the modalities submitted by the State Government except the State Government's recommendation that the Electoral Rolls of 1971should be taken as the basis for updating the NRC among other things. The State Government took up the matter with the Government of India on 14.12.2009 and subsequently two more reminders dated 26.02.2010 and 05.03.2010 were issued.

(c) The Central Government has largely agreed to the modalities submitted by State Government. The State Government has submitted the recommendation that the Electoral Rolls upto1971 should be taken as the basis for updation of NRC Central Government as per law. Government of India is yet to delegate the authority to the State Government to update the NRC.

(d) No time frame has been fixed by the Government of India.

বিষয় ঃ পানী যোগান আঁচনি।

শ্রীকেশৱ মহন্তয়ে সুধিছে ঃ

*** ৩২৬। মাননীয় জনস্বাস্থ্য কাৰিকাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) কলিয়াবৰ বিধান সভা সমষ্টিত যোৱা ২০৬-০৭,২০০৭-০৮,২০০৯-১০ চনত কিমানটা পানী যোগান আঁচনি লোৱা হৈছে? এই আঁচনি কোন কোন স্থানত আৰু আঁচনিৰ ধার্য্য কৰা ধনৰ পৰিমান কিমান? (আঁচনিৰ নাম সহ স্থান, ধার্য্য কৰা ধনৰ পৰিমাণ সহ বিতং তথ্য দিব।)

(খ) পুৰণা কোন কেইখন আঁচনি মেৰামতি কৰা হৈছে? (আঁচনিৰ নাম সহ বিতং তথ্য দিব।)

(গ) চৰকাৰ জ্ঞাতনে নহৰ বস্তি (বুঢ়া পাহাৰ অঞ্চল) কেলিতল বাগিচা, সালনা বাগিচা অঞ্জুকপানী, লেংটেং অঞ্চলত আঁচনি, গ্রহণ কৰাৰ বাবে স্থানীয় বিধায়কৰ পৰা পৰামর্শ দিয়া হৈছিল।

(ঘ) যদি জ্ঞাত, তেন্তে সেই অঞ্চল সমূহত আঁচনি গ্রহণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে?

শ্রী বিহন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কলিয়াবৰ বিধান সভা সমষ্টিৰ অধীনত ২০০৬-০৭ চনত ৯ টা, ২০০৭-০৮ চনত কোনো আঁচনি অনুমোদন হোৱা নাই,২০০৮-০৯ চনত ১২ টা পাইপ পানী যোগান আঁচনি লোৱা হৈছে। ২০০৯-১০ চনত ১২ টা পাইপ পানী যোগান আঁচনিৰ কাৰিকৰী অনুমোদন পোৱা হৈছে আৰু প্রশাসনীয় অনুমোদনৰ ব্যৱস্থা লোৱা হৈছে। আঁচনিসমূহৰ স্থান আৰু ধার্য্য কৰা ধনৰ পৰিমাণ বিতং তথ্য Annexure - 'A' ত সংলগ্ন কৰা হ'ল।

(See Annexure - IV)

(খ) কলিয়াবৰ বিধান সভা সমষ্টিৰ অধীনত মাধাতাৰি, লক্ষনা বন্ধা আৰু পানীগাঁও পুৰনা আঁচনি তিনিখন মেৰামতি কৰা হৈছে।

(গ) জ্ঞাত।

(ঘ) নহৰ বস্তি (বুঢ়াপাহাৰ অঞ্চলত পাইপ পানী যোগান আঁচনিৰ ব্যৱস্থা কৰা হৈছে। কেলিডন বাগিছা অঞ্চলত ১৬ টা পকী কুঁৱা বহুওৱা হৈছে। শালনা বাগিচাৰ আংশিক অঞ্চলত নিউ শ্যালনা পানী যোগান আঁচনিৰ জৰিয়তে পানী যোগান ধৰি থকা হৈছে । শালনা বাগিচাৰ অধীনৰ বৰখাট অঞ্চলত বৰখাট পানী যোগান আঁচনিৰ ৰূপায়ণৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে। অঞ্জুক পানী অঞ্চলত ৭ টা পকী কুঁৱা বহুওৱা হৈছে আৰু লেংটেং অঞ্চলত লেংটেং পাইপ পানীযোগান আঁচনিৰ জৰিয়তে পানী যোগান ধৰি থকা হৈছে।

বিষয় ঃ ভাৰত বাংলাদেশ সীমান্ত।

ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ

*** ৩২৭। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রীমহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ভাৰত বাংলাদেশ সীমান্তত কাইটীয়া তাঁৰৰ বেৰ নির্মাণ সম্পূর্ণ হ'লনে?

(খ) ভাৰত-বাংলাদেশ সীমান্তত কাইটীয়া তাঁৰৰ বেৰ নির্মানৰ বাবে অনুমোদিত সীমা কিমান কিলোমিটাৰ আৰু ইয়াৰ ভিতৰত কিমান কিলোমিটাৰ এতিয়ালৈ নির্মাণ হ'ল।

কার্য্য সম্পূর্ণ হোৱাৰ সন্দর্ভত আগতে দিয়া প্রতিশ্রুতি ৰক্ষা হোৱা নাই। শেহতীয়াকৈ ২৪/৩/২০১০ তাৰিখে বিভাগীয় 'কনচালটেটিভ কমিটিৰ সভাত নির্মাণকাৰী সংস্থা সমূহৰ লগত খৰছি মাৰি আলোচনা কৰি নির্মাণ কার্য্য এই বছৰৰ ৩১ডিচেম্বৰৰ ভিতৰত সম্পূর্ণ কৰাৰ বাবে সময় নিৰ্দ্ধাৰণ

কৰা হৈছে।

(গ) মাননীয় বিভাগীয় মন্ত্রীয়ে বিধান সভাৰ মজিয়াত ২০০৯ চনৰ ৩১ মার্চৰ ভিতৰত কাইটীয়া তাঁৰৰ বেৰ নির্মাণ সম্পূর্ণ হ'ব বুলি প্রতিশ্রুতি দিয়াৰ পাছতো এই কাম আজিও সম্পূর্ণ নোহোৱাৰ কাৰণ কি আৰু এই সন্দর্ভত পুনৰ চন তাৰিখ ঘোষণা কৰিবনে?

(ঘ) কাইটীয়া তাঁৰৰ বেৰৰ উপৰিও সীমান্তৱর্ত্তী এলেকাত ফ্লাড লাইটৰ ব্যৱস্থা আছেনে ?

(ঙ) যদি আছে, কিমান এলেকাত এই ফ্লাড লাইট বহুৱাইছে আৰু কিমান এলেকা এতিয়াও বাকী আছে?

(চ) ইয়াৰ উপৰিও সীমান্ত সুৰক্ষাৰ বাবে অন্য কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছেনে আৰু যদি লৈছে, বিতং ভাবে উল্লেখ কৰিব।

ডাঃ ভুমিধৰ বর্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) নাই হোৱা।

(খ) ভাৰত বাংলাদেশ সীমান্তৰ অসম অংশত প্রথম, দ্বিতীয় আৰু তৃতীয় পর্য্যায় মিলি নির্মিত হ'ব লগা সর্বমুঠ বর্তমানলৈকে অনুমোদিত দৈর্ঘ্য ৪০২.৭৭২ কিঃ মিঃ ৰ ভিতৰত নির্মাণ সম্ভৱ হোৱা দৈর্ঘ্যৰ পৰিমাণ ৩৮১.০৬৮ কিঃমিঃ। ইয়াৰে ভিতৰত বর্ত্তমান নির্মাণ সম্পূর্ণ হোৱা দৈর্ঘ্যৰ পৰিমাণ ৩১৮.০৬৯ কিঃমিঃ।

(গ) নদীৰ খহনীয়া আৰু সুঁতি সলনি কৰা কার্য্য, কিছুমান স্থানত সহযোগী পথৰ আৱশ্যকীয় দলং, শ্লুইচ গেট আদি নির্মাণ কার্য্য সম্পন্ন নোহোৱা অথবা কাটা তাঁৰবেৰৰ নির্মাণৰ দায়িত্বত থকা বিভাগলৈ হস্তান্তৰিত নোহোৱা বতৰৰ বিঘিনি আৰু কিছু-ক্ষেত্রত বিবাদমান ভুমিত বেৰ নির্মাণৰ বাবে ভাৰত

চৰকাৰৰ পৰা লাভ কৰা অনুমোদনৰ বিলম্বন ইত্যাদি কাৰণৰ বাবে নির্মাণ কার্য্য সম্পূর্ণ হোৱাৰ সন্দর্ত আগতে দিয়া প্রতিশ্রুতি ৰক্ষা হোৱা নাই। শেহতীয়াকৈ ২৪/৩/২০১০ তাৰিখে বিভাগীয় 'কনচালটেটিভ কমিটিৰ সভাত নির্মাণকাৰী সংস্থা সমূহৰ লগত খৰছি মাৰি আলোচনা কৰি নির্মাণ কার্য্য এই বছৰৰ ৩১ডিচেম্বৰৰ ভিতৰত সম্পূর্ণ কৰাৰ বাবে সময় নির্দ্ধাৰণ কৰা হৈছে ।

(ঘ) সীমান্তৱর্তী এলেকাত বর্ত্তমান নিয়মীয়াকৈ ফ্লাড লাইটৰ ব্যৱস্থা নাই যদিও কেন্দ্রীয় চৰকাৰে এই সন্দর্ভত আৱশ্যকীয় কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰি ২৩/১/২০০৮ তাৰিখৰ 11013/02/2006-BM-III নং পত্র মর্মে কেন্দ্রীয় গড়কা প্তানী বিভাগক নির্মাণৰ দাযিত্ব অর্পণ কৰিছে।

(ঙ) বর্তমান ফ্লাড লাইট বহুওৱা হোৱা নাই। ১৭২.৭০ কি: মি: অসম বাংলাদেশ সীমান্তত ফ্লাড লাইট বহুওৱাৰ কাম বাকী আছে। অসম বাংলাদেশ সীমান্তৰ ধুবুৰী খণ্ডৰ ৪০.০ কি·মি·ত ফ্লাড্ লাইট বহুওৱাৰ প্রাৰম্ভিক কাম আৰম্ভ হৈছে। আনহাতেদি, শিলচৰ খণ্ডৰ ১৩২.৭০ কি: মি: অংশত ফ্লাড লাইট বহুওৱাৰ প্রাৰম্ভিক প্রাক্কলন সম্প্রতি ভাৰত চৰকাৰৰ গৃহমন্ত্রালয়ে অনুমোদন জনাই বিতং প্রাক্কলন প্রস্তুতিৰ পর্য্যায়লৈ কামৰ অগগ্রতি ঘটাইছে।

(চ) সীমান্ত নিৰাপত্তা বলৰ পহৰাৰ উপৰিও নিৰাপত্তাৰ খাতিৰত অসম আৰক্ষী বাহিনী সীমান্ত শাখাৰ ১২ টা Outpost আৰু ২ টা টেকনিকেল মুখ্য শিৰিৰত 2nd Line of Defence ৰূপে মোতায়েম কৰা হৈছে। ইয়াৰ উপৰিও ১৭ টা Outpost আৰু ১টা টেকনিকেল মুখ্য শিবিৰ স্থাপন কৰাৰ আঁচনি কৰা হৈছে। শিবিৰৰবাবে ঘৰবাৰী আৰু অন্যান্য যা - যোগাৰ সম্পূর্ণ হ'লে কার্য্যকৰী হ'ব। ইয়াৰ উপৰিও ধুবুৰী আৰু কৰিমগঞ্জ জিলাত ৬ টা প্রৱজন পৰীক্ষা শিবিৰ আছে। এই সমূহত সীমান্তৰ দুই পাৰৰ পৰা অহা লোক তথা মাল বস্তু আদিৰ বৈধতা পৰীক্ষা কৰা হয়। পুনৰ এই দুখন

জিলাত ১৫ টা পহৰা চকী আছে। এই সমূহ বিদেশী লোকৰ চিনাক্তকৰণৰ বাবে ন্যস্ত কৰা হয়। উল্লেখ কৰা যায় যে সীমান্ত সুৰক্ষা বাহিনীৰ অসম খণ্ডত সীমান্তৰ ৯২ টা পহৰা চকী আছে।

বিষয় ঃ ধুমুহাত ক্ষতিগ্রস্ত সকলৰ বাবে সাহার্য্য।

শ্রী অনুপ ফুকনে সুধিছে ঃ

*** ৩২৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ২০০৬-০৭ আৰু ২০০৯ চনত টিংখং সমষ্টিত প্রচণ্ড ধুমুহাই যি প্রচুৰ ক্ষতিসাধন কৰিলে সেই কথা চৰকাৰৰ অৱগত নে?

(খ) চৰকাৰে ক্ষতিগ্রস্ত সকলৰ বাবে সাহার্য্য প্রদান কৰিলেনে? যদি কৰিলে, কি নিয়মেৰে, কিমান পৰিয়ালক, কিমানকৈ, কেতিয়া সাহার্য্য দিলে?
(নীতি নিয়মৰ প্রতিলিপি, পৰিয়ালৰ মুৰবী আৰু সাহার্য্য পৰিমানৰ বিশদ তালিকা সদনত দিব।)

(গ) কিমানটা ক্ষতিগ্রস্ত পৰিয়ালে সাহার্য্যনোপোৱাকৈ ৰৈ গ'ল আৰু কিয় ৰৈ গ'ল জনাবনে? (পৰিয়াল সমূহৰ তালিকা দিব।)

(ঘ) সাহার্য্য নোপোৱাকৈ ৰৈ যোৱা পৰিয়াল সমূহক শীঘ্রে সাহার্য্য দিয়াৰ ব্যৱস্থা কৰিবনে? যদি কৰে, কেতিয়াকৈ দিব?

(ঙ) টিংখং সমষ্টিৰ ৰাজগড়কে ধৰি বিভিন্ন গৃহ, ব্যৱসায়-প্রতিষ্ঠান অগ্নিকাণ্ডত ভস্মীভূত হৈ থকা স্বত্বেও সাহার্য-প্রদান নকৰাটো সত্য নে? এই ক্ষতিগ্রস্ত পৰিয়ালবর্গক সাহার্য্য দিয়াৰ ব্যৱস্থা কৰিবনে? যদি কৰে, শীঘ্রে কৰিবনে?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) দুর্যোগ সাহার্য্য পুঁজিৰ নিৰ্দ্ধাৰিত নিয়মাৱলী অনুসৰি উপায়ুক্তই অনুমোদন জনোৱা সকলোবোৰ ক্ষতিগ্রস্ত পৰিয়ালক সাহার্য্য প্রদান কৰা হৈছে। ভাৰত চৰকাৰৰ গৃহমন্ত্রালয়ে নিৰূপণ কৰা দুর্যোগ সাহার্য্য পুঁজিৰ পূর্বৰ নির্দ্ধাৰিত নিয়মাৱলী আৰু সংশোধিত নিয়মাৱলীৰ বিধি অনুসৰি ২০০৬-০৭ বিত্তীয় বর্ষত সর্বমুঠ ২৫০ টা ক্ষতিগ্রস্ত পৰিয়ালৰ ৮৯ টা সম্পূর্ণ বাবে ক্ষতিগ্রস্ত পৰিয়ালক ৬০০০/-টকাকৈ ৫,৩৪,০০০/-টকা আৰু ১৬১টা আংশিকভাৱে ক্ষতিগ্রস্ত পৰিয়ালক ১২০০/- টকাকৈ ১, ৯৩,২০০/-টকাৰ মঞ্জুৰি প্রদান কৰা হৈছে । আকৌ ২০০৮-০৯ বিত্তীয় বর্ষত সর্বমুঠ ক্ষতিগ্রস্ত ১০১ টা পৰিয়ালৰ ৪৪ টা পৰিয়ালক ১০,০০০/-টকাকৈ ৪,৪০,০০০/-টকা আৰু ৫৭ টা পৰিয়ালক ১,৫০০/-টকাকৈ ৮৫,৫০০/-টকাৰ মঞ্জুৰি দিয়া হৈছে। ইতিমধ্যে উক্ত দুয়োটা বর্ষৰ মঞ্জুৰিকৃত সমূহ ধনৰাশি উপায়ুক্তক মোকলাই দিয়া হৈছে।

(দুর্যোগ সাহার্য্য পুঁজিৰ নিয়মাৱলীৰ প্রতিলিপি আৰু সাহার্য্য প্রদান কৰা পৰিয়ালৰ মুৰব্বীজনৰ নাম আৰু সাহার্য্যৰ পৰিমাণৰ বিতং তথ্য যথাক্রমে পৰিশিষ্ট 'ক' 'খ' আৰু 'গ' ত দাখিল কৰা হ'ল।) (See Annexure - VI)

(গ) উপায়ুক্তই জনোৱা তথ্যমতে দুর্যোগত ক্ষতিগ্রস্ত কোনো পৰিয়াল সাহার্য্য নোপোৱাকৈ থকা নাই।

(ঘ) প্রযোজ্য নহয়।

(ঙ) সত্য নহয়। দুর্যোগ সাহায্য পুঁজিৰ নিৰ্দ্ধাৰিত নিয়মাৱলীৰ ১০ নং বিধি অনুসৰি দুর্যোগত ক্ষতিগ্রস্ত গৃহ পট্টা ভুক্ত মাটিত অৱস্থিত হ'লেহে সাহার্য্য প্রদানৰ ব্যৱস্থা আছে। আকৌ উক্ত নিয়মাৱলীৰ বিধি অনুসৰি অগ্নিকাণ্ডত ভষ্মীভূত হোৱা ব্যৱসায়িক প্রতিষ্ঠানক সাহার্য্য প্রদানৰ ব্যৱস্থা নাই। সংশ্লিষ্ট নিয়মাৱলীৰ আধাৰত যুগুত কৰি উপায়ুক্তই অনুমোদন জনোৱা কোনো প্রস্তাৱ বিভাগে পালে বিবেচনা কৰা হ'ব।

Mr. Speaker Now starred Question No. 329, Hon'ble Member,Shri Binanda Kumar Saikia.

বিষয় ঃ ব্রহ্মপুত্র নদীৰ গৰাখহনীয়া ।

শ্রী বিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

***৩২৯ । মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ**

(ক) ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তর্গত বাজানাপথাৰ গাঁও পঞ্চায়ত এলেকাৰ চৰ অঞ্চলত থকা কিৰাকাৰা আৰু কুৰুৱা গাঁও পঞ্চায়ত এলেকাৰ ওপৰ কুৰুৱাত ব্রহ্মপুত্র নদীৰ ভয়াৱহ গৰাখহনীয়া সম্পর্কে চৰকাৰ অৱগতনে ?

(খ) ব্রহ্মপুত্রৰ ভয়াবহ খহনীয়াৰ বাবে কিবাকাৰা বজাৰখনৰ লগতে বহু পৰিয়ালৰ ঘৰবাৰী ব্রহ্মপুত্রৰ বুকুত জাহ যোৱাৰ বিষয়ে বিভাগে জানেনে ?

(গ) এই ক্ষেত্রত কিৰাকাৰা আৰু কুৰুৱাত খহনীয়া প্রতিৰোধৰ কিবা আঁচনি চৰকাৰৰ আছে নেকি ?

(ঘ) যদি আছে, কেতিয়া এই আঁচনি কার্য্যকৰী হ'ব ? যদি কোনো আঁচনি নাই, খহনীয়াৰ কবলত পৰা ৰাইজৰ স্বার্থত চৰজমিন তদন্ত কৰি অচিৰেই খহনীয়া প্রতিৰোধৰ আঁচনি গ্রহণ কৰিবনে ?

শ্রী পৃথিৰী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) কিৰাকাৰা বজাৰখনৰ লগতে বহু পৰিয়ালৰ ঘৰ-বাৰী ব্রহ্মপুত্রৰ বুকুত জাহ যোৱা সম্পর্কে জলসম্পদ বিভাগৰ হাতত কোনো তথ্য নাই।

(গ) কিৰাকাৰা অঞ্চলত বর্ত্তমানলৈ কোনো আঁচনি হাতত লোৱা নাই। কিন্তু ওপৰ কুৰুৱা ফেৰীঘাটৰ গড়াখহনীয়া ৰোধ কৰাৰ বাবে CRF শিতানত এখন আঁচনি প্রস্তুত কৰি যাৱতীয় অনুমোদনৰ বাবে প্রেৰণ কৰা হৈছে।

(ঘ) যাৱতীয় প্রয়োজনীয় অনুমোদন তথ্য পুঁজিৰ আৱন্টন সাপেক্ষে আঁচনিখন কার্য্যকৰী কৰিব পৰা যাব।

*শ্রী আব্দুল খালেক ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে গড়াখহনীয়া প্রতিৰোধ আঁচনি লোৱা বাবে মই তেখেতক ধন্যবাদ জনাইছো। কিন্তু মই এটা কথাত আচৰিত হৈছো যে বাগানপাৰা আৰু কিৰাকাৰা বজাৰখন ব্রহ্মপুত্রত জাহ গৈছে, কিন্তু ব্যৱস্থা লোৱা হোৱা নাই। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এইটো ব্যৱস্থা ল'ব নেকি?

*শ্রী পৃথিৱী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্যগৰাকীয়ে যিটো প্রশ্ন কৰিছে সেইটো হৈছে ছিপাঝাৰৰ বাগানপাৰা আৰু কিৰাকাৰা বজাৰ ব্রহ্মপুত্রৰ খহনীয়া প্রতিৰোধৰ বাবে আঁচনি প্রস্তুত কৰা হৈছে। "Immediate messure repair to Brahmaputra dyke from Kurua to Durgheswari Hill including Kurua ring bandh under CRF for 2008-2009" এইটোৰ কাৰণে ৮৭ লাখ ৭৩ হাজাৰ টকাৰ প্রাক্কলন প্রস্তুত কৰা হৈছে। বিভাগৰ পৰা দিয়া হৈছে, পুঁজি আহিলে কাম কৰা হ'ব। এইটো যিমান সোনকালে পৰা যায় সিমান সোনকালে কৰাৰ ব্যৱস্থা লোৱা হ'ব।

*শ্রী আব্দুল খালেক ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় কিৰাকাৰাৰ কথা নক'লে। সমগ্র চৰ অঞ্চলতে গড়াখহনীয়া হৈছে। মাননীয় মন্ত্রী মহোদয়ে গড়াখহনীয়া প্রতিৰোধৰ ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিলো।

*শ্রী পৃথিৱী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, কিৰাকাৰা অঞ্চলৰ মথাউৰীৰ দুই কিলোমিটাৰ আছে। সেইমতে আঁচনি তৈয়াৰ কৰা হৈছে। গড়াখহনীয়াত জাহ যোৱাৰ বিষয়ে বিভাগে তথ্য পাতি পোৱা নাই। ক্রীড়াধৰা অঞ্চলৰ গড়াখহনীয়াৰ বাবে নিশ্চই ব্যৱস্থা লোৱা হ'ব।

*শ্রী আব্দুল খালেক ঃ মাননীয় অধ্যক্ষ মহোদয়, বজাৰখন গড়াখহনীয়াত জাহ গৈছে, এই ক্ষেত্রত মাননীয় মন্ত্রী মহোদয়ে ব্যৱস্থা ল'ব নে মই জানিব বিচাৰিছো।

---

* Speech not corrected

***শ্রী পৃথিবী মাঝি (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো ব্যৱস্থা লোৱা হ'ব, বিভাগে তথ্য পালে নিশ্চই ব্যৱস্থা লোৱা হ'ব।

***শ্রী প্রণব কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা এটা কথা স্পষ্টভাবে জানিব বিচাৰিছো যে আজি প্রায় দুবছৰ আগতে ডিব্রুগড়, পলাশবাৰী আদি ঠাইত স্থায়ী মঠাউৰি নির্মাণৰ বাবে এচিয়ান ডেভেলপমেন্ট বেংকে ২৮০ কোটি টকা ঘোষণা কৰিছিল। সেই সময়ত এইটো আটাইতকৈ আনন্দৰ খবৰ আছিল যে ১৯৫০ চনৰ পৰা এই অঞ্চলৰ ৰাইজে গড়াখহনীয়া ৰোধৰ বাবে দাবী জনাই আহিছিল। কিন্তু আজি দুই বছৰ ধৰি এইটো কার্য্যকৰী হোৱা নাই । ইতিমধ্যে এচিয়ান ডেভেলপমেন্ট বেংকৰ এক্সপার্ট গুৱাহাটীলৈ আহি গুৱাহাটীত কার্য্যালয় স্থাপনো কৰিছে। তেওঁলোকে অসম চৰকাৰৰ পৰা কিছুমান তথ্যপাতি বিচাৰিছিল বুলি গম পাইছিলো । কিন্তু অসম চৰকাৰে আজিলৈকে তেওঁলোকক কোনো তথ্যপাতি যোগান ধৰা নাই । আজি দুবছৰ আগতে ঘোষণা কৰা কথাটো কিয় চৰকাৰে আগুৱাই লৈ যাব পৰা নাই । এই সম্পর্কে মাননীয় মন্ত্রী মহোদয়ে স্পষ্টভাবে জনাব নেকি ?

***শ্রী পৃথিবী মাঝি (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এচিয়ান ডেভেলপমেন্ট বেংকে যিখিনি ঘোষণা কৰিছে সেইটো তেওঁলোকে নিজে ইমপ্লিমেন্ট কৰিব। তেওঁলোকে ৰাজ্য চৰকাৰৰ পৰা ২৫ শতাংশ ষ্টেট চিয়াৰ বিচাৰিছে। এই সম্পর্কে আমি মাননীয় মুখ্যমন্ত্রীৰ সৈতে তেওঁৰ কার্য্যালয়তে এচিয়ান ডেভেলপমেন্ট বেংকৰ বিষয়ৱবীয়াৰ সৈতে আলোচনা কৰিছো আৰু মাননীয় মুখ্যমন্ত্রী মহোদয়ে ২৫ শতাংশ ষ্টেট চেয়াৰ দিয়াৰ বিষয়ে সন্মতিও প্রকাশ কৰিছে, কিন্তু তেওঁলোকে যি খিনি ফৰমেলিটি বিচাৰিছে সেইটো আমি দিব পৰা নাই। তেওঁলোকে বিচাৰিছে যে যিকেইটা প্রজেক্ট আছে নিজেই ইমপ্লিমেন্ট কৰিব আৰু সেইবোৰ ইমপ্লিমেন্ট কৰাৰ বাবে আমাৰ পৰা ইঞ্জিনিয়াৰ বিচাৰিছে । এইক্ষেত্র ত আমাৰ ইঞ্জিনিয়াৰ সকলো

যাবলৈ প্ৰস্তুত হোৱা নাই। যানহওক, আমি এই সমস্যাবিলাক আলোচনা কৰি সোনকালে দিয়াৰ ব্যৱস্থা লম।

***শ্ৰী প্ৰণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৫০ চনত প্ৰথমবাৰ জৱাহৰলাল নেহৰুৱে পলাশবাৰীলৈ আহি ইয়াৰ গড়াখহনীয়া দেখি তেওঁ কান্দিছিল। তেওঁ কৈছিল যে অহা দুবছৰৰ ভিতৰত গড়াখহনীয়াৰ পৰা ইয়াৰ ৰাইজক ৰক্ষা কৰিব। কিন্তু ১৯৫০ চনৰ পৰা আজি ২০১০ চন হ'ল আজিও কিন্তু পলাশবাৰীৰ কোনো গড়াখহনীয়া সমস্যাৰ সমাধান নহ'ল। আজি মন্ত্ৰী মহোদয়ে কৈছে যে ইঞ্জিনিয়াৰ দিব পৰা নাই। এই ক্ষেত্ৰত আমি চৰকাৰক বাৰম্বাৰ অনুৰোধ জনাইছো যে বাহিৰৰ পৰা ইঞ্জিনীয়াৰ আনি হ'লেও ইঞ্জিনীয়াৰ দিয়া ব্যৱস্থা কৰিব লাগে। যদি ইঞ্জিনীয়াৰৰ অভাৱত আজি ২৮০ কোটি টকা ঘুৰি যাবলগীয়া হয় ইয়াতকৈ আৰু দুখৰ কথা কি হ'ব পাৰে। গতিকে মন্ত্ৰী মহোদয়ে এই সম্পৰ্কে অতি শীঘ্ৰে বিহীত ব্যৱস্থা ল'ব লাগে।

***শ্ৰী পৃথিৱীমাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো অকল ইঞ্জিনিয়াৰৰ কাৰণে হোৱা নাই। ব্ৰহ্মপুত্ৰ নদীয়ে যি ক্ষতি কৰিছে ইয়াৰ কাৰণ হিচাপে ক'ব পাৰি যে আজি ব্ৰহ্মপুত্ৰ ওপৰলৈ উঠি আহিছে যাৰ বাবে এতিয়া ব্ৰহ্মপুত্ৰ বাম হৈছে। পলাশবাৰী, ডিব্ৰুগড়, ঢকুৱাখানা আদি অঞ্চলৰ গড়াখহনীয়াহৰ যি সমস্যা আছে এই সমস্যাবিলাকৰ সমাধানৰ বাবে আমি বলিষ্ঠ পদক্ষেপ ল'ব বিচাৰিছো। যেতিয়ালৈকে আমি নদী কন্ট্ৰল কৰিব নোৱাৰো, তেতিয়ালৈকে এই সমস্যাবিলাক থাকিবই। এতিয়া আপোনালোকে দেখা পাইছে যে আমি এতিয়া ইণ্টাৰনেচনেল এপ্ৰোভ টেক্নলজি প্ৰথমবাৰৰ বাবে অসমলৈ আনিছো। এচিয়ান ডেভেলপমেণ্ট বেংকে যিখিনি আঁচনি লৈছে সেইখিনি আঁচনি কেনেকৈ ইমপ্লিমেণ্ট কৰিব পৰা যায় তাৰ বাবে আমি তেওঁলোকৰ লগত আলোচনা কৰি বিহিত ব্যৱস্থা ল'ম।

***শ্ৰী কাৰ্ত্তিক সেনা সিন্‌হা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ভৰত নৰহ ডাঙৰীয়া যেতিয়া এই বিভাগৰ মন্ত্ৰী আছিল তেতিয়া তেওঁ প্ৰতিশ্ৰুতি দিছিল যে

যিবিলাক আঁচনি লোৱা হৈছে সেইবিলাক ইমপ্লিমেন্ট কৰা হ'ব। আজি যি চি আৰ এফৰ বিষয়ে আলোচনা কৰা হৈছে এই ক্ষেত্ৰত আমি জানিব পৰা মতে এন্টিইৰোচন মেজাৰৰ কাৰণে চি আৰ এফ নিদিয়ে। আজি আটাইতকৈ দুখৰ কথা হৈছে ইমপ্লিমেনেন্টচনৰ ক্ষেত্ৰ তপাৰফৰমেন্স একেবাৰে শুন্তৰ। আজি ইঞ্জিনিয়াৰ সকলে চাইডলৈ নাযায় আৰু ঠিকাদাৰ সকলে যি কাম কৰি আছে সেইবোৰ চোৱাৰ বাবে বিভাগৰ মানুহ নাই। গতিকে এই ক্ষেত্ৰ ত মন্ত্ৰী মহোদয়ে বিহিত ব্যৱস্থা লব লাগে। ইয়াৰোপৰি আমি দেখিছো যে কামবোৰ সৰু সৰু ঠিকাদাৰৰ মাজত ভাগ ভাগ কৰি দিয়া হৈছে। যাৰ ফলত কামবোৰ বেয়া হৈছে। ২০০৭-০৮ চনত চি আৰ এফত বহু টকা দিয়া হৈছিল। কিন্তু ইমপ্লিমেন্টেচনৰ ক্ষেত্ৰত পোৰ পাৰফৰমেন্স হোৱাৰ বাবে কামবোৰ বেয়া হৈছে। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বলিষ্ঠ পদক্ষেপ লোৱাৰ বাবে মই অনুৰোধ জনালো।

* **শ্ৰী পৃথিৱীমাৰি (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গৰাখহনীয়া আৰু মঠাউৰিৰ কথা কোৱা হৈছে। এই বিলাকৰ কাৰণে কেবাটাও ফান্দ আছে। বিভিন্ন ফান্দৰ পৰা পইচা আহে। যেনে চি আৰ এফ, এম এন আৰ ৰিভাৰ মেনেজমেন্ট স্কীম, এচি এফ, এচিয়ান ডেভেলপমেন্ট বেংক আদি ইয়াৰ পৰা আমি স্কীমৰ বাবে ফান্দ পাঁও। আমাৰ মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে চি আৰ এফৰ টকা পোৱাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লৈছে। তাৰ বাবে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। তেওঁলোকে কৈছে ঠিকাদাৰে কাম ভাল দৰে নকৰাৰ কথা। আপোনালোকে গম পাইছে চাগৈ মই এই বিভাগ লৈ অহাৰ পিচৰ পৰা চিচটেমটোৰ উন্নতি হৈছে । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা পেকেজৰ জৰিয়তে পেমেন্ট আৰু কাম খৰটকীয়া কৰিবলৈ কৈছে। কিছুমান ক্ষেত্ৰত কাম খৰটকীয়া ভাবে আৰম্ভ কৰি দিব লগা হয়। ফলত কেতিয়াবা চেংচনটো হৈ নুঠে। ফলত পেমেন্টৰ ক্ষেত্ৰত দিগদাৰ হয়। আমি চেষ্টা কৰি আছো পেমেন্ট সোনকালে দিয়াৰ বাবে। বঞ্চিত ঠিকাদাৰ কিছুমানে

পেমেন্ট নোপোৱাৰ কাৰণে হাইকোর্টত কেছ কৰিছে। হাইকোর্টে পেমেন্ট দিবলৈ কৈছে। আমি চেষ্টা কৰি আছো সোনকালে পেমেন্ট দিবৰ বাবে। আমি এই সমস্যাটো সমাধানৰ বাবে প্ৰস্তুতি চলাই আছো ।

মাননীয় অধ্যক্ষ ঃ ডাঃ ৰুমি নাথে কওঁক।

(সদনত বহুতো সদস্যই একেলগে ক'বলৈ উঠে।)

(অধ্যক্ষই বাকী সকলোকে বহিবলৈ কয়।)

*** ডাঃ ৰুমি নাথ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো তথ্য দিছে সেইটো সম্পূৰ্ণ তথ্য নহয়। বিভাগে সম্পূৰ্ণকৈ তথ্য দিয়া নাই। এইটো ঠিক হোৱা নাই। আমাৰ অসম ৰাজ্যখনত বহুতো নদী আছে। মোৰ বৰ খোলা সমষ্টিটো বৰাক নদী আছে, জাতিঙ্গা নদী আছে। কিন্তু ইয়াত এন্টি ইৰোচন মেজাৰৰ ক্ষেত্ৰত সঠিক পদক্ষেপ লোৱা হোৱা নাই। আমাৰ মাননীয় মুখ্যমন্ত্ৰী, তৰুন গগৈ ডাঙৰীয়াই ভাল কাম কৰিছে। মোৰ সমষ্টিৰ ৰানী নগৰ আদিত সঠিক পদক্ষেপ লোৱা নাই। তাৰ বাবে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। অহা বাৰ স্কীম লব নেকি? আমি স্কীম বিলাকত কোন বিলাক ঠিকাদাৰে কাম কৰিছে নাম নেজানো। মই নিজেই নেজানো ৰাইজেওঁ নেজানে। ৰাইজৰ স্বাৰ্থত টেকনিকেলি, পলিচী মেকিং আদি ঠিক হব লাগে। মই মন্ত্ৰী মহোদয়ৰ পৰা সঠিক তথ্য বিচাৰিছো।

*** শ্ৰী পৃথিৱী মাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা, ৰুমি নাথে যিটো বৰাকভেলীৰ ক্ষেত্ৰত সম্পূৰ্ণ তথ্য নোপোৱাৰ কথা কৈছে মোৰ ওচৰত সম্পূৰ্ণ তথ্য নাই কাৰণে দিব নোৱাৰিম। কিন্তু মই বিষয়টো চাম। মই চিন্তা কৰি আছো মই পাৰচনেলী বৰাক ভেলী যাম আৰু চাম। মই অহাৰ পিচত ইঞ্জিনিয়াৰ বিলাকক আগতে স্কীম দিবলৈ কৈছো।চেপ্তেম্বৰ /অক্টোবৰ মাহতে কাম আৰম্ভ হৈছে।

মাননীয় অধ্যক্ষ ঃ তেখেতে সম্পূৰ্ণ তথ্য নাই বুলি কৈছে। বৰাক ভেলী যাম বুলি কৈছে।

*** Speech not corrected**

*শ্রী ৰাজীব লোচন পেগু ঃ মাননীয় অধ্যক্ষ মহোদয়, গৰাখহনীয়া গোটেই (সদনত হুলস্থুল) সদনত মাননীয় সদস্য সকল মহিবুল হক, সুমিত্রা পাতিৰ, ৰাহুল ৰয়, ৰাজেদ আলী চৌধুৰী আৰু ঘন বুঢ়াগোহাঁই আটায়ে একেলগে ক'বলৈ উঠে। ফলত কাৰো কথা শুনা নাযায়।

(Mr. Speaker : Question hour is over.)

(Starred Question Nos. 330 to 340 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the Housewith replies thereto.)

বিষয় ঃ চৰকাৰী মাটি আৱন্টন।

শ্রী গুণীন্দ্র নাথ দাসে সুধিছে ঃ

***৩৩০। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ৰৰপেটা চহৰৰ বজাৰ এলেকাৰ ৪ কঠা ১৯ লেচা চৰকাৰী মাটি ২৫ বছৰ আগতে টেলিকম বিভাগক আৱন্টন দিয়া হৈছিল। কিন্তু উক্ত বিভাগ সুদীর্ঘ কাল ধৰি কার্য্যালয় স্থাপন নকৰাকৈয়ে এনেয়ে পেলাই থৈ দিয়াত এই বৃহৎ ভূমি খণ্ডৰ অপচয় কৰা বুলি উঠা অভিযোগ সম্পর্কে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, চহৰৰ অন্য প্রান্তত টেলিকম বিভাগক পূর্বৰ আৱন্টনৰ সমপৰিমাণৰ চৰকাৰী মাটি আৱন্টন দি উক্ত বজাৰ এলেকাৰ মাটি ডোখৰ বজাৰৰ আন্তঃ গাঠনিৰ বাবে অধিগ্রহণৰ ব্যৱস্থা গ্রহণ কৰিবনে?

(গ) ৰৰপেটা চহৰৰ মাজ মজিয়াত থকা পুৰণি হস্পিতালৰ চৌহদৰ উত্তৰ-পূৰ আৰু পশ্চিম দিশৰ ১০ ফুট মানকৈ মাটি পথ উন্নয়নৰবাবে ৰৰপেটা পৌৰ সভালৈ হস্তান্তৰ কৰাৰ ব্যৱস্থা ল'বনে?

* Speech not corrected

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ৰৰপেটা চহৰৰ পুৰনি ১০৮ (নতুন - ৩৫৮) নং দাগৰ অংশ ৫লেছা আৰু পুৰনি ২৫৫ (নতুন - ৩৫৯) নং দাগৰ ৪ কঠা ১৪লেছা মুঠ ৪ কঠা ১৯ লেছা মাটি ১৯৮৯ ইং চনত টেলিকম বিভাগৰ নামত আৱন্টন দিয়া হৈছিল। সুদীর্ঘ কাল টেলিকম বিভাগে কার্য্যালয় স্থাপন নকৰাকৈ আছে যদিও বিভাগে উক্ত স্থানত ১বছৰমান আগতে টাৱাৰ নির্মান কৰিবলৈ লোৱাত স্থানীয় ৰাইজে বাধা প্রদান কৰাত কাম বন্ধ ৰাখে।

(খ) উক্ত মাটিৰ বাহিৰে অন্য সাধাৰণ চৰকাৰী মাটি টাউনৰ আশে-পাশে উক্ত বিভাগৰ নামত আৱন্টন দিব লগা হ'লে বিভাগীয় কর্ত্তৃপক্ষৰ পৰা মাটি আবন্টনৰ বাবে আবেদনৰ প্রয়োজন হ'ব আৰু এই মর্মে পূর্ব্ব আৱন্টন নাকচ হ'লেহে বজাৰ এলেকাৰ আন্তঃগাঁথনিৰ কাম হাতত ল'ব পাৰিব।

(গ) ৰৰপেটা চহৰৰ মাজ মজিয়াত থকা পুৰনি হস্পিতালৰ চৌহদৰ উত্তৰপুব পশ্চিম দিশৰ ১০ ফু'ট মানকৈ মাটি পথ উন্নয়নৰ বাবে ৰৰপেটা পৌৰ সভালৈ হস্তান্তৰ কৰিব লগা হলে হস্পিতাল কর্ত্তৃপক্ষৰ অনুমতিৰ প্রয়োজন হ'ব ।

Sub : Allocation of Fund.

Sri Karendra Basumatary asked :

* **331.** Will the Minister of Border Areas Dev. be pleased to state :

(a) State about the fund released by the Centre & State for 2006-07 to 2009-10 for Border Areas of Udalguri District?

(b) Is there any criteria in Inter State Border area?

(c) Whether the Govt. has granted developmental fund for Mazbat; AC as it is Assam & Arunachal Pradesh Border constituency ?

Sri Gautam Roy (Minister of Border Areas) replied:

(a) Fund released by the centre for development of Border Areas in Udalguri District is as follows :

Udalguri Block

2006-07	-	Rs. 83.00 lakhs
2006-07	-	Rs. 923.14 lakhs (Under Cluster Approachof Water Supply).
2007-08	-	Rs. 76.95 lakhs
2008-09	-	Rs. 134.43 lakhs
2009-10	-	Rs. 154.76 lakhs

Bhergaon Block

2006-07	-	Rs. 36.00 lakhs
2007-08	-	Rs. 35.00 lakhs
2008-09	-	Rs. 80.43 lakhs
2009-10	-	Rs. 53.43 lakhs

Fund released by the State Govt.

Udalguri Block

2006-07	}	Nil
2007-08		
2008-09		
2009-10	-	Rs. 15.00 lakhs

Bheragaon Block

2006-07
2007-08 } Nil
2008-09

(b) There is no any criteria or specific guidelines for selection of schemes in the Inter state border Areas. The schemes are prioritized and approved by the Govt. which are considered from the security point of view and immediate developmental needs of the Border areas.

(c) Yes. An amount of Rs.15.00 lakhs was sanctioned under State Specific Fund for development of border areas under Mazbat LAC of Udalguri district for construction of road.

বিষয় ঃ চাংসাৰিত অগ্নি ক্ষেপনাস্ত্ৰ।

শ্ৰী উদ্ধৱ বৰ্মনে সুধিছে ঃ

*** ৩৩২ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কামৰূপ জিলাৰ চাংসাৰিস্থিত সৈন্যবাহিনীৰ কেম্পৰ সংলগ্ন অঞ্চলত অগ্নি ক্ষেপনাস্ত্ৰ স্থাপনৰ বাবে কিমান মাটি বিচৰা হৈছে?

(খ) এই মাটিৰ পৰিমাণ হ্ৰাস কৰি নতুবা নাচা পাহাৰৰ কাষৰ কৃষি ভূমি ৰক্ষা কৰাৰ বাবে ৰাজ্য চৰকাৰৰ কিবা প্ৰস্তাৱ আছেনে?

(গ) যদি আছে, কিমান সংখ্যক খেতিয়ক পৰিয়ালৰ কৃষি ভূমি ৰক্ষা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে?

(ঘ) যদি প্ৰেৰণ কৰা হোৱা নাই, কাৰণবোৰ কি কি?

*** ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দূৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) কামৰূপ জিলাৰ উপায়ুক্তই দিয়া তথ্য মতে কামৰূপ জিলাৰ চাংসাৰিস্থিত

সৈন্যবাহিনীৰ কেম্পৰ সংলগ্ন অঞ্চলত প্ৰতিৰক্ষা গৱেষণা উন্নয়ন সংস্থাৰ DRDO প্ৰকল্পৰ বাবে ২১২৮ বিঘা ০ কঠা ৯ লেচা মাটি বিচাৰিছে। তলত দেখুওৱা গাওঁ সমূহত বিচাৰিছো ঃ

প ট্টনৰ বাবে প্ৰস্তাৱিত মাটি –

ক্ৰমিক নং	গাওঁৰ নাম	মাটিৰ পৰিমাণ (বিঘা – কঠা – লেচা)
(১)	বলাই বিল	১৯-১-১১
(২)	ৰৰচন্দ্ৰা গাঁও	১১৫-১-১
(৩)	চাংসাৰি	৭৪-৩-১
(৪)	বামুনী গাওঁ	২৩-১-৩
(৫)	ৰৰচন্দ্ৰাগ্ৰান্ট	১২৯-১-১৪
	মুঠ	৩৬২-১-১৪

অধিগ্ৰহনৰ বাবে প্ৰস্তাৱিত মাটি –

ক্ৰমিক নং	গাওঁৰ নাম	মাটিৰ পৰিমাণ (বিঘা – কঠা – লেচা)
(১)	বলাই বিল	৩২-৩-০
(২)	ৰৰচন্দ্ৰা গাঁও	৫৪০-১-৮
(৩)	চাংসাৰি	২৩-২-৯
(৪)	বামুনী গাওঁ	১৫১-০-৬
(৫)	ৰৰচন্দ্ৰাগ্ৰান্ট	১৭২-০-০
(৬)	নতুবানা	২৪৮-২-১৮
(৭)	চাংসাৰি	৭১-০-১১
(৮)	বলাই বিল	৫২৬-৩-৩
	মুঠ	১৭৬৫-৩-১৫

৩৬২ বিঘা - ১ কঠা - ১৪লেচা

\+ ১৭৬৫ বিঘা - ৩ কঠা- ১৫ লেচা

সৰ্বমুঠ – ২১২৮ বিঘা – ০ কঠা – ৯ লেচা

(খ) প্রতিৰক্ষা গৱেষণা উন্নয়ন সংস্থাৰ (DRDO) লগত কৃষি ভূমিৰ কিছু পৰিমাণে ৰেহাই দিয়াৰ বাবে জিলা পর্য্যায়ত আলাপ আলোচনা চলি আছে।

(গ) প্রতিৰক্ষা গৱেষণা উন্নয়ন সংস্থাই (DRDO) তেখেত সকলৰ উৰ্দ্ধতম কর্ত্তৃপক্ষৰ লগত আলাপ আলোচনা চলাই আছে।

(ঘ) ভাৰত চৰকাৰৰ প্রতিৰক্ষা বিভাগৰ পৰিকল্পনা অনুযায়ী ওপৰত উল্লেখিত প্রকল্পৰ বাবে প্রয়োজন হোৱা মাটি প্রতিৰক্ষা গৱেষণা উন্নয়ণ (DRDO) সংস্থাই ৰাজ্য চৰকাৰৰ ওচৰত প্রস্তাৱ দাখিল কৰে। উক্ত প্রস্তাৱ মর্মে ৰাজ্য চৰকাৰে "ভূমি অধিগ্রহন আইন, ১৮৯৪" মতে মাটি অধিগ্রহনৰ কার্য্য ব্যৱস্থা হাতত লয়। বিধিমতে উপায়ুক্ত হিচাবে বিবেচিত হোৱা সকলো পৰিয়ালকে অধিগ্রহন কৰা মাটি, গছ-গছনি ও ঘৰৰ উচিত মূল্য প্রদান কৰাৰ ব্যৱস্থা কৰা হৈছে।

বিষয় ঃ ভূমি বিবাদ।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

*৩৩৩। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) আন্তঃ ৰাজ্যিক সীমা সম্পর্কত চলি থকা ভূমি বিবাদ সমূহৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত,তেনেহ'লে ৰাজ্য চৰকাৰে এই সম্পর্কত বর্ত্তমানলৈকে কি ব্যৱস্থা গ্রহণ কৰিছে?

(খ) ওচৰ-চুবুৰীয়া ৰাজ্যসমূহে অসমৰ মাটি বেদখল কৰি উক্ত অঞ্চল সমূহৰ উন্নয়নৰ ক্ষেত্রত বিভিন্ন পদক্ষেপ লোৱা বিষয়টোত চৰকাৰ অৱগতনে? যদি অৱগত, তেনেহ'লে এইবোৰ ৰোধ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(গ) পশ্চিম গুৱাহাটী সমষ্টিৰ বিভিন্ন সীমান্তৱর্ত্তী এলেকাৰ মাটি মেঘালয় ৰাজ্যই বেদখল কৰি উন্নয়নৰ ব্যৱস্থা গ্রহণ কৰাটো আৰু বিশেষকৈ মেঘালয় ৰাজ্যৰ

যি কোনো নির্বাচন উক্ত অঞ্চলৰ বাইজে ভোট দান কৰা বিষয়টোত চৰকাৰ অৱগত হয়নে? যদি অৱগত, তেনেহ'লে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) প্ৰশ্নকৰ্ত্তাৰ সমষ্টিৰ গাড়ীবিলকৰ পৰা মাটেইখাৰ হৈ বখেলা পাৰালৈ যোৱা পথটো PMGSY ত আৰম্ভ কৰিবলৈ লওঁতে মেঘালয় চৰকাৰে উক্ত কামটো বন্ধ কৰিবলৈ স্বয়ং নংপো জিলাৰ উপাযুক্ত উক্ত স্থানত উপস্থিত হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাত নে? এই ক্ষেত্ৰত পৰৱৰ্ত্তী সময়ত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিলে?

(ঙ) ২০০৯-১০ চনৰ বিত্তীয় বৰ্ষত পশ্চিম গুৱাহাটী সমষ্টিৰ সীমান্তৱৰ্ত্তী এলেকাৰ উন্নয়নৰ বাবে আৰ্থিক অনুদান দিয়াৰ প্ৰতিশ্ৰুতি অসম বিধান সভাত মাননীয় মন্ত্ৰী মহোদয়ে দিয়াটো সত্য নে? যদি প্ৰতিশ্ৰুতি দিছিল, তেনেহ'লে বৰ্তমান ই কি পৰ্য্যায়ত আছে।

শ্ৰী গৌতম ৰয় (সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়,অৱগত। চুবুৰীয়া ৰাজ্য কেইখনৰ লগত চলি থকা সীমা বিবাদ নিষ্পতিৰ কাৰণে অসম চৰকাৰে নিম্নলিখিত ব্যৱস্থা সমূহ গ্ৰহণ কৰিছে।

(১) চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ সীমা বিবাদ নিষ্পতিৰ বাবে মাননীয় উচ্চতম ন্যায়ালয়ত অৰুণাচলৰ বিৰুদ্ধে গোচৰ নং১/১৯৮৯ আৰু নগালেণ্ডৰ বিৰুদ্ধে গোচৰ নং ২/১৯৮৮ তৰা হৈছে। মাননীয় উচ্চতম ন্যায়ালয়ে ইতিমধ্যে এখন তিনিজনীয়া স্থানীয় আয়োগ গঠন কৰি দিছে। এই আয়োগে এতিয়া অসম, অৰুণাচল, অসম নগালেণ্ডৰ মাজৰ সীমা চিনাক্তকৰণ কৰিবৰ কাৰণে শুনানি গ্ৰহণ কৰি আছে।

(২) চুবুৰীয়া ৰাজ্যৰ সীমা বিবাদ নিষ্পতিৰ কাৰণে, বেদখল প্ৰতিৰোধ কৰাৰ বাবে অসম চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী অসমৰ মুখ্যসচিব,উপাযুক্ত আৰু DIG পৰ্য্যায়ত আলোচনা বিলোচনা চলাই আহিছে আৰু ভাৰত চৰকাৰকো

সময়ে সময়ে বেদখল প্রতিৰোধ কৰাৰ বাবে ব্যৱস্থা ল'বলৈ অনুৰোধ কৰি চুবুৰীয়া ৰাজ্যৰ অবৈধ আগ্রাসন প্রতিৰোধ কৰিবৰ বাবে হস্তক্ষেপ বিচাৰি অনুৰোধ জনাই অহা হৈছে।

(খ) হয়, অৱগত। এইক্ষেত্রত ওপৰত কোৱা ধৰণে ব্যৱস্থা লোৱাৰ উপৰিও বেদখল ৰোধ কৰিবৰ বাবে বাধা প্রদান কৰি থকা হৈছে।

(গ) হয়, অৱগত। অসমৰ মাটিত মেঘালয় চৰকাৰে উন্নয়ন আঁচনিৰ কাম কৰিবলৈ ওলালে উচ্ছেদ কৰা হৈছে। অসমৰ ৰাইজে মেঘালয়ত ভোটদান কৰা সম্পর্কে অৱগত নহয়।

(ঘ) হয়, অৱগত। এই সম্পর্কত মেঘালয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। বর্ত্তমানে অসম চৰকাৰে ৰাস্তাৰ কাম কৰি আছে।

(ঙ) হয়, সত্য। প্রতিশ্রুতি অনুসৰি ২০০৯-২০১০ বর্ষত "Improvement of Dimirigaon Bakhalapara Road, Mirza under West Guwahati LAC for Rs. 50.00Lacs" আঁচনিটো সংমোদন জনোৱা হৈছে।

বিষয় ঃ চুমনী বান্ধৰ আঁচনি।

শ্রী বলিন চেতিয়াই সুধিছে ঃ

***৩৩৪। মাননীয় জলসম্পদবিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ন-দিহিং নদীয়ে গতিপথ সলাই পদুমনি নলা হৈ সুঁতিটো সোমাই অহাৰ ফলত চুমনী বান্ধ অধিক বিপাদজনক হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) উক্ত চুমনী বান্ধৰ বাবে M&R ৰ যোগেদি ১ কোটি টকাৰ আঁচনিৰ অনুমোদন হোৱাটো চৰকাৰ অৱগতনে ?

(গ) যদি অৱগত, উক্ত ধনৰ কিমান টকাৰ কাম কৰা হ'ল, কিমান টকা বিভাগীয় ঠিকাদাৰক আদায় দিয়া হ'ল আৰু কিমান টকা বাকী থাকিল জনাবনে ?

(ঘ) বিভাগীয়ভাৱে পঞ্জীয়নভুক্ত কোন কেইজন ঠিকাদাৰক কিমান টকাকৈ দিয়া হ'ল তথ্য সহকাৰে জনাবনে?

শ্ৰী পৃথিৱী মাঝি (জলসম্পদ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) হয়, অৱগত।
পদুম নলাৰ গতিপথ সলনিৰ প্ৰতিৰোধৰ বাবে ১.৩১ কোটি টকা চৰকাৰে অনুমোদন জনাইছিল।

(গ) উক্ত আঁচনিখনৰ ১০০ শতাংশ কাম সম্পূৰ্ণ কৰা হয়? ২০০৯-১০ বিত্তীয বৰ্ষত ইয়াৰে ১কোটি টকা বিভাগীয় ঠিকাদাৰক কামৰ বিপৰীতে আদায় দিয়া হয়। বাকী ৩১ লাখ টকা ঠিকাদাৰক দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) যাৱতীয় ঠিকাদাৰ সকলৰ নাম আৰু পৰিশোধ কৰা টকাৰ পৰিমান পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হ'ল। (See Annexure - VI)

বিষয় ঃ চৰ অঞ্চলত মাটিৰ পট্টা।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

***৩৩৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ৰাজ্যখনৰ চৰ অঞ্চলত বৰ্ত্তমানলৈকে কিমানজন ব্যক্তিক মাটিৰ পট্টা প্ৰদান কৰা হ'ল? (সদনৰ মজিয়াত জিলা ভিত্তিত বিতং তথ্য দাখিল কৰিব।)

(খ) কি কি চৰকাৰী নীতি নিৰ্দেশনাৰ আধাৰত এই ভূমি পট্টা সমূহ প্ৰদান কৰা হ'ল?

(গ) ২০০৮-০৯ আৰু ২০০৯-১০ বৰ্ষত চৰকাৰে ইয়াৰ পৰা কিমান পৰিমাণৰ ভূমি ৰাজহ সংগ্ৰহ কৰিছে ?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৬৮৭৬ জন ব্যক্তি মাটিৰ পট্টা প্ৰদান কৰা হৈছে। জিলা ভিত্তিত বিতং তথ্য পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হ'ল। (See Annexure - VII)

(খ) ১৮৮৬ চনৰ অসম ভূমি ৰাজহ অধিনিয়ম আৰু ১৯৮৯ চনৰ ভূমি নীতিৰ আধাৰত মাটিৰ পট্টা প্ৰদান কৰা হৈছে।

(গ) ভূমি ৰাজহৰ পৰিমানৰ তালিকা পৰিশিষ্ট 'ক' ত উল্লেখ কৰা হৈছে। কামৰূপ (গ্ৰাম্য), গোৱালপাৰা আৰু নলবাৰী জিলাৰ বাহিৰে অন্যান্য জিলাৰ পৰা অধিক তথ্য বিচৰা হৈছে। (See Annexure - VII)

বিষয় ঃ আৱাস গৃহ আৱন্টন।

শ্ৰী আব্দুল আজিজে সুধিছে ঃ

*** ৩৩৬। মাননীয় গৃহ নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ২০০১ চনৰ পৰা ২০১০ চনৰ ফেব্ৰুৱাৰী মাহলৈ Housing Board য়ে গুৱাহাটী মহানগৰীত কোন কোন ব্যক্তি সকলৰ নামত আৱাস গৃহ আৱন্টন দিছে?

(আৱন্টিত ব্যক্তি সকলৰ নাম, ঠিকনা, ব্যৱসায় আদি উল্লেখ কৰি বৰ্ষভিত্তিত এখন তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) Housing Board ৰ আৱাস গৃহ আৱন্টনৰ ক্ষেত্ৰত কি নীতি অবলম্বন কৰা হয় তাৰ বিতং তথ্য দাখিল কৰিব?

(গ) আৱাস গৃহ পোৱা ব্যক্তি সকল গুৱাহাটী মহানগৰীৰ ভূমিহীন লোক হয়নে? সবিশেষ তথ্য দাখিল কৰিব?

(ঘ) আৱাস গৃহ পোৱা ব্যক্তি সকল গুৱাহাটী মহানগৰীৰ স্থায়ী বাসিন্দা হয়নে নহয়? বিতং ভাবে জনাব?

(ঙ) ২০০১ চনৰ পৰা ২০১০ চনৰ ফেব্রুৱাৰী মাহলৈ গুৱাহাটী মহানগৰীত বসবাস কৰা শিল্পী, সাহিত্যিক, সাংবাদিক আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ কিমানক আৱাস গৃহ আৱন্টন দিছে?

(চ) বৰ্ত্তমানে নতুনকৈ আৰু কিমান আৱাস গৃহ নিৰ্মাণৰ আঁচনি লৈছে?

(ছ) গুৱাহাটী মহানগৰীত মাটি ঘৰ থকা কিমান ব্যাক্তিৰ নামত এই আৱাস গৃহ আৱন্টন দিয়া হৈছে ?

(২০০১ চনৰ পৰা ২০১০ চনৰ ফেব্রুৱাৰী মাহলৈ প্ৰত্যেকৰ নাম, ঠিকনা, পদবী উল্লেখ কৰি তালিকা দাখিল কৰিব।)

(জ) গুৱাহাটী মহানগৰীৰ কিমান ভূমিহীন শ্ৰমিক শ্ৰেণীৰ লোক সকলক এতিয়ালৈকে এই আৱাস গৃহ আৱন্টন দিয়া হৈছে?

শ্ৰী দীনেশ প্ৰসাদ গোৱালা (গৃহ নিৰ্মাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ ৰ পৰা ২০১০ চনৰ ফেব্রুৱাৰী মাহলৈ গুৱাহাটী মহানগৰীত থকা পুৰনা আৱাসিক আঁচনিৰ উপৰিও নতুন আঁচনিৰ অন্তৰ্গত ভেটাপাৰা, ৰৰসজাই, কালিমন্দিৰ আৰু ঘোঁৰামাৰা এলেকাত বিভিন্ন ব্যক্তিৰ নামত আৱাস গৃহৰ আৱন্টন দিয়া হৈছে। উল্লেখিত সময়ৰ ভিতৰত আৱন্টন পোৱা ব্যক্তি সকলৰ নাম, ঠিকনা, বৃত্তি আদি সন্নিবিষ্ট কৰি বৰ্ষ অনুসৰি তালিকা সদনত দিয়া হ'ল। (পৰিশিষ্ট - ১)

(খ) পৰিষদৰ গৃহ সমূহ আৱন্টনৰ ক্ষেত্ৰত পৰিষদৰ Board's Rules1976, Chapter - XII ৰ নীতি নিয়ম আৰু পৰিষদৰ সভাৰ সিদ্ধান্ত অৱলম্বন কৰি আৱন্টন দিয়া হয়।

(গ) আৱাস গৃহ আৱন্টন পোৱা ব্যক্তিসকল গুৱাহাটী মহানগৰীৰ ভূমিহীন লোক, যিহেতু প্ৰ-পত্ৰত মাটি, ঘৰ নথকা বুলি উল্লেখ কৰে? গুৱাহাটীত মাটি, ঘৰ থকালোকক গৃহ আৱন্টন দিয়া নহয়। এই সন্দৰ্ভত যোৱা ইং ১৮-০৭-০৭

তাৰিখে পৰিষদৰ সভাত এটি প্ৰস্তাৱ গৃহীত হয়। প্ৰতিলিপি সদনত দিয়া হল। (পৰিশিষ্ট - ২)

(ঘ) গুৱাহাটী মহানগৰীত মাটি, ঘৰ নথকা ব্যক্তিকহে আৱাস গৃহ আৱন্টন দিয়া হয়। আৱাস গৃহ আৱন্টন পোৱা ব্যক্তি সকলে গুৱাহাটীৰ স্থায়ী বাসিন্দা নহয় বুলি প্ৰ-পত্ৰত উল্লেখ কৰে।

(ঙ) ২০০১ ৰ পৰা ২০১০ চনৰ ফেব্ৰুৱাৰীলৈ গুৱাহাটী মহানগৰীতবসবাস কৰা শিল্পী, সাহিত্যিক, সাংবাদিক আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক মুঠ ৪০ জনক গৃহৰ আৱন্টন দিয়া হয়।

(তালিকা সদনত দিয়া হল।) পৰিশিষ্ট - ৩

(চ) অসম চৰকাৰৰ বাৰ্ষিক পৰিকল্পনা শিতানত মঞ্জুৰীকৃত ধনেৰে মালিগাঁৱত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে ৩২ টা গৃহৰ নিৰ্মাণ কাৰ্য্য সদ্যহতে সম্পূৰ্ণ হৈ উঠিছে আৰু নতুনকৈ ১৫ টা আৱাস গৃহ নিৰ্মানৰ যো- জা চলাই থকা হৈছে।

(ছ) গুৱাহাটী মহানগৰীত মাটি, ঘৰ থকা ব্যক্তিৰ নামত আৱাস গৃহ আৱন্টন দিয়া হোৱা নাই। তালিকা প্ৰযোজ্য নহয়।

(জ) গুৱাহাটী মহানগৰীত মুঠ ৩২ জন ভূমিহীন শ্ৰমিক শ্ৰেণীৰ লোকক খাৰঘূলী পাহাৰৰ এছ চি আৰু এছ আই এইচ আঁৱাসিক আঁচনিত আৱাস গৃহৰ আৱন্টন দিয়া হৈছে।

বিষয় - সত্ৰৰ মাটি সংৰক্ষণ।

শ্ৰী সুশীল দত্তই সুধিছে ঃ

*** ৩৩৭ । মাননীয় ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) সমগ্ৰ অসমত কিমানখন সত্ৰ আছে নাম, ঠিকনাসহ উল্লেখ কৰিব নে?

(খ) প্রতিটো সত্রৰ মাটিকালিৰ পৰিমাণ কিমান আছে নামৰ বিপৰীতে উল্লেখ কৰিব নে?

(গ) সত্র বিলাকৰ মাটি বিলাক সুৰক্ষিত আছে নে বেদখল হৈছে জনাব নে?

(ঘ) যদি বেদখল হৈছে বেদখল মুক্ত কৰাৰ বাবে চৰকাৰে বিহীত বিহীত ব্যৱস্থা ল'বনে ?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে সুধিছে ঃ

(ক) ২৩ খন জিলাৰ উপায়ুক্ত সকলৰ পৰা পোৱা তথ্য মতে ৩৪২ খন সত্রৰ নামৰ বিপৰীতে ঠিকনা আৰু মাটিৰ পৰিমাণ পৰিশিষ্ট 'ক' ত উল্লেখ কৰা হ'ল। (See Annexure - VIII)

(খ) (ক) প্রশ্নৰ উত্তৰত দেখুওৱা পৰিশিষ্ট 'ক' মতে উল্লেখ কৰা হৈছে । (See Annexure - VIII)

(গ) ২৩ খন জিলাৰ উপায়ুক্ত সকলৰ পৰা পোৱা তথ্য মতে ৩ খন জিলাৰ ৪ খন সত্রৰ মাটি বেদখলত আছে।

(ঘ-১) জিলাৰ উপায়ুক্ত সকলক অসম ভূমি আৰু ৰাজহ আইনৰ ১৮ ধাৰা মতে বেদখলীকৃত ভূমি বেদখল মুক্ত কৰিবলৈ নির্দ্দেশ দিয়া আছে । মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চিভিল ৰুল ১৯৪৯/৯১ গোচৰত ২৭-০৩-১৯৯৭ তাৰিখে দিয়া হুকুম আৰু নির্দ্দেশৰ আধাৰতো উপায়ুক্ত সকলক সত্রসমূহৰ মাটি বেদখল মুক্ত কৰি ৰাখিবলৈ নির্দেশ দিয়া আছে।

(২) অসম ৰাজ্যিক ধর্মানুষ্ঠান আৰু ৰাজহুৱা দাতব্য অনুষ্ঠান আইন, ১৯৫৯ ৰ গণ্ডীৰ ভিতৰত সত্রৰ মাটি সংৰক্ষণ আৰু সংবর্ধনৰ বিশেষ ব্যৱস্থাৱলী আছে। সেইমতেও উপযুক্ত ব্যৱস্থা ল'বলৈ উপায়ুক্ত সকলক নির্দেশ দিয়া আছে।

বিষয় ঃ Task Force ৰ ধন।

শ্ৰী অনন্ত ডেকাই সুধিছে ঃ

*** ৩৩৮। মাননীয় জলসম্পদ বিভাগৰ মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) নোনা নদীৰ পূৱ পাৰৰ মথাউৰি Task Force ৰ অধীনত প্ৰায় ৩ বছৰ পূৰ্বে নিৰ্মান কৰাৰ পিচতো কাম আধৰুৱা হৈ থকাৰ কাৰণ কি?

(খ) উক্ত আঁচনিৰ বাবে এতিয়ালৈ এটকাও ধন মুকলি কৰি নিদিয়াটো সত্য নে? যদি সত্য হয়, কেতিয়া মুকলি কৰি দিব?

(গ) পুঠিমাৰী নদীৰ বগৰীবাৰী, খাটাপাৰা, বৰবিলা, তিতকুৰি, ভেছবাৰী আদিত হোৱা গড়াখহনীয়া ৰোধ কৰাৰ কাৰণে কি ব্যৱস্থা গ্ৰহন কৰিছে?

(ঘ) বৰলীয়া নদীৰ হাছানটু কৰ গড়াখহনীয়া ৰোধ কৰাৰ কাৰণে ৰাজ্যচৰকাৰে কি ব্যৱস্থা গ্ৰহন কৰিছে?

(ঙ) গুৱাহাটী পশ্চিম ডিভিজনত ২০০৮-০৯, ২০০৯-১০ বিত্তীয় বৰ্ষত M&R আৰু Flood Drill শিতানত মোকলাই দিয়া ধন প্ৰকৃততে কেনে ধৰনৰ কামত ব্যৱহাৰ কৰা হৈছে? ভুৱা বিল দি টকা সৰকাই লোৱাৰ অভিযোগ তদন্ত হ'ব নে?

শ্ৰী পৃথিৱী মাঝি (জলসম্পদ বিভাগৰ) য়ে উত্তৰ দিছে ঃ

(ক) নোনা নদীৰ পূৱ পাৰৰ মথাউৰিৰ নিৰ্মাণকাৰ্য্য প্ৰায় ৮০ শতাংশ সম্পুৰ্ণ হৈছে। বাকী থকা কামখিনিও বাৰিষাৰ আগে আগে সম্পূৰ্ণ কৰা হ'ব। নোনা নদীৰপূৱ পাৰৰ মথাউৰিৰ কিছুমান অংশত ঘন বসতি থকা হেতুকে নিৰ্মাণ কাৰ্য্যত বাধাপ্ৰাপ্ত হৈছিল।

(খ) ইতিমধ্যে কামৰ বিপৰীতে ধন মোকলাই দিয়া হৈছে।

(গ) পুঠিমাৰী নদীৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে খাটাপাৰা, বৰবিলা, তিতাকুৰি, ভেহবাৰী অঞ্চলত তিনিখন আঁচনি লোৱাৰ ব্যৱস্থা লোৱা হৈছে ।

(অঞ্চলৰ বিপৰীতে আঁচনি সমূহৰ নাম পৰিশিষ্ট - 'ক' ত উল্লেখ কৰা হ'ল।)
(See Annexure - IX)

বগৰীবাৰী গাঁৱত পুঠিমাৰী নদীত সামান্য গৰাখহনীয়া পৰিলক্ষিত হৈছে আৰু বিভাগীয় পর্য্যবেক্ষনত আছে।

(ঘ) হাছানটুকৰ গড়াখহনীয়া প্রতিৰোধৰ বাবে "Immediate Measures to Protect Hasantuk village from the erosion of river Baralia for 2007-08 (Boulder protection work including R.C.C. Percupine at Hasantuk erosion site R/B) Estimated cost Rs. 24.10 (L) নামৰ এখন আঁচনি প্রস্তুত কৰি জিলা উপায়ুক্তৰ কার্য্যালয়ত যাৱতীয় ব্যৱস্থা গ্রহনৰ বাবে প্রেৰন কৰা হৈছে। ৰাজহ বিভাগৰ অনুমোদন পালে আঁচনিখন কার্য্যকৰী কৰিব পৰা হ'ব।

(ঙ) গুৱাহাটী পশ্চিম ডিভিজনৰ ২০০৮-০৯, ২০০৯-১০ বিত্তীয় বর্ষত M&R আৰু Flood Drill শিতানত মোকলাই দিয়া ধনেৰে সেই বর্ষত বানপানী আৰু গৰাখহনীয়া ৰোধৰ কামত যেনে R.C.C. Percupine, A Type Spur, ডাল, বাঁহৰ জোপোহা, গছৰ ডাল ইত্যাদি খহনীয়াগ্রস্থ অঞ্চলত পেলোৱা হৈছে। কিছুমান ঠাইত মাটি ভৰোৱা চিমেন্টৰ বস্তা পানী বাগৰিব নোৱাৰাকৈ পাৰি দিয়া হৈছে। মথাউৰিৰ খহনীয়া ৰোধৰ বাবে বাঁহৰ বেৰ, ঢাৰি আদি সাজি খহনীয়া ৰোধ কৰা হৈছে। গুৱাহাটী পশ্চিম জলসম্পদ সংমণ্ডলৰ অধীনৰ কোনো আঁচনিতে এতিয়ালৈ ভুৱা বিল দি টকা সৰকায় লোৱাৰ অভিযোগ উঠা নাই। গতিকে এই সর্ন্দভত তদন্ত হোৱাৰ প্রশ্নই নুঠে।

বিষয় ঃ পানী যোগান আঁচনি।

শ্রী লিয়াকত আলী খানে সুধিছে ঃ

*** ৩৩৯ । মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ২০০৬ চনৰ পৰা বর্ত্তমানলৈ অসমত কিমানখন বিশুদ্ধ খোৱা পানী যোগান

আঁচনি লোৱা হৈছে আৰু বৰপেটা জিলাৰ কোন কোন সমষ্টিত কিমানখন লোৱা হৈছে? (বিতং তথ্য সদনৰ মজিয়াত দিব।)

(খ) ২০০৬ চনৰ পৰা বৰ্ত্তমানলৈ অসমত কিমানটা টাৰা পাম্প আৰু নলী নাদৰ যোগান ধৰা হৈছে ? (জিলা ভিত্তিত আৰু চেঙা স ম ি ষ্ট ত কিমানখনকৈ, বিতং তথ্য দিব)

(গ) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অৰ্ন্তগত গোমাফুলবাৰী মাদ্রাছা, বৈৰাগোৰি বজাৰ, চিকাৰ ভিঠা বজাৰ আৰু বাগুদী বজাৰত পর্যায়ক্রমে বিশুদ্ধ খোৱা পানী যোগান আঁচনি লোৱা হ'ব নে ?

শ্রী বিহন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬ চনৰ পৰা বৰ্ত্তমানলৈকে অসমত মুঠ ২৩২২ খন খোৱা পানী যোগান আঁচনি লোৱা হৈছে আৰু বৰপেটা জিলাৰ সমষ্টি সমূহত খোৱা পানী যোগানৰ আঁচনি তলত দিয়া ধৰণে লোৱা হৈছে।

ক্রমিক নং	সমষ্টিৰ নাম	আঁচনিৰ সংখ্যা
১)	সৰভোগ	৬ খন
২)	পাটাছাৰকুছি	৫ খন
৩)	সৰুক্ষেত্রী	৫ খন
৪)	ভৱানীপুৰ	৮ খন
৫)	চেঙা	৪ খন
৬)	জনিয়া	২ খন
৭)	বৰপেটা	৩ খন
	মুঠ	**- ৩৩ খন**

(বিতং তথ্য পৰিশিষ্ট - ' ক ' ত সংলগ্ন কৰা হ'ল) ।
(See Annexure - X)

(খ) ২০০৬ চনৰ পৰা বৰ্ত্তমানলৈ অসমত ২১, ৩৯১ টা তাৰা পাম্প আৰু

৮৬০৯ টা নলী নাদৰ যোগান ধৰা হৈছে। জিলা ভিত্তিত বিতং তথ্য পৰিশিষ্ট - 'খ' ত সংলগ্ন কৰা হৈছে।) আৰু চেঙা সমষ্টিত ৪৩৯ টা তাৰা পাম্প আৰু ৪০ (চল্লিশ) টা নলীনাদ বহুওৱা হৈছে ।)

(See Annexure - XI)

(গ) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত গোমাফুলবাৰী মাদ্ৰাছা, বৈৰাগুৰি বজাৰ, চিকাৰ - ভিটা বজাৰ আৰু বাগুদী বজাৰত বিশুদ্ধ খোৱা পানী যোগানৰ বাবে ইতিমধ্যে নলী নাদ বহুওৱা হৈছে।

বিষয় ঃ চাহ বাগিচাৰ মাটি বেদখল।

শ্ৰী ৰঞ্জিত দত্তই সুধিছে ঃ

*** ৩৪০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত কিমানখন চাহ বাগিচাই চৰকাৰী মাটি বেদখল কৰি আছে ? (চাহ বাগিচাৰ নাম জিলা ভিত্তিত দিব।)

(খ) বেদখল কৰি থকা মাটি সমূহৰ পৰা চৰকাৰে কিবা ৰাজহ সংগ্ৰহৰ ব্যৱস্থা কৰিছে নেকি ?

(গ) বেদখল কৰি থকা মাটি সমূহ উচ্ছেদ কৰি বেদখল মুক্ত কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি ?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২৪ খন জিলাৰ পৰা পোৱা তথ্য মতে ২০০ খন চাহ বাগিছাই চৰকাৰী মাটি বেদখল কৰি আছে। চাহ বাগিচাৰ নাম জিলা ভিত্তিত পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হ'ল । (See Annexure - XII)

(খ) চাহ বাগানে চৰকাৰী মাটি বেদখল কৰিলে প্ৰতি বিঘা বেদখলীকৃত মাটিৰ

বিপৰীতে ২০০ টকাকৈ বছৰি জৰিমনা আদায় ল'বলৈ উপায়ুক্ত সকলক নির্দেশ দিয়া হৈছে।

(গ) যিসমূহ চাহ বাগিচা ২০ বছৰৰ অধিক কাল চৰকাৰী মাটি বেদখল কৰি চাহ খেতি কৰি আছে তেনে বাগিচাসমূহৰ দখলীকৃত জমী আবেদনৰ ভিত্তিত প্রিমিয়াম আদায় ক্রমে পট্টন দিয়াৰ ব্যৱস্থা আছে। বাকী ক্ষেত্রত অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬ ৰ বন্দবস্তি নিয়মাৱলীৰ ১৮ (২) বিধি মতে উপায়ুক্ত সকলে উচ্চেদৰ ব্যৱস্থা কৰিব পাৰে।

UNSTARRED

QUESTIONS AND ANSWERS

বিষয় ঃ পুনঃ সংস্থাপনৰ ব্যৱস্থা।

শ্রী আব্দুল হাই নাগবিয়ে সুধিছে ঃ

*** ৭২১ । মাননীয় ৰাজহ, সাহায্য, দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ১৯৯৩ চনৰ অক্টোবৰ মাহত বর্তমানৰ বি. টি. চি. এলেকাত গোষ্ঠী সংঘর্ষত ক্ষতিগ্রস্ত হোৱা লোক সকল বঙাইগাওঁ জিলাৰ চাৰিটাবেচৰকাৰী শিৰিৰত বসবাস কৰি থকাটো চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেন্তে এই লোক সকলক চৰকাৰী ভাবে পুনঃ সংস্থাপনৰ বাবে সিদ্ধান্ত আছেনে?

(গ) যদি আছে, তেন্তে অতি সোনকালে পুনঃ সংস্থাপনৰ কামখিনি কার্যকৰী কৰিবনে?

(ঘ) যদি কৰে, তেন্তে কেতিয়া কৰিব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগ , সাহায্য আৰু পুনৰ সংস্থাপন শাখা) ৰ মন্ত্রীয়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত।

(খ) আছে।

(গ) চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থালৈ আছে । অতি সোনকালে কৰা হ'ব।

আৰু (ঘ)

বিষয় ঃ দলং আৰু পথৰ ক্ষতি সাধন।

শ্রী মোবাৰক আলী পাঠানে সুধিছে ঃ

৭২২ । মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০২ চনৰ পৰা ২০১০ চনৰ জানুৱাৰীলৈ নগাওঁ আৰু মৰিগাওঁ জিলাত গড়কাপ্তানি পথ সংমণ্ডলৰ অধীনত বানে ধ্বংস কৰা দলং আৰু পথৰ ক্ষতি কৰা অংশ মেৰামতিৰ বাবে FDR ত পুঁজি মঞ্জুৰী বিচাৰি দাখিল কৰা আঁচনিৰ নাম, প্রাক্‌লনত ধার্য্য কৰা ধনৰ পৰিমাণ আৰু CRF শিতানত মঞ্জুৰী দিয়া ধনৰ পৰিমাণ সদনৰ মেজত দাখিল কৰিবনে? (বর্ষ অনুযায়ী পৃথকে পৃথকে দিব।)

(খ) উক্ত বর্ষ কেইটাত FDR ত পুঁজি মঞ্জুৰী দিয়া আঁচনিৰ অগ্রগতিৰ খতিয়ান দাখিল কৰিবনে?

(গ) ৮৩ নং ধিং বিধান সভা সমষ্টিত FDR ত অনুমোদন পোৱা গড়কাপ্তানি বিভাগৰ আঁচনিবোৰ কি কি?

ডাঃ ভূমিধৰ বৰ্মণ (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০২ চনৰ পৰা ২০১০ চনৰ জানুৱাৰীলৈ নগাওঁ আৰু মৰিগাওঁ জিলাৰ অন্তর্গত নগাওঁ গড়কাপ্তানি ৰাজ্যিক পথ সংমণ্ডল, নগাওঁ গড়কাপ্তানি গ্রাম্য

পথ সংমণ্ডল, কলিয়াবৰ গড়কাপ্তানি গ্রাম্য পথ সংমণ্ডল, মৰিগাওঁ গড়কাপ্তানি গ্রাম্য পথ সংমণ্ডল আৰু মৰিগাওঁ গড়কাপ্তানি ৰাজ্যিক পথ সংমণ্ডলৰ বিপৰীতে বানে ধবংস কৰা দলং আৰু পথৰ ক্ষয়ক্ষতি কৰা অংশ মেৰামতিৰ বাবদ দুৰ্যোগ সাহায্য পুঁজিৰ পৰা সৰ্বমুঠ প্রায় ৪১কোটি ৭১ লাখ, ৯৪ হাজাৰ ৮২৯ টকা মঞ্জুৰি দিয়া হৈছে।

উক্ত সময়ছোৱাত জিলা দুখনৰ বানপানীয়ে ক্ষয়-ক্ষতি কৰা FDR দলং আৰু পথৰ মেৰামতিৰ বাবে সংশ্লিষ্ট সংমণ্ডল কেইটাৰ বিপৰীতে শিতানত পুঁজি মঞ্জুৰি বিচাৰি দাখিল কৰা আঁচনিৰ নাম, প্রাক্কলনত ধার্য্য কৰা ধনৰ পৰিমাণ, দুৰ্যোগ সাহায্য পুঁজিৰ পৰা মঞ্জুৰি দিয়া ধনৰ পৰিমাণ আৰু ৰূপায়ন কৰা আঁচনিৰ অগ্রগতিৰ খতিয়ান সম্বলিত বৰ্ষভিত্তিত বিতং তথ্য পৰিশিষ্ট 'ক' সদনৰ মেজত দাখিল কৰা হ'ল।

(See Annexure - XIII)

(খ) পৰিশিষ্ট 'ক' ত উল্লেখ কৰা হৈছে। (See Annexure - XIII)

(গ) দুৰ্যোগ সাহায্য পুঁজিৰ ধন সমষ্টি ভিত্তিত মঞ্জুৰি দিয়া নহয়। নগাওঁ আৰু মৰিগাওঁ জিলাৰ উপায়ুক্তই জনোৱা তথ্যমতে ধিং বিধান সভা সমষ্টিত নগাওঁ গড়কাপ্তানি গ্রাম্য পথ সংমণ্ডল আৰু মৰিগাওঁ গড়কাপ্তানি ৰাজ্যিক পথ সংমণ্ডলৰ বিপৰীতে দুৰ্যোগ সাহায্য পুঁজিৰ পৰা মেৰামতি শিতানত এতিয়ালৈ মঞ্জুৰি দিয়া ধনৰ পৰিমাণ প্রায় ২কৌটি, ২১ লাখ, ৬৮ হাজাৰ ২০০ টকা। মঞ্জুৰি দিয়া আঁচনিবোৰৰ নাম পৰিশিষ্ট 'খ' ত সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure - XIV)

Sub : Water Supply Scheme.

Shri Sanjay Raj Subba asked :

723. Will the Minister of P.H.E. be pleased to state :

(a) Whether the Govt.had made any Water Supply Schemes for Now boicha L.A.C.?

(b) If so, how many Water Supply Schemes are there at Nowboicha L.A.C.?

(c) If not, when the said schemes will be started to facilitate water to poor inhabitants who had been facing immense difficculties? (Give in details)

Shri Rihon Daimari (Minister P.H.E. Department) replied :

(a) Yes.

(b) There are 21nos. of completed Piped Water Supply Schemes and 11 Nos. of ongoing Piped Water Supply in Nowboicha L.A.C. In addition, 2169 nos. of Spot Sources already installed and installation works for 272 nos. of Spot Sources is under progress. Moreover, 5 nos. of Piped Water Supply Schemes technically cleared during 2009-10 under Nowboicha L.A.C

(c) Does not arise, Completed schemes and Spot Sources are facilitating drinking water to inhabitants and ongoing schemes and Spot sources are expected to be completed soon subjected to availibility of fund under the programmes.

Sub : Work based on MOHA Notification, 2009.

Dr. Alka Sarma asked:

724. Will the Minister of Implementation of Assam Accord be pleased to state :

(a) Whether Registrar General of Citizens Registration has notified the work of enumeration based on Gazette Notification, 2009?

(b) Whether Govt. has sought any clarification from Govt. of India, regarding cases, whether no documents Viz. "NRC,1951 & Electoral rolls prior to 1971" are available? (Which from the basis for preparation of NRC, as per the Gazette Notification, 2009). If so, kindly place the copy of all such communication, including the reply, if any?

(c) If no such clarification is sought, whether Govt. feels any need to do so?

Dr. Bhumidhar Barman (Minister of Implementation of Assam Accord Department) replied :

(a) No,not yet.

(b) No clarification has been sought. This is in view of the fact that in the modalities submitted to Government of India it has been proposed that in cases qhere NRC 1951 or voter list upto 1971 are only partially available or not available at all, then in such cases other a uthernticated reports shall be relied upon. clause (L) of the Modalities is quoted below:

"1) In some of the District records upto 1971 are partially available. This might be a hurdle in determination of eligibility of the persons for entry into the updated NRC. In such cases other authenticated records shall be relied upon. With regard to the documents which shall be considered conclusive proof for determination of citizenship shall have to be finalized by Government of India." Regarding documents which shall be considered as conclusive proof for determination of Citizenship the same shall have to be finalized by Government of India, which has not yet been done.

(c) It is expected that the Manual of Instructions to be issued by the Registrar General, Citizens Registration, shall contain such instructions. Besides, the Amendment to the Citizenship (Registration of Citizen and Electoral) Rule 2003 in 2009 Rule 4 A, (2) provides that "The Central Government shall, for the purpose, of the National Register of Indian Citizens in the State of Assam, cause to carry out throughout the State of Assam for preparation of the Naional Register of Indian Citizens in the State of Assam by inviting applications from all the residents, for collection of specified particulars relating to each family and individual, residing in a local area in the State

including the Citizenship status based on the National Register of Citizens 1951 and the electoral rolls prior to the year 1971". (Copy of the Citizenship (Registration and issue of National Identity Cards) Rules, 2003 amendment 2009 at Annexure - A. (See Annexure - XV). This clearly shows that besides the Residential Status other particulars are also required.

বিষয় ঃ কাঁটা তাঁৰৰ বেৰ।

শ্ৰী অভিজিত হাজৰিকাই সুধিছে ঃ

৭২৫ । মাননীয় অসম চুক্তি ৰূপায়ণৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত বৰ্ত্তমান চৰকাৰ কিমান দূৰ সফল হৈছে?

খ) ২০০৬ চনৰ পৰা কিমানজন বাংলাদেশী, বিদেশী বহিষ্কাৰ কৰাত চৰকাৰ সামৰ্থ হৈছে?

গ) অসম আৰু বাংলাদেশৰ মাজত কাটা তাঁৰৰ বেৰ নিৰ্মানৰ কাম কেতিয়াকৈ সম্পূৰ্ণ হ'ব?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চুক্তিৰ অন্তৰ্গত ১৩ আৰু ১৪ নং দফা দুটাৰ ৰূপায়ণৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী থকা ৫ ৰ পৰা ১২ নং দফালৈ মুঠ আঠটা দফাৰ ৰূপায়ণৰ কাম সন্তোষ জনক ভাবে আগবাঢ়ি আছে ।

(খ) ২০০৬ চনৰ পৰা এতিয়ালৈকে ৬৬৭ জন বিদেশীক চিনাক্ত কৰি বহিষ্কাৰ কৰা হৈছে। ইয়াৰে ভিতৰত ৫৮৪ জন পুনঃ প্ৰৱেশকাৰী।

(গ) অসম আৰু বাংলাদেশৰ মাজত কাঁটা তাঁৰৰ বেৰৰ নিৰ্মাণ কাৰ্য্যৰ অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি যুগুতোৱা শেহতীয়া তথ্য মতে চলিত বছৰৰ ডিচেম্বৰৰ মাহৰ ভিতৰত নিৰ্মাণ কাৰ্য্য শেষ কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

বিষয় ঃ দলিল যোগান।

শ্রী বৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

৭২৬ । মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) তেজপুৰত পাঁচ/দহ টকীয়া দলিলৰ নাটনিত ৰাইজৰ হাঁহাকাৰৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) বিগত ২৩ ডিচেম্বৰত তেজপুৰ কোষাগাৰলৈ চৰকাৰে মাত্র ১০ হাজাৰখন দহ টকীয়া দলিল আৰু ইয়াৰে ধেমাজী, লক্ষীমপুৰ আৰু বিশ্বনাথ উপ-কোষাগাৰলৈ দুইৰ পৰা আঢ়ৈ হাজাৰখনহে দলিল যোগান ধৰাটো সত্য নে? ইয়াৰ ফলত ৰাইজে অধিক দামত কিনিব লগা হৈছে এই বিষয়ে চৰকাৰ অবগতনে?

(গ) পাঁচ টকীয়া দলিল তেজপুৰ কোষাগাৰক কিমানদিন যোগান ধৰা নাই?

(ঘ) দলিল ক'ত চপোৱা হয়? কিয় নাটনি হৈছে? চৰকাৰে ৰাজহ বৃদ্ধিৰ বাবে কম মূল্যৰ দলিল, ষ্টাম্পৰ নাটনি কৰিছে নেকি?

(ঙ) দলিল, ষ্টাম্পৰ অভাৱত আইনী ব্যৱস্থা বাধাগ্রস্থ হোৱা বুলি চৰকাৰে নাভাবেনে? পর্য্যাপ্ত পৰিমানে পাঁচ টকীয়া, দহ টকীয়া দলিল, ষ্টাম্প তেজপুৰ কোষাগাৰলৈ কেতিয়াৰ পৰা যোগান ধৰিব?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) হয় সত্য। ৰাইজে অধিক দামত কিনিব লগা হোৱা কথাটো অবগত নহয়।

(গ) যোৱা ইং ১৪/০৩/২০০৮ তাৰিখে তেজপুৰ কোষাগাৰলৈ ৩,০০,০০০.০০ (তিনি লাখ) খন ৫ টকীয়া দলিল যোগান ধৰা হৈছিল।

(ঘ) দলিল সমূহ হাইদৰাবাদস্থিত চিকিউৰিটি প্রিন্টিং প্রেছত চপোৱা হয়। সময়মতে উক্ত প্রেছৰ পৰা অনাত পলম হোৱা বাবে নাটনি হৈছে। চৰকাৰে ৰাজহ

বৃদ্ধিৰ বাবে দলিলৰ নাটনিৰ সৃষ্টি কৰাৰ প্ৰশ্নই নুঠে।

(ঙ) বাধাগ্ৰস্থ হোৱা নাই। অহা এপ্ৰিল মাহৰ মাজভাগৰ পৰাই দলিল সমূহ কোষাগাৰ সমূহত যোগান ধৰাৰ বাবে প্ৰচেষ্টা চলোৱা হ'ব।

বিষয় ঃ অসম চুক্তিৰ দফা পূৰণ।

শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

৭২৭ । মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহকৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ সকলো সকলো দফা পূৰণ কৰা হ'ল নে?

(খ) চুক্তিত অনুসৰি কোন কেইটা দফা পূৰন কৰা হ'ল? (অনুগ্ৰহ কৰি সবিশেষ উল্লেখ কৰিব।)

(গ) কোন কেইটা দফা পূৰণ কৰিব পৰা নাই? (অনুগ্ৰহ কৰি সবিশেষ উল্লেখ কৰিব।)

(ঘ) দফা কেইটা ৰূপায়ণ কৰিব নোৱাৰাৰ কাৰণ সমূহ কি?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চুক্তিৰ সকলো দফা পূৰণ কৰা হোৱা নাই।

(খ) অসম চুক্তিৰ ১৩ নং ও ১৪ নং দফা দুটা ৰূপায়ণ কৰা হৈছে। যিহেতুকে এই দুই দফা আন্দোলনৰ সন্দৰ্ভত উদ্ভৱ হোৱা পৰিবেশৰ পৰা স্বাভাৱিক পৰিস্থিতি ঘূৰাই অনা সম্পৰ্কীয়, এই দফা দুটাৰ অধীনৰ কৰণীয় সমূহ ইতিমধ্যে কৰা হৈছে।

(গ) দফা নং ৫ ৰ পৰা দফা নং ১২ লৈকে ৰূপায়ণৰ কাম চলি আছে। কেইবাটাও দফাৰ কাম ৰূপায়ণ কৰা কাৰ্য্য যিহেতুকে এটা ধাৰাবাহিক প্ৰক্ৰিয়া, সেইহেতুকে এই দফা সমূহৰ কাম চলি আছে। অবৈধ নাগৰিক চিনাক্তকৰণ আৰু বহিষ্কৰণ (দফা নং ৫), আৰ্ন্তজাতিক সীমান্তত নদীয়েদি পহৰাৰ

কটকটীয়া ব্যৱস্থা কৰা অনুপ্রবেশ ৰোধ কৰাৰ কার্য্য (দফা নং ৯-২), চৰকাৰী ভূমি আৰু জনজাতীয় বেষ্টনী আৰু খণ্ডত বেদখল উচ্ছেদকৰণ (দফা নং ১০), বিদেশী নাগৰিকৰ দ্বাৰা স্থাৱৰ সম্পত্তিৰ আহৰণৰ ক্ষেত্রত থকা সংশ্লিষ্ট আইনগত নিষেধাজ্ঞা কঠোৰ ভাৱে বলবৎ কৰা (দফা নং ১১), জন্ম আৰু মৃত্যুৰ পঞ্জীকৰণ বাধ্যতামূলক কৰা ইত্যাদি কার্য্য এটা ধাৰাবাহিক প্রক্রিয়া আৰু সেইমতে কাম চলি আছে। এই দফা কেইটা কার্য্যকৰণৰ সবিশেষ তথ্য তলত দিয়া হ'ল ঃ-

দফা - ৫.২ঃ অসম চৰকাৰে ৰাষ্ট্রীয় নাগৰিক পঞ্জী সঞ্চালকালয় স্থাপন কৰিছে আৰু নাগৰিক পঞ্জী উন্নীতকৰণৰ বাবে ১৯৫১ ৰাষ্ট্রীয় নাগৰিক পঞ্জী আৰু ১৯৭১ চনলৈকে ভোটাৰ তালিকা তথ্য কম্পিউটাৰত ভর্ত্তিকৰণৰ কাম (date entry) প্রায় সম্পূর্ণ কৰিছে। ৰাষ্ট্রীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ কাম (Data Entry) সূচল কৰিবৰ বাবে ভাৰত চৰকাৰে ৯/১১/২০০৯ তাৰিখৰ জি. এছ. আৰ ৮০৩ (ই) জাননী যোগে ২০০৩ চনৰ নাগৰিকত্ব আইন সংশোধন কৰি অনুসুচীসহ নতুন দফা সংযোজন কৰিছে।

দফা - ৫.৩ঃ অসমত বিদেশী চিনাক্তকৰণৰ বাবে মুঠ ৩৬ খন ট্রিবিউনেল গঠন কৰা হৈছে। ইয়াৰে ৩২ খন ট্রিবিউনেলত কাম কাজ চলি আছে আৰু ৪ খন নতুনকৈ স্থাপন কৰা ট্রিবিইউনেলত কাম কাজ আৰম্ভ হোৱা নাই। আই. এম. (ডি) টি আইন খন মাননীয় উচ্চতম ন্যায়লয়ৰ ২০০৫ চনৰ ২২ জুলাই তাৰিখৰ ৰায় মর্মে বাতিল হোৱাৰ পাচত বিদেশী ন্যায়াধিকৰণ সমূহৰ যোগেদি গোচৰ সমূহ নিষ্পত্তি কৰি থকা হৈছে।

অধিক অগ্রগতিৰ কাৰণে মহাপঞ্জীয়ক, ৰাষ্ট্রীয় নাগৰিক পঞ্জীয়ণৰ পৰা পাব লগা নির্দেশৰ বাবে অপেক্ষা কৰি থকা হৈছে।

দফা - ৫.৪ঃ চিনাক্তকৰণ হোৱা বিদেশী নাগৰিক সকলৰ নাম ভোটাৰ তালিকাৰ পৰা কর্ত্তন কৰা আৰু পৰবর্ত্তী সময়ত তেনে ব্যক্তিয়ে বিদেশী পঞ্জীয়ণ আইন ১৯৩৯ ৰ অধীনত পঞ্জীয়ণকাৰী বিষয়াৰ ওচৰত পঞ্জীয়নভুক্ত হোৱা

কার্য্য চলি আছে। চলিত বছৰৰ জানুৱাৰী মাহৰ শেষলৈকে ১২,৬৩৮ জন তেনে ব্যক্তিয়ে নাম পঞ্জীয়ণ ভূক্ত কৰিছে।

দফা – ৫.৫ঃ শেহতীয়াভাৱে ২০০৯ চনৰ চেপ্তেম্বৰলৈ বিদেশী ন্যায়াধীকৰণৰ সংখ্যা ৩২ খনৰ পৰা ৩৬ খনলৈ বৃদ্ধি কৰা হৈছে। বৰ্ত্তমানে বাহাল থকা মান (Criteria) অনুযায়ী উপযুক্ত সংখ্যক ন্যায়াধীশৰ নাটনি হোৱা কাৰণে ন্যায়াধীশৰ বয়সৰ উচ্চ সীমা ৬৫ বছৰ বয়সৰ পৰা ৬৭ বছৰ বয়সলৈ বৃদ্ধি কৰাৰ ব্যৱস্থাৰ বিবেচনা কৰি থকা হৈছে। তদুপৰি, ৪/৯/২০১০ তাৰিখৰ পি.এল.বি. ২৩২/২০০৯/৭ চিঠি জৰিয়তে ৰাজ্য চৰকাৰে বৰ্ত্তমানতকৈ নিম্ন পর্য্যায়ৰ ন্যায়িক বিষয়াকো ট্রিবিউনেলৰ সদস্য হিচাবে কাম কৰিবলৈ অনুমতি দিবলৈ কেন্দ্রীয় চৰকাৰক অনুৰোধ জনাইছে।

দফা – ৫.৬ঃ ভোটাৰ তালিকাৰ পৰা বিদেশী বুলি চিহ্নিত হৈ নাম কর্ত্তন হোৱা ব্যক্তিৰ নাম চিহ্নিত হোৱা তালিকাৰ পৰা ১০ বছৰৰ পিচত পুনৰ ভোটাৰ তালিকাত অর্ন্তভুক্ত কৰা প্রক্রিয়া অব্যাহত আছে।

দফা – ৫.৭ঃ বিদেশী বুলি চিহ্নিত হৈ বহিস্কৃত হোৱাৰ পিচত পুনৰ অসমলৈ অনুপ্রবেশ কৰা বিদেশী লোক সকলক বহিষ্কৰণৰ প্রক্রিয়া চলি আছে। ১৯৮৫ চনৰ পৰা ২০০৯ চনৰ ডিচেম্বৰৰ মাহলৈকে ১,৪২৮ জন তেনে ব্যক্তিক ধৰি পুনৰ বাংলাদেশলৈ ঘুৰাই পঠোৱা হৈছে।

দফা – ৫. ৮ঃ ১৯৮৫ চনৰ পৰা ২০১০ চনৰ জানুৱাৰী মাহলৈকে সর্ব্বমুঠ ১,৫৬,৫৫৫ জন ব্যক্তিৰ বিৰুদ্ধে বিদেশী ন্যায়াধিকৰণত গোচৰ তৰা হৈছে আৰু ৪৭,৯৬১ টা গোচৰৰ নিষ্পত্তি হৈছে। ইয়াৰে ভিতৰত ১৬,৯১৯ জন ব্যক্তিৰ নামত ভাৰত ত্যাগৰ জাননী জাৰি কৰা হৈছে। ৭৫৮ জন ব্যক্তিৰ ক্ষেত্রত এই জাননী কার্য্যকৰী কৰা হৈছে।

দফা – ৫.৯ঃ চৰকাৰৰ বর্ত্তমান কৰণীয় নাই। ২০০৫ চনৰ ১২ জুলাই তাৰিখে আই এম (ডি) টি আইনখন মাননীয় উচ্চতম ন্যায়ালয়ৰ ৰায় মর্মে বাতিল হয়।

দফা – ৬ঃ এই দফাটোত সন্নিবিষ্ট সিদ্ধান্ত সমূহ কার্য্যকৰীকৰণ পর্যবেক্ষণ কৰাৰ বাবে অসম চৰকাৰে ১৯/১০/২০০৬ তাৰিখৰ জাননী যোগে এখন মন্ত্রী সকলৰ কমিটী (Committee of Ministers) গঠন কৰি দিছে। এই সমিতি খনে কেইবাবাৰো সভা অনুষ্ঠিত কৰিছে।

অসমীয়া মানুহৰ সংজ্ঞা নিৰূপণৰ বাবে বিভিন্ন ৰাজনৈতিক দল তথা অসমৰ অগ্রণী অনুষ্ঠান, বিভিন্ন জনগোষ্ঠীয়ে সাহিত্য সভা তথা সংগঠনৰ লগত এই সম্পর্কে যোগাযোগ তথা আলাপ-আলোচনা কৰা হৈছে। সংজ্ঞা সম্পর্কে চুড়ান্ত সিদ্ধান্ত এতিয়ালৈকে লোৱা হোৱা নাই।

জ্যোতি চিত্রবন ফিল্ম ছ'চাইটিত শেহতীয়াভাৱে আধুনিকীকৰণৰ তৃতীয় পর্য্যায়ত ফিল্মচিটি প্রজেক্টৰ কাম হাততলোৱা হৈছে। এই প্রজেক্টৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা আবন্টনৰ ভিতৰত ৩.৩৩ কোটি টকা ইতিমধ্যে ছ'চাইটিক আদায় দিয়া হৈছে। অনুষ্ঠানটো আধুনিকীকৰণৰ আৰু অন্যান্য সা-সুবিধা বৃদ্ধি আৰু উন্নয়ণৰ কাম কার্য্যকৰী কৰি থকা হৈছে।

৩০ টা অসংৰক্ষিত প্রত্নতত্ব এলেকা সংৰক্ষণৰ প্রস্তাব ভাৰত চৰকাৰৰ প্রত্নতত্ব জৰীপ বিভাগলৈ পঠোৱা হৈছিল আৰু তাৰে ৫ টা অঞ্চল ঐতিহ্য পূর্ণ স্থানৰ দায়িত্ব প্রত্নতত্ব জৰীপ বিভাগে লৈছে। বাকী ২৫ টা অঞ্চল সংৰক্ষণৰ বাবে অতিৰিক্ত কেন্দ্রীয় সাহায্য পুঁজিৰ আবন্টিত ধনৰ পৰা সত্র আৰু ঐতিহ্য পূর্ণ স্থানৰ বাবে ১৯.০০কোটি টকা ধার্য্য কৰাৰ উপৰিও ২০১১-১২ চনৰ ভিতৰত ২০ টা স্থান সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ভিতৰত ২০০৯-১০ ত ৩ টা সংৰক্ষিত অঞ্চলৰ কাম হাতত লোৱা হৈছে।

অসমৰ সত্র সমূহৰ সংৰক্ষনৰ বাবে প্রত্নতত্ব সঞ্চালকালয়ে সত্র সংৰক্ষণ সমিতিৰ অনুমোদন ক্রমে প্রস্তুত কৰি দিয়া সত্র সমূহৰ তালিকাৰ ভিতৰত প্রথম পর্য্যায় হিচাবে ১৩৫ খন আছে। ভাৰত চৰকাৰে অনুমোদন জনোৱা মর্মে ২০০৯-১০ ত ৯৮ খন সত্রৰ কাম হাতত লোৱা হৈছে।

অসমত উত্তৰ পূর্বাঞ্চলৰ বাবে Media Archives-cum-

National Reference Library প্রতিষ্ঠানৰ বাবে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ চলি আছে আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্রকল্প প্রস্তাৱ প্রেৰণ কৰা হৈছে। জৱাহাৰলাল নেহৰু বিশ্ব বিদ্যালয় কর্ত্তৃপক্ষই তেওঁলোকৰ চিঠি নংCE/DEV/CH/85/3111,তাৰিখ ২১/০২/২০০৮ মর্মে জানিবলৈ দিয়ে যে তেওঁলোকে বিশ্ববিদ্যালয়ত অসমীয়া আসন (Assamese Chair)প্রতিষ্ঠাৰ বাবে প্রস্তাৱ লৈছে। লগতে পৰবর্ত্তী পর্য্যায়ত ব্যৱস্থা লৈ থকা হৈছে।

দফা – ৭ঃ অসমৰ সর্বাঙ্গীন অর্থনৈতিক বিকাশৰ ক্ষেত্রত হাতত লোৱা কাম সমূহৰ ভিতৰত নুমলীগড় তেল শোধনাগাৰৰ কাম সম্পূর্ণ হৈ সুস্থ ভাৱে কার্য্যক্ষম হৈ আছে।

"ব্রহ্মপুত্র ক্রেকাৰ আৰু পলিমাৰ লিমিটেড" নামেৰে ডিব্রুগড় জিলাত স্থাপনৰ কাম চলি থকা গেছ ক্রেকাৰ প্রকল্পৰ বাবে ভূমি অধিগ্রহণৰ কাম সম্পূর্ণ হোৱাৰ পিচত প্রকল্প নির্মাণৰ কাম খৰতকীয়াকৈ আগবাঢ়িছে। ১৫/০১/২০১০ তাৰিখলৈ ১০.৪ শতাংশ কাম সম্পূর্ণ হৈছে।এই প্রকল্পৰ পৰা ভৱিষ্যতে উৎপাদন হ'বলগীয়া সামগ্রীৰ ওপৰত ভিত্তি কৰি স্থাপন হ'বলগীয়া বিভিন্ন উদ্যোগ চলাবৰ বাবে আৱশ্যকীয় কর্ম কুশলতা তৈয়াৰ কৰিবৰ কাৰণে যোৰহাট আৰু ডিব্রুগড় ঔদ্যোগিক প্রশিক্ষণ প্রতিষ্ঠান দুটাত 'প্লাষ্টিক প্রচেচিং' বিষয়টো অন্তর্ভুক্ত কৰা হৈছে।

অশোক পেপাৰ মিল পূনৰ জীৱিতকৰণ সম্পর্কে প্রাৰম্ভিক পদক্ষেপ হিচাবে Techno Economic Feasibility Report প্রস্তুতিকৰণৰ বাবে নিযুক্তি দিয়া প্রতিষ্ঠান M/s Sandwell ও দাখিল কৰা T.E.F.R.গৃহীত হোৱাৰ পিচত একে প্রতিষ্ঠানক Detail Project Report প্রস্তুত কৰিবলৈ দায়িত্ব দিয়া হৈছিল। প্রতিষ্ঠানটোৱে দাখিল কৰা খচৰা DPR প্রস্তুত কৰাৰ বাবে হিন্দুস্তান পেপাৰ কৰ-পোৱেচনক যোৱা জানুৱাৰী মাহত (২০১০) দায়িত্ব অর্পণ কৰা হৈছে।

বগীবিল দলং নির্মাণৰ কাম খৰতকীয়াকৈ আগবাঢ়ি আছে। মাটি ভৰোৱা কাম মথাউৰি আৰু গাইড বান্ধ নির্মাণ আৰু নদীৰ বুকুত খুঁটা বহোৱা কার্য্য ব্রহ্মপুত্রৰ দুয়োপাৱতে সন্তোষ জনক ভাবে আগবাঢ়িছে।

উত্তৰ-পূৰ্ব জলসম্পদ প্রাধিকৰণ (North East Water Resources Authority) গঠন কৰাৰ কাৰণে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ লগত আলোচনা মর্মে কেন্দ্রীয় চৰকাৰৰ জলসম্পদ মন্ত্রনালয়ে এটা প্রস্তাব প্রস্তুত কৰিছে। অৰুনাচল প্রদেশ চৰকাৰৰ এই প্রস্তাব সম্পর্কে কিছু ক্ষেত্রত আপত্তি থকাত ভাৱত চৰকাৰে কিছু সংশোধনী সাপেক্ষে প্রস্তাবটো অৰু ণাচল প্রদেশ চৰকাৰলৈ প্রেৰণ কৰে। বর্ত্তমান প্রস্তাৱটো ভাৱত চৰকাৰৰ বিবেচনাধীন হৈ আছে।

গুৱাহাটী মেডিকেল কলেজ আৰু হস্পিতালক কেন্দ্রীয় চৰকাৰৰ দ্বাৰা আবন্টিত১১৯.৯৫কোটি টকা ব্যয়েৰে এখন বিশেষ সা-সুবিধা সম্পন্ন (Super Speciality) হস্পিতাললৈ উন্নীতকৰণৰ বাবে কার্য্য ব্যৱস্থা গ্রহণ কৰি থকা হৈছে। ইতিমধ্যে ১৬.৩৪ কোটি টকা ব্যয়েৰে অত্যাধুনিক আহিলা ও যন্ত্রপাতি ক্রয় কৰা হৈছে। ৮.৪৬ কাটি টকা ব্যয়েৰে এটা প্রেক্ষাগৃহ আৰু ৬.৪০ কোটি টকা ব্যয়েৰে এটা পুথিভঁৰাল -তথা-বক্তৃতা-গৃহ নির্মাণৰ কাম চলি আছে।

চৰকাৰে এটা Employment Generation Mission গঠন কৰিছে। বর্ত্তমান এই মিছনৰ অধীনত ৬ টা প্রজেক্টৰ কাম চলি আছে। এই প্রজেক্ট সমূহ হ'ল অসমীয়া ৰাষ্ট্রীয় গ্রামীন বিকাশনিধি, ৰাজ্যিক গ্রামীন বিকাশ প্রতিষ্ঠান (SIRD) এমট্রন, অসম পশুধন আৰু হাঁহ-কুকুৰা নিগম আৰু প্রচেষ্টা।

দফা - ৮.১ঃ নাগৰিকত্ব আইনখন ১৯৮৫ চনত আৱশ্যকীয়ভাৱে সংশোধন ঘটোৱা হৈছে।

দফা - ৮.২ঃ কেন্দ্রীয় চৰকাৰৰপৰা জানিব পৰা মতে এই সম্পর্কে তেওঁলোকে কোনো অভিযোগ পোৱা নাই। অভিযোগ পালে আৱশ্যকীয় ব্যৱস্থা লোৱা হ'ব।

দফা – ৯.১ঃ অসম বাংলাদেশ সীমান্তৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি বাংলাদেশৰ পৰা হোৱা অনুপ্রবেশ ৰোধ কৰাৰ বাবে কাঁটা তাঁৰৰ বেৰ নির্মাণ কার্য্য প্রায় সমাপ্ত হোৱাৰ পথত। নির্মাণ সম্পূর্ণ কৰিব পৰা দৈর্ঘ্যৰ ভিতৰত বর্ত্তমানে বাকী থকা দৈর্ঘ্যৰ পৰিমাণ ৫৯.০১১ কিঃ মিঃ। এই (৫৯.০১১ কিঃ মিঃ) অংশৰ বেছিভাগ ক্ষেত্র তেই কামৰ অগ্রগতি সন্তোষ জনক। নদীৰ খহনীয়া, কৰিমগঞ্জ জিলাৰ লাটিটিলা - ডুমাবাৰী অঞ্চলত ভূমিৰ বিবাদমান অৱস্থা, ইত্যাদিৰ বাবে কামৰ অগ্রগতি ব্যাহত হৈছে। সীমা সুৰক্ষা বল আৰু ৰাজ্যিক আৰক্ষীয়ে ভাৰত- বাংলা সীমান্ত অঞ্চলত যুটীয়া ভাৱে পহৰা দিয়াৰ বাবে ব্যৱস্থা চলি আছে। দুটা আই আৰ বেটেলিয়ন গঠন কৰাৰ বাবে কেন্দ্রীয় চৰকাৰক এটা দিয়া হৈছে। এই সন্দর্ভত কেন্দ্রীয় চৰকাৰে এটা ৰিভাৰ বেটেলিয়ান আৰু এটা সাধাৰণ বেটেলিয়ান হিচাবে মঞ্জুৰী দিছে।

দফা – ৯.২ঃ ভাৰত বাংলাদেশ সীমান্তৰ কাষে কাষে নির্মাণ কৰিব লগা পথ নির্মাণৰ ক্ষেত্রত অসম গড়কাপ্তানী বিভাগক প্রথম আৰু দ্বিতীয় পর্য্যায়ত নির্মাণ কৰিবলৈ দিয়া মুঠ ২০৬.৬৫৮ কিঃ মিঃ পথৰ ভিতৰত নির্মাণ কার্য্য সম্পন্ন হোৱা মুঠ পথৰ দৈর্ঘ্য ২০০.০৬৫ কিঃ মিঃ। দ্বিতীয় পর্য্যায়ত এন. বি. চি.চি. ক নির্মাণৰ দায়িত্ব অর্পণ কৰা ৩৪.৪৫ কিঃ মিঃ পথৰ ভিতৰত নির্মাণ কৰিব পৰা ২৮.৭৫০ কিঃ মিঃ ৰ ভিতৰত ২৩.৫০০ কিঃ মিঃ ৰ নির্মাণ সম্পূর্ণ হৈছে। (এই তথ্য ১৫/০২/২০১০ লৈকে।)

গতিকে দায়িত্ব অর্পণ কৰা মুঠ ২৪১.১০৮ কিঃ মিঃ পথৰ ভিতৰত ২২৩.৫৬৫ কিঃ মিঃ ৰ পথৰ নির্মাণ কার্য্য সম্পূর্ণ হৈছে। নদীৰ খহনীয়া, অসম্পূর্ণ শ্লুইছগেট, বিবাদমান ভূমি ইত্যাদি কাৰণত সম্প্রতি নির্মাণ সম্ভৰপৰ নোহোৱা ১২.২৯৩ কিঃ মিঃ ৰ বাদ দিলে বর্ত্তমান কৰিবলৈ বাকী থকা পথৰ দৈর্ঘ্যৰ পৰিমাণ ৫.২৫০ কিঃ মিঃ।

নদী পথত পহৰাৰ বাবে গোৱালপাৰা,শুৱালকুছি ,তেজপুৰ আৰু বিশ্বনাথ ঘাটত চাৰিখন নদী আৰক্ষী থানা স্থাপন কৰা হৈছে। ইয়াৰোপৰি

ছয় (৬) খন আৰক্ষী চকী (আউট পোষ্ট) স্থাপন কৰা হৈছে ব্ৰহ্মপুত্ৰ নদীত আধুনিক স্পীড বোটেৰে সীমা সুৰক্ষা বলৰ পহৰাৰ ব্যৱস্থা আছে।

দফা - ১০ঃ চৰকাৰী ভূমি আৰু জনজাতীয় বেষ্টনী আৰু খন্দৰ অন্তৰ্গত ভূমি অবৈধ দখলৰ পৰা ৰক্ষাকৰাৰ বাবে যাৱতীয় প্ৰচেষ্টা চলাই থকাৰ লগতে বেদখলকাৰীক উচ্ছেদৰ ব্যৱস্থা লৈ থকা হৈছে। সাধাৰণ অঞ্চলত বেদখলকাৰীৰ দখলত থকা ১,১২,৬৫৪ বিঘা মাটিৰ ভিতৰত বেদখলকাৰীৰ পৰা ৪৪,৯৮৮ বিঘা ভূমিবেদখল মুক্ত কৰা হৈছে। আনহাতেদি, জনজাতীয় বেষ্টনী আৰু খন্দত (Tribal Belts and Blocks)বেদখলকাৰীৰ দখলত থকা ১,৩৫,৫০৫ বিঘা ভূমিৰ ভিতৰত ৪৯০১বিঘা মাটি বেদখল মুক্ত কৰা হৈছে।

দফা - ১১ঃ বিদেশী নাগৰিকে অসমত স্থাৱৰ সম্পত্তি আহৰণ কৰা কাৰ্য্য ৰোধ কৰাৰ বাবে সংশ্লিষ্ট আইনৰ জৰিয়তে ব্যৱস্থা লৈ থকা হৈছে। তেনেকৈ সম্পত্তি আহৰণ কৰা ৪৬১ জন ব্যক্তিৰ ওপৰত ১৪১ টা গোছৰ ৰুজু কৰি ৪৭১বিঘা মাটি মুকলি কৰা হয়।

দফা - ১২ঃ জন্ম আৰু মৃত্যু পঞ্জীয়ন উপযুক্তভাৱে কৰাটো নিশ্চিত কৰণ কাৰ্য্য এটা নিৰবিচ্ছিন্ন ভাবে চলি থকা কাৰ্য্য। বিভিন্ন কাৰণত শতকৰা এশ ভাগ পঞ্জীয়ন সম্ভৱ নহ'লেও জন্মৰ পঞ্জীয়ণৰ পৰিসংখ্যা ২০০৩ চনৰ ৫৬% পৰা ২০১০ চনৰ ফেব্ৰুৱাৰী মাহত ৭৮.৭৮% লৈ বৃদ্ধি পাইছে। একেদৰে মৃত্যুপঞ্জীয়ণৰ পৰিসংখ্যা ২০০৩ চনৰ ২৭% ৰ পৰা ২০১০ চনৰ ফেব্ৰুৱাৰী মাহলৈ ৩৪.০৯%লৈ বৃদ্ধি পাইছে।

ঘ ঃ 'গ' প্ৰশ্নৰ উত্তৰ কাৰ্য্যকৰণ হৈ থকা দফাসমূহৰ সবিশেষ উল্লেখ কৰা হৈছে। কাৰ্য্যকৰণৰ পৰিধিৰ ধাৰাবাহিক প্ৰক্ৰিয়াৰ অৰ্ন্তভুক্ত নোহোৱা দফা সমূহ ওপৰত উল্লেখ কৰা ধৰণে অগ্ৰগতিৰ পৰ্য্যায়ত আছে আৰু নিৰ্দ্দিষ্ট সময়ত সম্পূৰ্ণ হ'ব।

Sub : BADP Schemes under Badarpur Development Block.

Sri Anwarul Haque asked:

728. Will the Minister of Border Areas Development be pleased to state :

(a) What are the schemes under BADP (SCA) were undertaken in Badarpur Development Block under Karimganj district for last 3 years?

(b) State the name of the scheme along with sanctioned amount, progress of work and name of the executing agency ?

Sri Gautam Roy (Minister of Border Areas) replied:

(a) The schemes taken under BADP (SCA) for Badarpur Dev.Block for the year 2007-08 to 2009-10 are shown at Annexure -I (See Annexure - XVI)

(b) The sanctioned amount, progress of the work name of the cuting agencies are also shown at Annexure - I. (See Annexure - XVI)

বিষয় ঃ ভূমিৰ পট্টা।

শ্ৰী দুৰ্গা ভূমিজে সুধিছে ঃ

৭২৯ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ ২০০৮-০৯ বৰ্ষৰ ভূমি উপদেষ্টা সমিতিয়ে বহা সভাখনত কিমান মানুহক পট্টা প্ৰদান কৰা হ'ল, কিমানৰ বাকী আছে আৰু বাকী থকা সকলক কেতিয়া পট্টা প্ৰদান কৰা হ'ব?

(খ) এইটো সত্যনে, তিনিচুকীয়া জিলাৰ চাহ জনগোষ্ঠীৰ লোকক পট্টা প্ৰদান নকৰাৰ এটা ষড়যন্ত্ৰ চলিছে?

(গ) যদি নহয়, তেন্তে কিমান সংখ্যক চাহ জনগোষ্ঠী লোকক এতিয়ালৈকে ভূমিৰ

পট্টা প্রদান কৰা হ'ল?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) তিনিচুকীয়া জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্যমতে তিনিচুকীয়া জিলাৰ ২০০৮-০৯ বৰ্ষৰ ভূমি উপদেষ্টা সমিতিত অনুমোদন হোৱা মুঠ ২,৫৬৯ জন লোকক পট্টা প্রদান কৰা হৈছে। আন ১৪ খন পট্টা দিয়াৰ বাবে ইতিমধ্যে ব্যৱস্থা হাতত লোৱা হৈছে। বৰ্ত্তমান ১৪ জন অনুমোদন প্রাপ্ত লোকক পট্টা দিবলৈ বাকী আছে।

(খ) তেনে অভিযোগ পোৱা নাই।

(গ) বৰ্ত্তমানলৈকে ৮২০ জন চাহ জনগোষ্ঠীৰ লোকক পট্টা প্রদান কৰা হৈছে।

বিষয় ঃ মহিলা আই. টি. আই.।

শ্রী ঘন বুঢ়াগোহাইয়ে সুধিছে ঃ

৭৩০। মাননীয় শ্রম আৰু নিয়োগ বিভগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) উত্তৰ লক্ষীমপুৰত এখন মহিলা আই. টি. আই. থকাৰ কথাটো চৰকাৰৰ অৱগতনে?

(খ) এই আই. টি. আইত কি কি বিভাগ অনুভূক্ত হৈ আছে?

(গ) অন্তর্ভুক্ত হৈ থকা বিভাগ সমূহ বৰ্ত্তমানে কার্য্যকৰী হৈ আছেনে?

(ঘ) যদি কার্য্যকৰী হৈ আছে তেনেহ'লে কি কি বিভাগ কার্যকৰী হৈ আছে আৰু এই আই টি আইখনৰ উন্নয়নৰ কাৰণে চৰকাৰে কিবা পদক্ষেপ গ্রহণ কৰিছে নেকি?

শ্রী পৃথিৰী মাঝি (শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰৰ অৱগত।

(খ) (১) কাটিং এণ্ড চুইং।
(২) চেক্রেটাৰিয়েল প্রেক্টিচ।
(৩) হেয়াৰ এণ্ড স্কিন কেয়াৰ ট্রেড অন্তর্ভূক্ত।

(গ) এটা বিভাগ স্কীন কেয়াৰ ট্রেড অন্তর্ভুক্ত।

(ঘ) কাটিং এন্ড চুইং বিভাগটো কার্য্যকৰী হৈ আছে। আই টি আই খনৰ উন্নয়নৰ কাৰণে চৰকাৰে নতুন পদক্ষেপ গ্রহণ কৰিছে।

বিষয় ঃ আই টি আই।

শ্রী আব্দুল খালেকে সুধিছে ঃ

৭৩১। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বর্ত্তমানে কিমানটা আই. টি. আই আছে। এই আই. টি. আই সমূহত কি কি ট্রেড চলি আছে? (বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) নতুনকৈ চৰকাৰে ৰাজ্যখনত আই. টি. আই স্থাপনৰ কথা ভাবিছে নেকি? যদি ভাবিছে, ক'ত ক'ত হ'ব?

(গ) সংখ্যালঘূৰ বাবে প্রধানমন্ত্রীৰ ১৫ দফীয়া আঁচনিৰ অধীনত ৰাজ্যখনত ক'ত ক'ত নতুন আই টি আই স্থাপন কৰিবলৈ বিচৰা হৈছে?

(ঘ) কোনো নিগম নিকায় সমিতি বা ট্রাষ্টে নতুনকৈ আই টি আই স্থাপন কৰিবলৈ বিচাৰিলে কি কি চর্ত্ত পূৰণ কৰিব লাগিব? এখন নতুন আই টি আইৰ বাবে কেনে ধৰণৰ পৰিকাঠিবোৰ প্রয়োজন?

শ্রী পৃথিৱী মাঝি (শ্রম ও নিয়োগ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) বর্ত্তমান ৰাজ্যখনত ২৮ খন আই.টি. আই. চলি আছে। এই আই. টি. আই সমূহৰ চলি থকা ট্রেডৰ বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰা হল। (See Annexure - XVII)

(খ) হয় ভবা হৈছে, কাজলগাওঁ, শুক্লাই আৰু মঙ্গলদৈত হ'ব।

(গ) সংখ্যালঘুৰ বাবে প্ৰধানমন্ত্ৰীৰ ১৫ দফীয়া আচঁনিত ৰাজ্যখনৰ মঙ্গলদৈত এখন নতুন আই. টি.আই. স্থাপন কৰিবলৈ বিচৰা হৈছে।

(ঘ) নতুনকৈ আই. টি. আই স্থাপন কৰিবলৈ জাতীয় কাৰীকৰী প্ৰশিক্ষন পৰিষদৰ দ্বাৰা স্বীকৃত প্ৰাপ্ত হ'বলৈ হ'লে এই পৰিষদৰ দ্বাৰা অনুমোদিত হ'ব লাগে। এখন নতুন আই. টি. আইয়ে জাতীয় কাৰিকৰী প্ৰশিক্ষন পৰিষদৰ দ্বাৰা স্বীকৃতি পাবলৈ হ'লে পৰিষদৰ পৰিকাঠিবোৰ পূৰণ কৰাৰ প্ৰয়োজন।

বিষয় ঃ পার্কোপাইনৰ কাম।

শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ

৭৩২ । মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেৰগাঁও সমষ্টিত ছয় কোটি টকাৰে নিৰ্মাণৰ কাম চলি থকা ললিটি মুখ আৰ চি, চি, পার্কোপাইনৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

(খ) ইয়াৰে কিমান শতাংশ কাম সম্পূৰ্ণ হৈছে, কিমান শতাংশ বাকী আছে?

(গ) ইয়াত কাম কৰা ঠিকাদাৰ সকলৰ নাম ঠিকনা সহ আৰু প্ৰত্যেকৰ নামত কিমান পূঁজি আৱন্টন কৰা হৈছে, উল্লেখ কৰিবনে?

(ঘ) দেৰগাঁও সমষ্টিৰ অন্তৰ্গত আৰু চপাই এলেকাৰ ঠিকাদাৰ সকলক ঠিকা আৱন্টন দিয়াৰ পৰা বঞ্চিত কৰাটো হয়নে?

(ঙ) যদি হয়, বঞ্চিত কৰাৰ কাৰণ কি?

শ্ৰী পৃথিৰী মাঝি (জলসম্পদ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এই কামটো ২০১০ চনৰ বাৰিষাৰ আগে আগে সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে।

(খ) এই কামটো এতিয়ালৈ প্ৰায় ২৫ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু প্ৰায় ৭৫ শতাংশ কাম বাকী আছে যদিও বৰ্ত্তমানে কাম পূনোৰ্দমে চলি আছে।

(গ) ঠিকাদাৰ সকলৰ নাম, ঠিকনা আৰু টকাৰ পৰিমান পৰিশিষ্ট 'ক' ত

দাখিল কৰা হৈছে। (See Annexure - XVIII)

(ঘ) দেৱগাঁও সমষ্টিৰ অন্তর্গত আৰু চপাই এলেকাৰ ঠিকাদাৰ সকলক ঠিকা আৱন্টন দিয়াৰ পৰা বঞ্চিত কৰাটো সত্য নহয়।

(ঙ) 'ঘ' প্রশ্নৰ উত্তৰ সাপেক্ষে প্রযোজ্য নহয়।

Sub : PHE Schemes.

Shri Mission Ranjan Das asked :

733. Will the Minister of P.H.E. be pleased to state :

(a) What are new schemes of pipe line water supply scheme proposed by the Govt.under Karmganj PHED. Please give it Sub-Division wise?

(b) What are the new sanctioned schemes of which works are yet to start?

(c) What are completion schemes?

(d) What are completed schemes but not commissioned as yet?

(e) What are the remaining schemes and whether these schemes are supplying drinking water upto their area of installation?

(f) What are the defunct schemes under Karimganj Sub-Division and what are the steps taken to revive these?

(g) What are the defunct schemes under Karimganj Sub-Division received during 2007-08, 2008-09 and 2009-2010?

Shri Rihon Daimari (Minister P.H.E.D.) replied :

(a) 71 nos. of new piped water Supply scheme taken up under Karimganj PHE Division . (Sub-Division wise list is enclosed in Annexure - ' A' and placed on the floor of the house.)
(See Annexure - XVIX)

(b) The execution work for 33 nos.of new schemes is yet to be started. The list is enclose in Annexure -'B' and placed on the floor of the house. (See Annexure - XX)

(c) The following 6 nos. of schemes are already completed.
1. Aurangabad - II.
2. Masli - II.
4. Longai T.E.
5. Bidyanagar T.E. - II

3. Chandkhani 6. Isabeel T.E. - II.

(d) 28 nos. of schmes are almost completed but not yet commissioned. List is enclosed in Annexure - C and placed on the floor of the house. (See Annexure - XXI)

(e) Out of the remaining schemes154 nos. of schemes functoning fully and supplying treated water up to their area of installation, 8 nos. of schemes functioning partially and 29 nos.of schemes are not functioning at present. The list is enclosed in Annexure-D and placed on the floor of the house. (See Annexure - XXII)

(f) There are 12 nos. of defunt Water Supply Schemes under Karimgaj Sub-Division and necessary steps have already been taken to revive these schemes.

(g) During the period 2007-08, 2008-09 and 2009 -2010, SANKARPUR, DASGRAM Water Supply Scheme had beenrevived and other12 nos. of schemes have already been taken up for revival.

বিষয় ঃ গোষ্ঠী সংঘর্ষত ক্ষতিগ্রস্থক সাহায্য।

শ্রী হিৰেণ দাসে সুধিছে ঃ

৭৩৪। মাননীয় সাহায্য আৰু পুনঃ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২০০৬ চনৰ পৰা ২০১০ চনৰ জানুৱাৰী মাহলৈ দৰং জিলাত প্রাকৃতিক দুর্য্যোগ, গৰাখহনীয়া আৰু ধুমুহাত ক্ষতিগ্রস্থ হোৱা কিমানজন লোকে সাহায্য লাভ কৰিলে? (সমষ্টি ভিত্তিত নামৰ সৈতে ধনৰ পৰিমানৰ তালিকা সদনত দাখিল কৰিব।)

(খ) যোৱা ২০০৮ চনত দৰং ওদালগুৰিত গোষ্ঠী সংঘর্ষত ক্ষতিগ্রস্ত হোৱা লোকসকলক পুনঃ সংস্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা ল'লে?

(গ) উক্ত সংঘর্ষত ক্ষতিগ্রস্থ সকলৰ সাহায্য আৰু পুনঃ সংস্থাপনৰ বাবে গঠিত কেবিনেট উপ-সমিতিয়ে কি ঘোষণা কৰিছিল? এই ঘোষণা মতে সকলো ক্ষতিগ্রস্তই সাহায্য পালেনে?

(ঘ) ভকতপাৰা অঞ্চলত কেইটা শৰণার্থী শিবিৰ আছিল ? ইয়াত কিমান সংখ্যক লোক আছিল ? সকলোৱে চৰকাৰৰ দ্বাৰা ঘোষিত সাহায্য আৰু পুনঃসংস্থাপন পালেনে ? (সকলো তথ্যৰ তালিকা সদনত দাখিল কৰিব।)

(ঙ) ভকতপাৰাত বর্ত্তমানেও কেইটামান পৰিয়াল অস্থায়ী শিবিৰ পাতি থকাটো সত্যনে ? যদি সত্য, তেন্তে চৰকাৰে উক্ত পৰিয়ালৰ পুনঃ সংস্থাপনৰ বাবে কি ব্যৱস্থা লৈছে?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্য়্যোগ ব্যৱস্থাপনা বিভাগ), (সাহায্য আৰু পুনৰ সংস্থাপন শাখা) ৰ মন্ত্রীয়ে উত্তৰ দিছে ঃ

(ক) ২৫২৮ জন। নামৰ তালিকা অনুবদ্ধ 'ক' ত সদনৰ মেজত দাখিল কৰা হ'ল ? (See Annexure - XXIII)

(খ) সংঘর্ষত আৱাসগৃহ বিনষ্ট হোৱা পৰিয়াল সমূহৰ ৩ বাণ্ডিলকৈ SAIL ৰ দ্বাৰা নির্মিত টিনপাত আৰু নগদ ১০ হেজাৰ টকাকৈ পুনৰ সংস্থাপন সাহার্য্য হিচাবে আদায় দিয়া হৈছে।

(গ) কেবিনেট উপসমিতিয়ে ঘোষণা কৰামতে ঃ-

(১) প্রতিটো ক্ষতিগ্রস্থ বা ভস্মীভূত হোৱা পৰিয়ালক ২ বাণ্ডিলকৈ SAIL নাইবা TATA কোম্পানীৰ নির্মিত টিনপাত আৰু পাঁচহেজাৰ টকা প্রদান কৰাৰ সুপাৰিশ কৰিছিল।

(২) উপায়ুক্তসকলে শিবিৰত থকা শৰণার্থী সকলক সোনকালে নিজৰ গাঁৱলৈ ঘূৰাই পঠোৱাৰ বাবে ব্যৱস্থা লোৱা। প্রয়োজন সাপেক্ষে উপায়ুক্তসকলে উক্ত লোকসকলক গাঁৱৰ ওচৰত এডোখৰ উপযুক্ত স্থান নির্দ্ধাৰণ কৰিব যাতে উক্ত লোকসকলে ঘৰৰ ঠুপ (Cluster) নির্মাণ কৰিব পাৰে। উক্ত স্থানত পর্য্যাপ্ত নিৰাপত্তাৰ ব্যৱস্থা কৰা।

(৩) প্রতিটো ক্ষতিগ্রস্থ পৰিয়ালক এখন ডাঙৰ কম্বল ও এখন আঁঠুৰাৰ যোগান ধৰা আৰু লগতে প্রতিটো পৰিয়ালক কাপোৰ কানিৰ বাবদ ৫০০ টকাৰ

সাহার্য্য মঞ্জুৰী দিয়া।

(৪) শিবিৰত জন্ম হোৱা প্ৰতিটো নৱজাতকৰ বাবে ৫০০ টকা মঞ্জুৰী দিয়া আৰু তেনে শিশুৰ মাতৃ ও শিশুৰ স্বাস্থ্য আঁচনিৰ অন্তৰ্গত সহায় আগবঢ়োৱা।

(৫) নিখোজ হোৱা ব্যক্তিক প্ৰচলিত বিধিমতে এককালীন সাহার্য্য দিয়া।

(৬) শিবিৰ স্থাপন কৰা স্কুল-কলেজ সমূহক চাফ-চিকুন কৰাৰ বাবে নিম্নলিখিত হাৰত সাহার্য্য দিয়াঃ-

প্ৰাইমেৰী স্কুল ঃ ১০,০০০/- টকা।

হাইস্কুল, হায়াৰ ছেকেণ্ডাৰী, কলেজ ঃ ১৫,০০০/- টকা।
কেবিনেট উপ-সমিতিৰ সুপাৰিশ মৰ্মে উপায়ুক্তৰ পৰা পোৱা প্ৰস্তাৱৰ ভিত্তিত মঞ্জুৰী দিয়া হৈছে ।

(ঘ) শৰণার্থী শিবিৰৰ সংখ্যা ২ টা। মুঠ শৰণার্থীৰ সংখ্যা ৯৩০৪ জন। যিসকল পৰিয়ালৰ বাসগৃহ ভস্মীভূত হৈছে সেইসকলক পূনৰ সংস্থাপনৰ সাহার্য্য দিয়া বুলি ওদালগুৰি জিলাৰ উপায়ুক্তৰ প্ৰতিবেদনত প্ৰকাশ।

(ঙ) উপায়ুক্তৰ প্ৰতিবেদন মতে কোনো শিবিৰ নাই।

বিষয় ঃ পানী যোগান আঁচনি।

শ্ৰী পদ্ম হাজৰিকাই সুধিছে ঃ

৭৩৫ । মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৬ চনৰ পৰা বৰ্ত্তমানলৈ শোণিতপুৰ জিলাত কিমানটা পাইপ পানী যোগান আঁচনি অনুমোদন কৰা হৈছে। (আঁচনিৰ নামসহ বিতং,তথ্য দিব।)

(খ) এই আঁচনিৰ কিমানটা আঁচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে, কিমানটাৰ কাম সম্পূৰ্ণ কৰিবলৈ বাকী আছে আৰু কি কাৰণে সম্পূৰ্ণ হোৱা নাই ? (আঁচনিৰ নাম সহ বিতং তথ্য দিব।)

শ্রী ৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬ চনৰ পৰা বর্ত্তমানলৈ শোণিতপুৰ জিলাত মুঠ ১৬২ টা পাইপ পানী যোগান আঁচনি আৰু ৩২৮০ টা (Spot Source) অনুমোদন কৰা হৈছে। (বিতং তথ্য Annexure - 'A' ত সন্নিবিষ্ট কৰা হৈছে।)

(See Annexure - XXIII)

(খ) এই আঁচনিৰ মুঠ ৫৪ টা পাইপ পানী যোগান আঁচনি আৰু ২২৪৭ টা (Spot Sources) আঁচনিৰ কাম সম্পূর্ণ কৰা হৈছে। ১০৮ টাপাইপ পানী যোগান আঁচনি আৰু ১০৩৩ টা (Spot Sources) ৰ কাম সম্পূর্ণ কৰিবলৈ বাকী আছে। পাইপ পানী যোগান আঁচনিৰ ক্ষেত্রত মাটি অধিগ্রহণ আৰু নির্দ্ধাৰিত সময়ত বিজুলী যোগান প্রাপ্তিত সাধাৰণতে পলম হোৱাৰ বাবে আৰু (Spot Sources) ৰ ক্ষেত্রত স্থান নির্বাচনত বিলম্ব হোৱাৰ বাবে আঁচনিসমূহ সম্পূর্ণ কৰা সম্ভৱ হোৱা নাই। (বিতং তথ্য Annexure - 'A' ত সন্নিবিষ্ট কৰা হৈছে।) (See Annexure - XXIII)

বিষয় ঃ ৰাজহ আদালত।

শ্রী জ্যোতি প্রসাদ দাসে সুধিছে ঃ

৭৩৬ । মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত জানুৱাৰী, ২০০৭ ইং চনৰ পৰা জানুৱাৰী, ২০১০ ইং চনলৈ কিমানটা ৰাজহ আদালত অনুষ্ঠিত কৰা হ'ল আৰু কিমানটা কেছ নিষ্পত্তি কৰা হ'ল?

(খ) উক্ত আদালতত কোন কোন বিষয়া উপস্থিত থাকিব লাগে?

(গ) উক্ত আদালতত অনুষ্ঠিত কৰাৰ বাবে চৰকাৰৰ প্রতিটো আদালতত কিমান ধন খৰচ হয়?

(ঘ) কামৰূপ জিলাৰ অন্তর্গত ৰাজহ চক্রসমূহৰ জৰিয়তে অনুষ্ঠিত কৰা ৰাজহ আদালতৰ সংখ্যা কিমান আৰু কিমান কেছ নিষ্পত্তি কৰা হ'ল?

(ঙ) কোনোবা তাৰিখত, কোনো বিষয়া, উক্ত আদালতত উপস্থিত হোৱা নাছিল নেকি?

(চ) যদি উপস্থিত হোৱা নাছিল,তেন্তে তেওঁ নীতি অনুযায়ী কি ধৰণে জগৰীয়া হব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত জানুৱাৰী,২০০৭ ইং চনৰ পৰা জানুৱাৰী, ২০১০ ইং চনলৈ সৰ্বমুঠ ৪০০৭ টা ৰাজহ আদালত অনুষ্ঠিত হৈছে আৰু ৰাজহ আদালতৰ জৰিয়তে এতিয়ালৈকে মুঠ ১,৪৪,০০৮ টা কেছ নিষ্পত্তি হৈছে।

(খ) ৰাজহ আদালতত চক্র বিষয়াৰ সৈতে মৌজাদাৰ, মণ্ডল-কাননগু, গাওঁ পঞ্চায়তৰ সভাপতি/সম্পাদক আৰু গাওঁবুঢ়া আদি উপস্থিত থাকে।

(গ) উক্ত ৰাজহ আদালত অনুষ্ঠিত কৰাৰ বাবে চৰকাৰী ধন খৰচ কৰা নহয়।

(ঘ) কামৰূপ জিলাৰ অধীনৰ ৰাজহ চক্র বিষয়াসকলৰ জৰিয়তে এতিয়ালৈকে ৭২ খন ৰাজহ আদালত অনুষ্ঠিত কৰা হৈছে আৰু লগতে ৩৪৯৯ টা গোচৰ ইতিমধ্যে নিষ্পত্তি কৰা হৈছে।

(ঙ) নির্দিষ্ট তাৰিখৰ ৰাজহ আদালতত সকলো চক্র বিষয়াই উপস্থিত আছিল।

(চ) প্রশ্ন নুঠে।

বিষয় ঃ খোৱা পানীৰ আঁচনি।

শ্রী বিনোদ গোৱালাই সুধিছে ঃ

৭৩৭। মাননীয় জনস্বাস্থ্য কৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ সৰুপথাৰ সমষ্টিৰ বিশুদ্ধ খোৱা পানীৰ বাবে পানী যোগান তলত উল্লেখ কৰা স্থানত লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(খ) সোনাৰী ১,২,৩,৪ ১) বচাপথাৰ, ২) বিষ্ণুপুৰ লক্ষীপথাৰ, ৩) চিলনীজান, ৪)সোনাপুৰ, ৫) লক্ষীনগৰ, ৬) বৰদন্তি, ৭) হালধিবাৰী, ৮)চেইনপুৰ, ৯) মাজগাওঁ জাহাজি- বস্তি, ১০) লাচিত গাওঁ, ১১) ৰজাপুখুৰী চালুক পথাৰ, ১২) মাজগাওঁ, ১৩) জানজুৰি নাচন পাৰা , ১৪) চামুগুৰি সোনোৱাল গাওঁ,১৫) জয়পুৰ, ১৬) মধ্যমপুৰ, ১৭) জয়পুৰ, ১৮) জয়াপথাৰ, ১৯)পূৰ্ব পাভজান, ২০) নৱবেতনী, ২১) মিলন পথাৰ, ২২) জনতা পথাৰ, ২৩) বনগাঁও, ২৪) ২ নং সৰু পথাৰ, ২৫) আমপুৰি, ২৬) চুঙাজান মাজগাঁও, ২৭) হাতীমৰাজান,২৮) নৱমিলনপুৰ,২৯) শলৌপুৰি, ৩০) তৰানীগাঁও, ৩১)জৌতিবন, ৩২) ধনশিৰিপাৰী, ৩৩) ৰজা আলি, ৩৪) ৰায় পথাৰ, ৩৫) কছাৰীহোলা, ৩৬) ঠেঙালী পাচঘৰীয়া, ৩৭) ছাবিঘৰীয়া, ৩৮) পলাই শামুখজান, ৩৯) বিষ্ণুপুৰ শান্তিপুৰ, ৪০) দীঘলী সাধুবস্তি, ৪১) তিনিকুৰীয়া, ৪২) হুইছিং ঔগুৰি, ৪৩) আলিচিঙা গড় মুখ,৪৪) বিলগাঁও, ৪৫) তামুলীগাঁও, ৪৬) আমগুৰি বছাপথাৰ, ৪৭) লাংঠা, ৪৮) সৰু লাংঠা, ৪৯) নাহৰবাৰী, ৫০) খাৰুৱা, ৫১) খাৰুৱা কলীয়া পানী, ৫২) জালজুৰি, ৫৩) প্ৰেমহৰা, ৫৪)ঠেংৰাজান নাহৰনিচুৱা, ৫৫) বেবেজিয়া, ৫৬) বৰচাপৰি, ৫৭) যোৱহতীয়া, ৫৮) চাংপুল, ৫৯) বিলনী, ৬০) আলৌকুৱানী, ৬১) চাংপুল টেঙানী, ৬২) হৰ হৰীয়া, ৬৩) নাহৰ খনা।

শ্ৰী বিহন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, ব্যৱস্থাসমূহ 'খ' উত্তৰত বিতংভাৱে দেখুৱা হ'ল।

(খ) ১) বিষ্ণুপুৰ লক্ষীপথাৰ, ২) বৰদাস্তি, ৩) মাজগাঁও জাহাজী বস্তি, ৪) লাচিত গাঁও, ৫) চামুগুৰি সোনোৱাল গাঁও, ৬) টেঙানী পাচঘৰীয়া, ৭) চাৰিচঘৰীয়া, ৮) দীঘলী সাধুবস্তি, ৯) হুইছিং ঔগুৰি, ১০) আমগুৰি বচা পথাৰ, ১১) চাংপুল টেঙানী, ১২) নাহৰ খলা আদি গাঁওসমূহত পানী যোগানৰ ব্যৱস্থা ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে।

তদুপৰি ১) সোনাৰী ১, ২, ৩, ৪, ২) চিলনীজান, ৩) সোনাপুৰ, লক্ষীনগৰ, ৪) হালধিবাৰী, ৫) মাজগাঁও, ৬) জয়াপথাৰ, ৭) নৰ বেতনী, ৮) আমগুৰি, ৯) নৰ মিলনপুৰ, ১০) ব্যয়পথাৰ আদি গাঁওসমূহত খোৱা পানী যোগানৰ ব্যবস্থা ইতিমধ্যে লোৱা হৈছে।

১) বচাপথাৰ, ২) ধনশিৰিপাৰা, ৩) কছাৰী হোলা, ৪) তিনিকুৰীয়া, ৫) আলিচিঙা গড়মুখ, ৬) লাংঠা, ৭) সৰু লাংঠা, ৮) নাহৰবাৰী, ৯) জালজুৰি, ১০) বৰ-চাপৰি, ১১) যোৰহটীয়া, ১২) চাংপল, ১৩) হুহুৰীয়া আদি গাঁও সমূহত পানী যোগানৰ বাবে কাৰিকৰী অনুমোদন লাভ কৰা হৈছে আৰু অতি সোনকালেই প্রশাসনীয় অনুমোদন তথা পুঁজি সাপেক্ষে পানীযোগানৰ ব্যৱস্থা কার্য্যকৰীকৰণ কৰা হ'ব।

আনহাতে ১)চেইনপুৰ, ২) জয়পুৰ, ৩) ৰজা পুখুৰী ভালুকপথাৰ, ৪) মধ্যমপুৰ, ৫) পূৱ পাভজান, ৬) মিলন পথাৰ, ৭) বনগাঁও, ৮) জনতা পথাৰ, ৯) নং সৰু পথাৰ, ১০) চুঙাজান মাজগাঁও, ১১) হাতীমৰাজান, ১২) হলৌগুৰি, ১৩) তৰালিগাঁও, ১৪) জৌতিবন, ১৫) ৰজাআলী, ১৬) পলাই শামুকজান, ১৭) বিষ্ণুপুৰ শান্তিপুৰ, ১৮) বিলগাঁও,১৯) তামুলীগাঁও, ২০) খাৰুৰা, ২১) খাৰুৱা কলীয়া পানী, ২২) বেবেজীয়া, ২৩) প্রেমহৰা, ২৪) টেঙৰাজান নাহৰনি, ২৫) বিলনী, ২৬) আলৌকুৰনী আৰু জানজুৰি নাচনপাৰা গাৱঁত পর্য্যায়ক্রমে পুঁজি সাপেক্ষে পানী যোগানৰ ব্যৱস্থা হাতত লোৱা হ'ব।

বিষয় ঃ বীজ ফার্মৰ ভূমি সংৰক্ষণ।

মঃ ইলিয়াছ আলীয়ে সুধিছে ঃ

৭৩৮ । মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহেদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ দলগাওঁ ৰাজহ চক্রৰ অন্তর্গত ককালভাঙ্গি-যোগীগাওঁ, চক্রাগাওঁ আৰু নিজ দলগাওঁৰ কোন কোন দাগত কিমান বিঘা মাটি দলগাঁও বীজ ফার্মৰ (কৃষি বিভাগ) নামত সংৰক্ষণ কৰা হৈছে?

(খ) উক্ত মাটি কোন চনৰ পৰা সংৰক্ষণ কৰা হৈছে?
(সংৰক্ষিত মাটিৰ জৰীপৰ পূৰ্বৰ আৰু পিছৰ দাগ নং আৰু চিঠাৰ কপি সদনত দাখিল কৰিব।)

(গ) নিজ দলগাওঁ গাঁৱৰ জৰীপৰ পূৰ্বৰ ৫০৩ নং দাগ আৰু বৰ্ত্তমান নতুন ৬৬৪ নং দাগৰ চিঠা কপিৰ মন্তব্যৰ ঘৰত বীজ ফাৰ্মৰ (কৃষি বিভাগ) বুলি উল্লেখ আছেনে নাই? (জৰীপৰ পূৰ্বৰ আৰু বৰ্ত্তমানৰ চিঠা কপি সদনত দাখিল কৰিব।)

(ঘ) দলগাওঁ কুটি গাঁৱৰ ১নং,৩নং,৪নং,৫নং, আৰু ৯নং দাগত মুঠ মাটি-কালি কিমান, উক্ত মাটি বৰ্ত্তমানে কাৰ কাৰ দখলত আছে আৰু কিমান চনৰ পৰা দখল কৰি আছে? (বিতং তথ্য সদনত দাখিল কৰিব।)

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দূর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) দলগাওঁ ৰাজহ চক্রৰ অন্তর্গত ককালভাঙ্গি-যোগীগাওঁ, চক্রাগাওঁ আৰু নিজ দলগাওঁৰ দলগাওঁ বাজ ফার্মৰ নামত সংৰক্ষিত জমীৰ দাগ অনুযায়ী মাটিকালি তলত উল্লেখ কৰা হ'ল।

ক্রমিক নং	গাঁৱৰ নাম	দাগৰ নম্বৰ	জমীৰ পৰিমাণ (বিঘা - কঠা - লেচা)	মন্তব্য
(১)	ককালভাঙ্গি-যোগীগাওঁ	১৭৩	৩৭-২-৮	
		৪১৩	১৯-২-১	বর্ত্তমান চিঠাত সংৰক্ষণ নাই কিন্তু বীজ ফার্মৰ দখল আছে
		৪১৪	১৬-১-৭	
		৪১৫	৫২-০-১৭	
		৪১৬	১৮-১-১৯	

(২)	চক্রাগাওঁ	১	১৫৬-২-১৫	
		২	৩-২-১২	
		২৭	২৯-২-১৫	
		২৮	১-৩-২	
		১৫৭	২২০-৩-৩	
(৩)	নিজ দলগাওঁ	৬৬৪	১৭৬-১-২	
		৬৬৫	৩-২-০	
		৬৬৬	১১-৩-১০	
		৬৬৮	৩৮-০-৫	
		৪৫৭	৩৫-২-১০	
		৬৬৯	৭৩-১-১০	
		৬৬৭	০-৪-১৩	
		৪৫৬	৭-২-১৩	বর্ত্তমান চিঠাত সংৰক্ষণ নাই কিন্তু বীজ ফার্মৰ দখল আছে

(খ) সংৰক্ষণৰ সঠিক চন সম্প্রতি উপলব্ধ হোৱা নাই। কিন্তু ১৯৫৫ চনৰ নিজ দলগাওঁ গাঁৱৰ চিঠাত সংৰক্ষণৰ উল্লেখ আছে আৰু ককালভাঙ্গি, যোগীগাওঁ আৰু চক্রাগাওঁৰ ১৯৭৯ চনৰ ভূমিলেখ্য নথি মর্মে সংৰক্ষণ আছে। নিজ দলগাওঁৰ জৰীপৰ পূর্বৰ আৰু বর্ত্তমানৰ চিঠা পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হ'ল। ককালভাঙ্গি, যোগীগাওঁ আৰু চক্রা গাওঁৰ পুনৰ জৰীপৰ পূর্বৰ নথি সম্প্রতি উপলব্ধ নোহোৱা হেতু চিঠাৰ নকল দিব পৰা নগ'ল। বর্ত্তমানৰ চিঠা কপি দিয়া হৈছে।

(গ) জৰীপৰ পূৰ্বৰ ৫০৩ নং দাগত চিঠাত আন ৰিজাৰ্ভ চঃ খেঃ বিঃ (চৰকাৰী খেতি বিভাগ অৰ্থাৎ কৃষি বিভাগ) বুলি উল্লেখ আছে। পুৰনি ৫০৩ নং দাগৰ অংশ বৰ্ত্তমানৰ ৬৬৪ নং দাগৰ চিঠা কপিৰ মন্তব্যৰ ঘৰত আন ৰিজাৰ্ভ বুলি উল্লেখ আছে। উক্ত জমী বীজ ফার্মৰ দখলত আছে।

(ঘ) দলগাওঁ খুটি গাঁৱৰ ১,২,৩,৪,৫ আৰু ৯ নং দাগৰ সবিশেষ তলত দিয়া হ'ল -

দাগ নং	মাটিকালি (বিঘা-কঠা-লেচা)বিঘা	বৰ্ত্তমান অৱস্থা
১	৩১৭-০-২	৩১২ বিঘা ০ কঠা ২ লেচা আৰক্ষীৰ বাবে সংৰক্ষিত আৰু প্ৰায় ৫৭ বিঘা ব্যক্তিগত লোকৰ বেদখলত আছে ।
২	২-১-১৫	সংৰক্ষণ নাই, বেদখল মুক্ত
৩	৪-৩-৮	সংৰক্ষণ নাই, বেদখল মুক্ত
৪	১১-০-১	সংৰক্ষণ নাই, বেদখল মুক্ত
৫	১৪১-১-০	আৰক্ষীৰ বাবে সংৰক্ষিত যদিও কবৰস্থান, মছজিদ, ঈদগাহ, ই জি এচ বিদ্যালয় আৰু পঞ্চায়ত কার্য্যালয়ে ২৫ বিঘা মাটি বেদখল কৰি আছে ।
৯	৪০-০-০	হাটখলাৰ নামত সংৰক্ষিত আৰু বেদখলমুক্ত

বেদখলত থকা মাটিৰ বাহিৰে বাকী মাটিত আৰক্ষীয়ে পৰোক্ষ ৰূপত খেতি কৰি দখলত ৰাখিছে। বেদখলৰ সময়সীমা সম্পৰ্কে তদন্ত কৰি থকা হৈছে।

বিষয় ঃ আই টি আই সমূহত নাম ভর্ত্তিৰ ছাত্ৰ ছাত্ৰীৰ সংখ্যা।

শ্ৰী ৰানা গোস্বামীয়ে সুধিছে ঃ

৭৩৯। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২০০৯ বৰ্ষত অসমৰ সমূহ উদ্যোগিক প্রতিষ্ঠানসমূহত (I.T.I.) সর্ব্বমুঠ কিমানজন ছাত্র-ছাত্রীয়ে আবেদন জনাইছিল ? কোন কোন প্রতিষ্ঠানত (I.T.I.) কিমান কিমান জনে আবেদন জনাইছিল ? (পৃথকে পৃথকে দেখুৱাব।)

(খ) আবেদনকাৰী সকলৰ ভিতৰত কোন কোন I.T.I. ত কিমানজনে নাম ভর্ত্তিৰ সুবিধা পালে ?

(গ) অহা ২০১০ বৰ্ষত বিভিন্ন বি ভাগত আসম বৃদ্ধিৰ পৰিকল্পনা আছে নেকি ? যদি আছে, কোন প্রতিষ্ঠানত কিমান বৃদ্ধি হ'ব ?

শ্রী পৃথিৱী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সর্ব্বমুঠ ৫৬৯২৯ জন প্রার্থীয়ে আবেদন কৰিছিল। আই টি আইৰ বিপৰীতে প্রার্থীৰ সংখ্যা তলৰ তালিকাত দেখুৱা হল।

ক্র. নং	আই, টি, আইৰ নাম	আবেদন পত্রৰ সংখ্যা	ক্র. নং	আই, টি, আইৰ নাম	আবেদন পত্রৰ সংখ্যা
১	মৰিগাওঁ	৬৪	১৫	মাজুলী	১৯৭
২	ভেৰগাওঁ	১০১৫	১৬	যোৰহাট	১২৫৩৯
৩	তিনিচুকীয়া (মহিলা)	২৫২	১৭	কৰিমগঞ্জ	৩৮
৪	হাফলং	১২৬	১৮	হাইলাকান্দি	৮৭
৫	নলবাৰী	১০৪৩	১৯	দ ঃ শালমাৰা	২৩৬
৬	শিলচৰ (মহিলা)	২৯	২০	বঙাইগাওঁ	৪৮৫০
৭	শ্রীকোনা	৪০৮২	২১	ডিব্রুগড়	১৫১২
৮	ধনশিৰি	৪০১	২২	তিনিচুকীয়া	৫৩২৪
৯	ডিফু	৮৮৩	২৩	কোকৰাঝাৰ	৪৩৫
১০	বৰপেটা	১৯০৭	২৪	গুৱাহাটী (মহিলা)	১৭৪
১১	গড়গাওঁ	২২০৯	২৫	গুৱাহাটী	৮৫৬৫
১২	তেজপুৰ	৪১৮২	২৬	নগাওঁ	৫৭৪৫
১৩	ধেমাজী	৪১৮	২৭	উঃ লক্ষীমপুৰ	১১
১৪	মাজবাট (মহিলা)	১৯৬	২৮	গোৱালপাৰা	৪০৯

সর্ব্বমুঠ - ৫৬৯২৯

(খ) সৰ্ব্বমুঠ ৪০৬০ জনে নাম ভর্ত্তিৰ সুবিধা পালে। তলত I.T.I. সমূহতনামভর্ত্তিৰ সংখ্যা উল্লেখ কৰা হ'ল ।

(বন্ধনীৰ ভিতৰত মহিলা প্ৰাৰ্থী দেখুৱা হল)

মৰিগাওঁ	৫৬ (৯)	গড়গাওঁ	৮০	ডিব্রুগড়	১২৩
ভেৰগাওঁ	৮৪	তেজপুৰ	২২৪	তিনিচুকীয়া	২৫৩
তিনিচুকীয়া (ম)	৮৯	ধেমাজী	৬৮	কোকৰাঝাৰ	১২৬
হাফলং	৯৬	মাজবাট (মহিলা)	৬৮	গুৱাহাটী (ম)	৮৩
নলবাৰী	৮০ (২০)	মাজুলী	৬১	গুৱাহাটী	৩৯১
শিলচৰ (ম)	২৯ (১)	যোৰহাট	৮২৮	নগাওঁ	৩৭৬
শ্ৰীকোনা	৩২০	কৰিমগঞ্জ	১৯	উঃ লক্ষীমপুৰ	১১
ধনশিৰি	৪৮ (১)	হাইলাকান্দি	১৬	গোৱালপাৰা	২৬
ডিফু	১৪৭	দঃ শালমাৰা	৫৩		
ৰৰপেটা	১৩৮	বঙাইগাওঁ	১৪৩		

(গ) আছে। কোন প্ৰতিষ্ঠানত কিমান বৃদ্ধি হ'ব এতিয়ালৈকে নিৰ্দ্ধাৰিত হোৱা নাই।

বিষয় ঃ শিৱসাগৰ জিলাৰ স্লুইচ গেট।

শ্ৰী প্ৰদীপ হাজৰিকাই সুধিছে ঃ

৭৪০ । মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) শিৱসাগৰ জিলাত দিহং, দিচাং, দিখৌ, জাঁজীকে লৈ মুঠ কিমানখন Sluice Gate আছে।

(খ) এই Sluice Gate বিলাক যি উদ্দেশ্যে দিয়া হৈছে সেই উদ্দেশ্যে কিমান সফল হৈছে?

(গ) শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ মিটং নৈত থকা ৰঙাগড়া Sluice Gate খন বৰ্ত্তমান কেনে অৱস্থাত আছে?

(ঘ) এই Sluice Gate খন অতিশীঘ্ৰে পুনৰ নতুনকৈ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰী পৃথিৱী মাঝি (জলসম্পদ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) শিৱসাগৰ জিলাত জলসম্পদ বিভাগৰ অন্তৰ্গত দিহিং, দিচাং, দিখৌ, জাঁজীলৈ সৰু ডাঙৰ সৰ্ব্বমুঠ ৯২ টা Sluice Culvert আছে। তাৰে ৭ টা ডাঙৰ Sluice Culvert আৰু ৮৫ টা সৰু Sluice Culvert.

(খ) এই Sluice Culvert (Gate) বিলাকৰ পৰা জনসাধাৰণ উপকৃত হোৱা দেখা গৈছে।

(গ) ৰঙাগড়া Sluice Gate খন কিছু অংশ বেয়া হৈছিল আৰু বৰ্ত্তমান জলসম্পদ বিভাগৰ তৰফৰ পৰা ইয়াক মেৰামতি কৰি থকা হৈছে আৰু মাৰ্চ মাহৰ ভিতৰতে এই Sluice Gate খন কাৰ্য্যক্ষম হৈ উঠিব বুলি আশা কৰা হৈছে।

(ঘ) এই Sluice Gate খন ইতিমধ্যে মেৰামতি কৰি কাৰ্য্যক্ষম কৰি তোলাৰ ব্যৱস্থা কৰা হৈছে।

বিষয় ঃ খহনীয়া/বান প্ৰতিবোধ আঁচনি।

শ্ৰী আব্দুল হাই নাগৰিয়ে সুধিছে ঃ

৭৪১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বঙাইগাওঁ জিলাৰ অভয়াপুৰী উত্তৰ দক্ষিণ বিধান সভা সমষ্টিৰ অৰ্ন্তগত ক্ৰমে হুৰামাৰ-জৰাগুৰি-বটগুৰি আৰু ডুমৰগুৰি-সন্দোষপুৰ গাঁওসমূহত আই নদীৰ বান তথা খহনীয়াই বিভীষিকা সৃষ্টি কৰাৰ কথা চৰকাৰৰ জ্ঞাতনে?

(খ) আই নদীৰ উক্ত বান/খহনীয়াত ক্ষতিগ্ৰস্ত অঞ্চল ৰাজহ আৰু দুৰ্য্যোগ প্ৰশাসন বিভাগৰ মাননীয় মন্ত্ৰী ডাঃ ভুমিধৰ বৰ্মন ডাঙৰীয়াই পৰিদৰ্শন কৰি বঙাইগাঁও জিলা উপায়ুক্তৰ দ্বাৰা Calamitic Relief Fund (C.R.F.) আঁচনিৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে নেকি ?

(গ) ৰাজহ আৰু দুর্য্যোগ প্রশমন বিভাগে বিষয়টোৰ গুৰুত্ব বুজি আঁচনিৰ প্রস্তাৱ গ্রহণ কৰি অর্থ যোগান ধৰিবলৈ প্রস্তুত থকা অৱস্থাত চৰকাৰে উক্ত বান/খহনীয়া প্রতিৰোধ আঁচনিৰ গ্রহণ নকৰাৰ কাৰণ কি?

(ঘ) উক্ত আঁচনি চৰকাৰে গ্রহণ কৰি কার্য্যকৰী কৰিবনে?

(ঙ) যদি কৰে, তেন্তে কেতিয়া কৰিব?

শ্রী পৃথিবী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

(খ) হয়, গ্রহণ কৰিছে।

(গ) ৰাজহ আৰু দুর্য্যোগ প্রশাসন বিভাগে আঁচনি ৰূপায়ণ কৰিবৰ বাবে অর্থ যোগান ধৰিবলৈ প্রস্তুত হোৱা কথা এই বিভাগ অৱগত নহয়। বান/খহনীয়া প্রতিৰোধৰ বাবে ৪ খন আঁচনি যুগুত কৰা হৈছে।

(ঘ) উক্ত আঁচনি ৪ খনৰ ভিতৰত ২ খন আঁচনিৰ বাবদ ৰাজহ বিভাগৰ পৰা অনুমোদন পোৱা হৈছে। অন্য ২ খন আঁচনি বিবেচনাধীন হৈ আছে।

(ঙ) ৰাজহ বিভাগৰ পৰা অনুমোদন পালে আঁচনিৰ কাম হাতত ল'ব পৰা যাব।

বিষয় ঃ সম্পূর্ণ অনাময় আঁচনি।

শ্রী কেশব মহন্তই সুধিছে ঃ

৭৪২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সম্পূর্ণ অনাময় ব্যৱহাৰৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা যোৱা বিত্তীয় বর্ষ সমূহত কিমান টকা পোৱা হৈছে? (জিলা ভিত্তিত বর্ষ অনুযায়ী তথ্য দিব।)

(খ) কলিয়াবৰ বিধান সভা সমষ্টিৰ কলিয়াবৰ আৰু পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ পঞ্চায়তসমূহত কিমান টকা আৱন্টন দিয়া হৈছে?
(পঞ্চায়ত অনুযায়ী আৱন্টন দিয়া টকাৰ পৰিমানসহ বিতং তথ্য দিব।)

(গ) এই উন্নয়ন খণ্ড দুটাৰ পঞ্চায়ত সমূহত কিমান সংখ্যক ব্যক্তিৰ ঘৰত অনাময় ব্যৱস্থা নাই আৰু ইয়াৰে কিমান সংখ্যকক ইতিমধ্যে এই সুবিধা প্রদান কৰা হৈছে? (পঞ্চায়ত্ গাঁও আৰু নামসহ বিতং তথ্য দিব।)

(ঘ) এই উন্নয়ন খণ্ড দুটাৰ বাকী থকা ব্যক্তিসকলক কেতিয়া এই সুবিধা প্রদান কৰা হ'ব?

শ্রী বিহন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) যোৱা বিত্তীয় বর্ষ সমূহত সম্পূর্ণ অনাময় আঁচনিৰ অধীনত কেন্দ্রীয় চৰকাৰৰ দ্বাৰা আৱন্টিত ধনৰ জিলা ভিত্তিক তালিকা Annexure - 'A' সংযোজিত কৰা হ'ল। (See Annexure - XXIV)

(খ) কলিয়াবৰ বিধান সভা সমষ্টিৰ কলিয়াবৰ আৰু পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ বিভিন্ন গাঁও পঞ্চায়তত নিম্নলিখিত তালিকা অনুসৰি টকা আৱন্টন দিয়া হৈছে।

উন্নয়ন খণ্ড ঃ কলিয়াবৰ	
গাঁও পঞ্চায়ত	আৱন্টিত ধন (টকা লাখৰ হিচাবত)
১) উত্তৰ পশ্চিম পূৰথৰীয়া গাঁও পঞ্চায়ত	৭.৯৬
২) উত্তৰ পূৰথৰীয়া গাঁও পঞ্চায়ত	০.৩৯
৩) জখলাবন্ধা গাঁও পঞ্চায়ত	৩.৬৬
৪) মাজ পূৰথৰীয়া গাঁও পঞ্চায়ত	৮.৯৫
৫) কুৰৰীটোল গাঁও পঞ্চায়ত	১২.৯২
৬) হাটবৰ গাঁও পঞ্চায়ত	৫.৬৫

উন্নয়ন খণ্ডঃ পশ্চিম কলিয়াবৰ গাঁও পঞ্চায়ত	আৱন্টিত ধন (টকা লাখৰ হিচাবত)
১) ববঘুলি গাঁও পঞ্চায়ত	৯.৩৯
২) হাতী গাঁও বাগিচা গাঁও পঞ্চায়ত	১.৮০
৩) ৰহতলা গাঁও পঞ্চায়ত	৪.৪১
৪) কঠালগুৰি গাঁও পঞ্চায়ত	০.৭৪

(গ) কলিয়াবৰ বিধান সভা সমষ্টিৰ অন্তর্গত –

১) কলিয়াবৰ উন্নয়ন খণ্ডৰ অধীনত গাঁও পঞ্চায়ত সমূহত দৰিদ্ৰ সীমাৰেখাৰ তলৰ ব্যক্তিৰ ঘৰত ১৪,০৮০ সংখ্যকৰ অনাময় ব্যৱস্থা নাই আৰু তাৰে ২৯৭০ সংখ্যকক ইতিমধ্যে এই সুবিধা প্রদান কৰা হৈছে। পঞ্চায়ত, গাওঁ আৰু নামসহ বিতং তালিকা Annexure - 'B' ত সংলগ্ন কৰা হ'ল।

২) পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ অধীনৰ গাওঁ পঞ্চায়ত সমূহত দৰিদ্ৰ সীমাৰেখাৰ তলৰ ব্যক্তিৰ ঘৰত ১৭,৪৮০ সংখ্যকৰ অনাময় ব্যৱস্থা নাই আৰু তাৰে ১১৮৪ সংখ্যকক ইতিমধ্যে এই সুবিধা প্রদান কৰা হৈছে। পঞ্চায়ত, গাওঁ আৰু নাম সহ বিতং তালিকা Annexure - 'B' সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure - XXV)

(ঘ) কলিয়াবৰ বিধান সভা সমষ্টিৰ অন্তর্গত কলিয়াবৰ আৰু পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ড দুটাৰ অন্তর্গত বাকী থকা ব্যক্তি সকলক ২০১২ চনৰ ভিতৰত পর্য্যায়ক্রমে এই সুবিধা প্রদানৰ ব্যৱস্থালোৱা হৈছে।

বিষয় ঃ উন্নয়ন প্রাধিকৰণ।
শ্রী অনন্ত ডেকাই সুধিছে ঃ

৭৪৩। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত কিমানটা উন্নয়ন প্রাধিকৰণ (Development Authority) আছে?

(খ) উক্ত প্রাধিকৰণসমূহত কিমানজন শ্রমিক কর্মচাৰী নিযুক্ত হৈ আছে?

(গ) উন্নয়ন প্রাধিকৰণসমূহৰ অধীনত কর্মৰত কর্মচাৰী সকলে নিয়মিত ৰূপত দৰমহা পাই আছেনে? যদি পোৱা নাই, দৰমহা নিয়মীয়া কৰাৰ কাৰনে ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্রহন কৰিছে?

(ঘ) উন্নয়ন প্রাধিকৰণৰ অধীনত কর্মৰত কর্মচাৰীসকলৰ সেৱা বিধি (Servic Rule)কেতিয়াকৈ প্রস্তুত কৰি উলিয়াব?

(ঙ) ৰাজ্য উন্নয়ন প্রাধিকৰণ সমূহ সবলী কৰণৰ বাবে চৰকাৰৰ কিবা আঁচনি আছেনে?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ৰাজ্যখনত মুঠ ২৪ টা উন্নয়ন প্রাধিকৰণ আছে।

(খ) উক্ত প্রাধিকৰণসমূহত মুঠ ৩১৩ জন শ্রমিক কর্মচাৰী নিযুক্ত হৈ আছে।

(গ) উন্নয়ন প্রাধিকৰণসমূহৰ অধীনত কর্মৰত কর্মচাৰী সকলে মাহিলী দৰমহা প্রাধিকৰণে নির্দ্ধাৰনকৰা অনুসৰি নিয়মিত ভাবে পাই আছে।

(ঘ) বিবেচনাধীন হৈ আছে।

(ঙ) হয়, আছে। উন্নয়ন প্রাধিকৰণসমূহ সবলীকৰন কৰাৰ বাবে বছৰত এবাৰকৈ ৰাজ্যিক পৰিকল্পনা শিতানৰ পৰা অনুদান (Grants-in-aid) আগবঢ়োৱা হয় আৰু অসম জিলা ও নগৰ উন্নয়নৰ নিয়ম অনুসৰি বিভিন্ন সময়ত উন্নয়ন প্রাধিকৰন সমূহৰ কাম কাজৰ বাবে অনুদান,আগধন আৰু ঋণ আদি দিয়াৰ বাবে চৰকাৰৰ আঁচনি আছে।

বিষয় ঃ পানী যোগান আঁচনি।

শ্রী বামেশ্বৰ তেলীয়ে সুধিছে ঃ

৭৪৪ । মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গুৱাহাটী এক নং সংমণ্ডলত নির্মীয়মান অৱস্থাত কিমানটা পানী যোগান আছে?

(খ) ২০০৬ চনৰ পৰা ২০০৯ চনলৈ উক্ত সংমণ্ডলত কিমানটা পানী যোগান আঁচনি সম্পূর্ণ হৈছে? সেইসমূহ আঁচনিৰ বিপৰীতে কিমান টকা খৰচ হৈছে?

উক্ত টকাৰ কিমান শতাংশ আঁচনি নির্মানত আৰু কিমান শতাংশ সামগ্রী যোগানৰ বাবে খৰচ হৈছে? পানী যোগান আঁচনিৰ নাম অনুসৰি উক্ত খৰচৰ পৰিমান জনাবনে?

(গ) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ধুবুৰী সংমণ্ডলত নির্মীয়মান অৱস্থাত কিমানটা পানী যোগান আঁচনি আছে?

(ঘ) ২০০৬ চনৰ পৰা ২০০৯ চনলৈ উক্ত সংমণ্ডলত ('গ' প্রশ্নৰ) কিমানটা পানী যোগান আঁচনি সম্পূর্ণ হৈছে? সেইসমূহ আঁচনিৰ বিপৰীতে কিমান টকা খৰছ হৈছে?

(ঙ) উক্ত টকাৰ কিমান শতাংশ আঁচনি নির্মানত আৰু কিমান শতাংশ সামগ্রী যোগানৰ বাবে খৰছ হৈছে? (পানী যোগান আঁচনিৰ নাম অনুসাৰে উক্ত খৰছ জনাব।)

শ্রী দীনেশ প্রসাদগোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গুৱাহাটী এক নং সংমণ্ডলৰ অধীনত বর্তমান ৮৪ খন পাইপ পানী যোগান আঁচনি নির্মীয়মান অৱস্থাত আছে?

(খ) ২০০৬-০৭ ৰপৰা ২০০৮-০৯ চনলৈ গুৱাহাটী এক নং সংমণ্ডলৰ অধীনত ৬৬ খন পানী যোগান আঁচনি সম্পূর্ণ হৈছে। সেই সমূহ আঁচনিৰ বিপৰীতে মুঠ ৩২৯৪.১১ লাখ টকা খৰচ হৈছে। উক্ত টকাৰ গড় হিচাপত ৭৬.৯৯ % আঁচনি নির্মাণত আৰু ২০.০১ % সামগ্রী যোগানৰ বাবে খৰচ হৈছে। পাইপ পানী যোগান আঁচনিৰ নাম অনুসৰি উক্ত খৰচৰ পৰিমান Annexure-'A', (See Annexure-XXVI) ত সংলগ্ন কৰা হ'ল। লগতে ২২৫৪ Spot Sources টা ৬৬২.০৯ টকা খৰচেৰে বহুৱা হৈছে। ইয়াৰ ৭৭.৪৩ % গড়ে নির্মানত আৰু ২২.৫৭ % সামগ্রী যোগান বাবদ । (See Annexure - XXVI)

(গ) ধুবুৰী সংমণ্ডলৰ অধীনত মুঠ ১৮ টা পাইপ পানী যোগান আঁচনি বর্তমান নির্মীয়মান অৱস্থাত আছে। ১৯৫ টা Spot Source আৰু ১৩৫ টা Iron Removal Plant নির্মিয়মান অৱস্থাত আছে।

(ঘ) ২০০৬ চনৰ পৰা ২০০৯ চনলৈ উক্ত সংমণ্ডলত ('গ' প্ৰশ্নৰ) কোনো পাইপ পানী যোগান আঁচনি সম্পূৰ্ণ হোৱা নাই । নিৰ্মীয়মান অৱস্থাত থকা আঁচনি সমূহৰ বিপৰীতে মুঠ ৯৪.৯১৪ লাখ টকা বৰ্তমানলৈ খৰচ হৈছে। ২৯৩৭ টা Spot Sources আৰু ৬৩৫ টা Iron Removal Plant বহুৱা হৈছে আৰু তাৰে মুঠ খৰচ ৪৯৯.৩৮ লাখ টকা।

(ঙ) উক্ত টকাৰ ৪১.৮৬% গড়ে আঁচনি নিৰ্মানত আৰু ৫৮.১৪% গড়ে সামগ্ৰী যোগানৰ বাবে খৰচ হৈছে। পাইপ পানী যোগান আঁচনিৰ নাম অনুসাৰে উক্ত খৰচ Annexure-B ত সংলগ্ন কৰা হ'ল। Spot Source ৰ বাবদ খৰছৰ ৬৪.৩৪ % গড়ে নিৰ্মানত আৰু ৩৫.৬৬ % গড়ে সামগ্ৰী যোগানৰ বাবদ খৰচ হৈছে। (See Annexure-XXVII)

বিষয় ঃ মদৰ দোকানৰ অনুজ্ঞাপত্ৰ।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

৭৪৫ । মাননীয় আৰকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমান দেশীয় সুৰা আৰু বিলাতী সদৰ দোকানৰ সংখ্যা কিমান?

(খ) ২০০৬-০৭,২০০৭-০৮,২০০৮-০৯ আৰু ২০০৯ চনৰ পৰা এতিয়ালৈকে কিমান ৰাজহ সংগ্ৰহ হ'ল?

(গ) গুৱাহাটী মহানগৰীত এতিয়ালৈকে কিমানখন দেশীয় সুৰা আৰু বিলাতী মদৰ দোকানৰ অনুজ্ঞাপত্ৰ দিয়া হ'ল?২০০-০৮, ২০০৮-০৯ আৰু ২০০৯ চনৰ পৰা বৰ্তমানলৈকে চৰকাৰে নতুন দেশীয় সুৰা আৰু বিলাতী মদৰ দোকানৰ অনুজ্ঞাপত্ৰ দিছে নেকি? যদি দিছে, কি নীতিৰ আধাৰত দিয়া হৈছে জনাবনে?(তালিকা সদনৰ মেজত দাখিল কৰিব।)

(ঘ) উক্ত বছৰ কেইটাত গুৱাহাটী মহানগৰীত দেশীয় সুৰা আৰু বিলাতী মদৰ দোকান সমূহৰ পৰা কিমান ৰাজহ সংগ্ৰহ হ'ল?

শ্রী গৌতম বয় (আবকাৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) অসমত বর্তমান দেশীয় সুৰা আৰু বিলাতী মদৰ দোকানৰ সংখ্যা ত ল ত দেখুওৱা ধৰণৰ ঃ

দেশীয় সুৰাৰ দোকানৰ সংখ্যা -- ৩৪১ খন।
বিলাতী মদৰ দোকানৰ সংখ্যা -- ১৬৮৭ খন।

(খ) উপৰোক্ত বর্ষ সমূহৰ পৰা বিলাতী আৰু দেশীয় সুৰাৰ পৰা সংগ্রহ হোৱা ৰাজহৰ পৰিমাণ তলতদেখুওৱা হ'লঃ

বছৰ	বিলাতী সুৰাৰ পৰা পোৱা ৰাজহ	দেশীয় মদৰ পৰা পোৱা ৰাজহ	মুঠ ৰাজহ সংগ্রহৰ পৰিমাণ
২০০৬ - ০৭	১৬৭.০৬ কৌটি টকা	+ ১১.০৭ কৌটি টকা	১৭৮.১৩ কৌটি টকা
২০০৭ - ০৮	১৮১.১৫ " "	+ ১০.০৭ " "	১৯১.২২ " "
২০০৮- ০৯	১৯১.১২ " "	+ ১০.৩৫ " "	২০১.৪৭ " "
২০০৯ -১০ (ফেব্রুৱাৰী লৈকে)	১৯৮.৩৯ " "	+ ৯.৯৮ " "	২০৮.৩৭ " "

(গ) গুৱাহাটী মহানগৰীত এতিয়ালৈকে মুঠ খন দেশীয় সুৰা আৰু খন বিলাতী সদৰ দোকানৰ অনুজ্ঞাপত্র দিয়া হৈছে। ২০০৭-০৮,২০০৮-০৯ আৰু ২০০৯ ১০ (ফেব্রুৱাৰী, ২০১০ লৈকে) গুৱাহাটী মহানগৰীত তলত দিয়া ধৰণে বিলাতী মদৰ দোকানৰ (IMFl 'ON') অনুজ্ঞাপত্র দিয়া হৈছে ঃ

বছৰ		বিলাতী মদৰ দোকান
২০০৭ - ০৮	—	১৭ খন
২০০৮ - ০৯	—	১১ খন
২০০৯ - ১০	—	৮ খন (ফেব্রুৱাৰী লৈকে)

চৰকাৰে ২০০০ চনতে গুৱাহাটী মহানগৰীত মুঠ ১৩ খন দেশীয় সুৰাৰ মদৰ দোকানৰ অনুমোদন জনাইঠিল। উক্ত দেশীয় সুৰাৰ দোকানবোৰ

প্রতি তিনি বছৰৰ মুৰে মুৰে নিবিদা আহবান কৰি অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা কৰা হয়। অহা তিনি বছৰৰ (২০১০-২০১৩) বাবে ০১/৪/২০১০ তাৰিখৰ পৰা প্ৰযোজ্য হোৱাকৈ যোৱা ফেব্ৰুৱাৰী ২০১০ মাহত গুৱাহাটী মহানগৰীত মুঠ ১৩ খন দেশীয় মদৰ দোকানৰ নিবিদাকাৰীক অনুজ্ঞাপত্ৰ দিয়া হয়।

৪২৭ খন বিদেশী সুৰাৰ মদৰ আৰু ১৩ খন দেশীয় সুৰাৰ মদৰ অনুজ্ঞাপত্ৰধাৰী সকলৰ নামৰ তালিকা 'ক' আৰু 'খ' ত দিয়া হ'ল।

১৯৪৫ চনৰ অসম আৱকাৰী বিধি আৰু ২০০৬ চনৰ (সংশোধিত) অসম আৱকাৰী বিধিৰ অধীনত দেশীয় সুৰা আৰু বিলাতী সদৰ দোকানৰ অনুজ্ঞাপত্ৰ দিয়া হয়।

(ঘ) উক্ত বছৰ কেইটাত গুৱাহাটী মহানগৰীত থকা দেশীয় সুৰা আৰু বিলাতী মদৰ দোকান সমূহৰ পৰা সংগ্ৰহ হোৱা ৰাজহৰ পৰিমাণ তলত দিয়া ধৰণৰ ঃ

বছৰ	বিলাতী সুৰাৰ পৰা পোৱা ৰাজহ		দেশীয় মদৰ পৰা পোৱা ৰাজহ		মুঠ ৰাজহ সংগ্ৰহৰ পৰিমাণ
২০০৬-০৭	৩৬৮৮৩০৮২১ টকা	+	২৫৫০০১৫ টকা	=	৩৭১৩৮০৮৩৬ টকা
২০০৭-০৮	৩৮৬৩৩৪৪০৪ "	+	২৪৩৫৮২৮ "	=	৩৮৮৭৭০২৩২ "
২০০৮-০৯	৪১০৮৭১৬৪০ "	+	১৮৪৭২০৮ "	=	৪১২৭১৮৮৪৮ "
২০০৯-১০	৩৮০০৭৮৮৪২ "	+	৮২৬২৮০২ "	=	৩৮৮৩৪১৬৪৪ "

(ফেব্ৰুৱাৰী লৈকে)

বিষয় ঃ সীমান্ত উন্নয়ন বিভাগৰ আঁচনি।

মো ঃ মহিবুলহকে সুধিছে ঃ

৭৪৬। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত ৰূপচী ব্লকৰ ২০০৫-০৬ বিত্তীয় বছৰৰ আঁচনি "Construction of road from Dumardah Gasbari to Burir Marai village via Dhaka Bill ৰ কোনো

কাম হোৱা নাই। অথচ ৮/১২/২০০৯ তাৰিখে Short notice Quesion No. 6 মতে কাম সম্পূৰ্ণ হৈছে বুলি অসত্য উত্তৰ সদনৰ মজিয়াত দাখিল কৰাৰ ৰহস্য কি?

(খ) উক্ত প্ৰশ্নৰ উত্তৰত স্বীকাৰ কৰা মতে ২০০৫-০৬ তথা ৬ বছৰ ধৰি অসম্পূৰ্ণ হৈ থকা "Construction of footbridge at Sonahat under Mowamari village"ৰ মাত্ৰ ৫.৬০ লাখ টকাৰ ব্যয়ৰ আঁচনিখন সম্পূৰ্ণ হওঁতে চৰকাৰক আৰু কিমান বছৰৰ প্ৰয়োজন হ'ব?

(গ) উপৰোক্ত তাকৰীয়া প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা মতে ২০০৬-০৭ চনৰ পৰা অসম্পূৰ্ণ হৈ থকা তিনিটা আঁচনিৰ কাম সুদীৰ্ঘ ৩ - ৩ ১/২ বছৰ অতিক্ৰম হৈ যোৱাৰ পিছত আৰু কিমান বছৰ পিছত চৰকাৰে কাম আৰম্ভ কৰিবলৈ সক্ষম হ'ব তাৰ এক প্ৰতিশ্ৰুতি সদনত দিবনে?

(ঘ) অনুৰূপ ভাবে ২০০৭-০৮,২০০৮-০৯ আৰু ২০০৯-১০ ৰ আঁচনিসমূহ কেতিয়াৰ ভিতৰত সম্পূৰ্ণ কৰি তুলিব তাৰ এক নিৰ্দ্দিষ্ট প্ৰতিশ্ৰুতি সদনক দিবনে?

(ঙ) দৰাচলতে সীমান্ত উন্নয়ন বিভাগৰ আঁচনি সমূহ ৰূপায়ণ তথা কাম সম্পূৰ্ণ কৰাৰ কিবা নিৰ্দ্দিষ্ট নিয়ম-নীতি আৰু দায়বদ্ধতা আছেনে?

(চ) এই বিভাগৰ আঁচনি সমূহ ৰূপায়ণ কৰা সংক্ৰান্তত উদাসীনতাই গা কৰি উঠিছে বুলি উত্থাপিত ৰাজহুৱা অভিযোগ সম্পৰ্কে চৰকাৰৰ অভিমত কি?

শ্ৰী গৌতম ৰয়ে (সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী) উত্তৰ দিছেঃ

(ক) গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত ৰূপাচী ব্লকৰ ২০০৫-০৬ বিত্তীয় বৰ্ষত অনুমোদিত আঁচনি "Constitution of road from Dumardah Gasbarito Burirmarai Village via Dhaka Bill" ৰ কাম ধুবুৰী গড়কাপ্তানী গ্ৰামীন সংমণ্ডলৰ দ্বাৰা ৰূপায়িত কৰি ২১/৭/২০০৯ তাৰিখে সম্পূৰ্ণ কৰা হয়। গতিকে অসত্য উত্তৰ সদনৰ মজিয়াত দাখিল কৰাৰ প্ৰশ্ন নুঠে। তথাপি মাননীয় সদস্যৰপ্ৰশ্নৰ আধাৰত সীমান্ত অঞ্চলৰ সঞ্চালকক এই সন্দৰ্ভত চৰজমিন তদন্ত ক্ৰমে চৰকাৰক পুনৰ প্ৰতিবেদন দাখিল কৰিব কোৱা হৈছে।

(খ) ২০০৫-০৬ বর্ষত সীমান্ত অঞ্চল উন্নয়ণ আঁচনিৰ অধীনত অনুমোদিত আঁচনি "Constructionof Footbridge at Sonahat under Muwamari Village" আঁচনিখনৰ ৬০% কাম শেষ হোৱাৰ পৰিপ্রেক্ষিতত বাকী ৪০% পূঁজি ইতিমধ্যে মোকলাই দিয়া হৈছে। পুঁজিৰ ব্যৱহাৰৰ প্রমাণ পত্র সময়ত দাখিল নকৰাৰ পৰিপ্রেক্ষিতত পুঁজিৰ মোকলাই দিয়াত বিলম্ব হৈছিল।

(গ) অসম্পূর্ণ হৈ থকা তিনিটা আঁচনিৰ ভিতৰত ১) "Construction of link road from Bhogdonga PWD road to Faiskarkuti near BOP Kedar with 2 links via Culvert" নামৰ আঁচনিখন কানুৰী ডিমাকুচি ৰাস্তা বানপানীয়ে সম্পূর্ণভাৱে উঠুৰাই নিয়াৰ বাবে আৰু বিকল্প ৰাস্তা বর্তমানলৈকে হৈ নুঠাৰ বাবে কার্য্যকৰী কৰাত বিলম্ব হৈছে। তথাপিতো এই আঁচনিৰ ৮০% কাম সম্পূর্ণ হৈছে। ২) "Construction of RCC culvert on Faiskarkuti Road" নামৰ আঁচনিখনৰ নির্মাণ কার্য্য বিশেষ পৰিস্থিতিত বাধাপ্রাপ্ত হোৱাত উপায়ুক্তৰ পৰা পুনৰ সংশোধিত প্রাক্কলন পোৱা হৈছে আৰু শীঘ্রেই অনুমোদনৰ বাবে বিহিত ব্যৱস্থা লৈ থকা হৈছে। ৩) "Installation of RCC Ringwell fitted with Tara Hand Pump in Rupshi dev. Block" নামৰ আঁচনিখনৰ কাম ইতিমধ্যে ৬০% সম্পূর্ণ হৈছে আৰু পুঁজি ব্যৱহাৰৰ প্রমাণ পত্র পালেই বাকী থকা পুঁজি মোকলাই দিয়া হ'ব।

(ঘ) ২০০৭-০৮, ২০০৮-০৯ আৰু ২০০৯-১০ বর্ষৰ বাবে অনুমোদিত আঁচনি সমূহৰ বাবে নির্দ্ধাৰিত পুঁজি ইতিমধ্যেই কিস্তি অনুযায়ী মোকলাই দিয়া হৈছে। আঁচনি সমূহ কেতিয়া সম্পূর্ণ কৰিব পৰা হ'ব তাৰ এটা নির্দিষ্ট প্রতিশ্রুতি দিব পৰা নাযায়। কিছু বাধ্যতামূলক প্রণালীৰ মাজেদিহে পুঁজি মোকলাই দিয়া ব্যৱস্থা মানি চলা হয় আৰু তাৎক্ষণিকভাবে আঁচনি সমূহ কার্যকৰী কৰাত কিছু অন্তৰায় থাকে বাবে ক্ষীপ্রতাৰে আঁচনি সমূহ সম্পাদন কৰাত কিছু বাধা আহে।

(ঙ) সীমান্ত উন্নয়ণ বিভাগৰ আঁচনি সমূহ ৰূপায়ণ কৰা তথা কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ে ১৯/২/২০০৯ তাৰিখে DO ২/৩/২০০৮ BADP ক্ৰমে জাৰি কৰা নিৰ্দ্দেশাৱলী মানি চলা হয়। এই নিৰ্দ্দেশাৱলীৰ মতে যি বিত্তীয় বৰ্ষত কেন্দ্ৰীয় সাহাৰ্য্যৰ টকা মোকলাই দিয়া হয় তাৰ তাৎক্ষণিক পূৰ্ববৰ্ষৰ ৫০% আৰু আগৰ বছৰৰ ১০০% পুঁজি ব্যয় হোৱাতো বাঞ্ছনীয়। বৰ্তমানেপুঁজি মোকলাই দিয়াৰ ক্ষেত্ৰত থকা পদ্ধতিবোৰৰ বাবে আঁচনি সমূহ ভৱিষ্যতে ৰূপায়ণ কৰাত যাতে সময়ৰ অপব্যয় নহয় তাৰ বাবে সীমান্ত বিভাগে OM নং বিডি ১৩৪/২০০৪/২৫০ তাৰিখ ২৩/২/২০১০ জৰিয়তে কার্যব্যৱস্থা লৈ প্ৰণালীবোৰ ত্ৱৰান্বিত আৰু সহজ কৰিবলৈ চেষ্টা কৰা হৈছে। এই OM ৰ দ্বাৰা সংযোজিত পুঁজিৰ ৫০% আগধন হিচাবে মোকলাই দিয়াৰ ব্যৱস্থা কৰা হৈছে, যাতে সংশ্লিষ্ট উপায়ুক্ত সকলে শীঘ্ৰে আঁচনি সমূহ কার্য্যকৰি কৰিব পাৰে।

(চ) ৰাজহুৱা অভিযোগ পালে চৰকাৰে তাৎক্ষণিকভাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

বিষয় ঃ চৰকাৰী গাওঁবুঢ়া।

শ্ৰী দুৰ্গা ভূমিজে সুধিছে ঃ

৭৪৭ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত কিমান ৰাজহ গাওঁ আছে? বৰ্তমান অসমত কিমান গাওঁবুঢ়া আছে? প্ৰতিখন ৰাজহ গাওঁ বিপৰীতে একোজন গাওঁবুঢ়া নিয়ুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(খ) যদি কৰিছে , তেন্তে তিনিচুকীয়া জিলাত গাওঁবুঢ়া নিযুক্তি নিদিয়াৰ কাৰণ কি? বৰ্তমানলৈ তিনিচুকীয়া জিলাৰ কিমান গাওঁবুঢ়া নিযুক্তি দিয়া হ'ল? (তথ্য সহকাৰে সদনৰ মজিয়াত দাখিল কৰিব।)

(গ) গাওঁবুঢ়া বাবে ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত গাওঁবোৰত কোনোবাই আবেদন কৰিছেনে?

(ঘ) যদি কৰিছে, আবেদনকাৰীৰ নামৰ তালিকাৰ সৈতে উল্লেখ কৰিবনে ?লতেওঁলোকৰ এতিয়ালৈ নিযুক্তি নোহোৱাৰ কাৰণ তথ্য সহকাৰে সদনৰ মেজত দাখিল কৰিবনে ?

(ঙ) গাওঁবুঢ়া সকলৰ পাৰিশ্রমিক বৃদ্ধিৰ কথা চৰকাৰে বিবেচনা কৰিছেনে ? যদি কৰিছে, কার্য্যকৰী কেতিয়াৰ পৰা কৰা হ'ব ?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত ২১,৮৩২ খন ৰাজহ গাওঁ আছে। বর্তমান অসমত ৫,৭৬৪ জন গাওঁবুঢ়া আছে। প্রতিখন ৰাজহ গাওঁৰ বিপৰীতে একোজন গাওঁবুঢ়া নিযুক্তিৰ ব্যৱস্থা গ্রহণ কৰা হোৱা নাই। লাট হিচাবেহে গাওঁবুঢ়া নিযুক্তি দিয়া হয়।

(খ) তিনিচুকীয়া জিলাত গাওঁবুঢ়া নিযুক্তি নিদিয়াৰ কথা সচাঁ নহয়। তিনিচুকীয়া জিলাত ২৪৭ জন গাওঁবুঢ়া নিযুক্তি দিয়া হৈছে। তথ্য পৰিশিষ্ট 'ক' ত দিয়া হৈছে। (See Annexure - XXVIII)

(গ) ডুমডুমা ৰাজহ চক্রৰ খালি হৈ থকা গাওঁবুঢ়া পদৰ বিপৰীতে দুজন লোকৰ পৰা আবেদন পোৱা গৈছে।

(ঘ) আবেদনকাৰীৰ নাম তালিকা তলত উল্লেখ কৰা হ'লঃ

১) শ্রী অনন্ত মৰাণ।
পিতা - শ্রী দিবাকৰ মৰাণ।
এঠেঙীয়া আৰু নগাওঁ বঙালী গাওঁ।

২) শ্রী জিতুল মৰাণ।
পিতা - শ্রী টিপেশ্বৰ মৰাণ।
হাঁহঘটি পথাৰ গাঁও।
ছেখোৱা, কাকপথাৰ।

এওঁলোকৰ ক্ষেত্রত নিযুক্তি দিয়াৰ বাবে সাক্ষাৎকাৰ ল'বলৈ উপাযুক্তই ব্যৱস্থা লৈছে। আৰু খালি হৈ থকা পদৰ বিপৰীতে ইতিমধ্যে বিজ্ঞাপন দিয়া হৈছে।

(ঙ) গাওঁবুঢ়া সকলৰ পাৰিতোষিক বৃদ্ধিৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয়ঃ সৰুপেটা নগৰ সমিতি।

ডঃ মনোৰঞ্জন দাসে সুধিছেঃ

৭৪৮ । মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) সৰুপেটা নগৰ সমিতি গঠনৰ দীর্ঘদিনীয়া দাবী সম্পর্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, সৰুপেটা নগৰ সমিতি গঠনৰ প্রক্রিয়া কিমান আগবাঢ়িল?

(গ) অতি শীঘ্রে সৰুপেটা নগৰ সমিতি গঠনৰ বাস্তব ব্যৱস্থা ল'বনে?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) বৰপেটা জিলাৰ উপায়ুক্তৰ পৰা প্রতিবেদন পোৱাৰ পিচত তেখেতৰ পৰা যোৱা তিনি বছৰৰ চৰকাৰৰ পৰা পোৱা আর্থিক অনুদান সম্পর্কত অতিৰিক্ত তথ্য বিচৰা হৈছে।

(গ) ওপৰত উল্লেখ কৰা বৰপেটা জিলাৰ উপাযুক্তৰ পৰা বিচৰা অতিৰিক্ত তথ্য পোৱাৰ পিচত সৰুপেটা নগৰ হিচাপে ঘোষনা কৰাৰ বাবে ১৯৫৬ চনৰ অসম পৌৰ প্রশাসন আইন অনুসৰি ব্যৱস্থা গ্রহণৰ প্রক্রিয়া আৰম্ভ কৰা হ'ব।

Subject: Different Schemes in Karimganj Town.

Shri Mission Ranjan Das asked:

749 . Will the Minister of Urban Development Deptt. be pleased to state :

(a) What different kinds of schemes are being implemented in Karmganj Town since 2007-08, 2008-09, and 2009-10. lease give the list of schemes of different kinds/categories including fund santioned against each schemes percentage of Progress of works and release of fund?

(b) Whether any complaints is there against any of above schemes If yas, whether enquiry in to complaints is done and what is its funding and correction measures taken?

Shri Dinesh Prasad Goala (Minister,Urban Development Department) replied:

(a) The list of different kinds of Schemes are implemented in Karimganj Town since 2007-08, 2008-09 and 2009- 10 are given below as follows:

Sl. No.	Name of Scheme	Year of sanctioned	Amount sanctoned	Fund release to ULB	% of progress of work
1	IHSDP	2006-07	554.84	277.42	54%
2	Construction of Karimganj Storm Water Drainage Scheme, Phase - 1 under 10% Lump Sum Pool Fund.	2007-08	1183.57	200.00	29%
3	Multiutility Building at Karimganj under 10% Lump Sum Pool Fund.	2009-10	489.39	44.05	Nil
4	SJSRY	2007-08	97.00	97.00	100%
		2008-09	96.15	96.15	47.22%
		2009-10	Nil	Nil	Nil
5	Grants under Budget speech of C.M.	2007-08	60.00	60.00	25%
6	Low Cost Sanitation Programme (LCSP)	2008-09	10.00	10.00	Nil
7	Assam Bikash Yojana	2008-09	4.38	4.38	100%

(b) Yes, a complain has been received against the scheme for construction of Karimganj Storm Water Drainage Scheme, Phase-I.Enquiry in to the complain has been done by the Executive Engeneer,Drainage & Sewerage Division,Town & Country Planning, Guwahati on 18-05-09 and corrective measures etc. has already been taken. The enquiry rcport has been sent to Karimganj Municipal Board for necessary action.

Moreover, the Chairman of the Monitoring Committee of the project, Deputy Commissioner,Karimganjhas inspected the site and suggested modification and remedial measures to be taken on the basis of ground reality in its meeting held on 10-03-2010.

Incase of SJSRY scheme implemented during 2008-09, a complain from two residents of Karimganj was submitted has been withdrawn.

বিষয় ঃ পুখুৰীৰ মাটি কালি আৰু বেদখল।

শ্ৰী হিবেণ দাসে সুধিছেঃ

৭৫০ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দৰং জিলাত পুৰণিকলীয়া ৰজাদিনীয়া ৰাজা পুখুৰী, ৰাণী পুখুৰী আৰু অভয় পুখুৰী থকাৰ কথাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত,তেন্তে প্ৰথম অৱস্থাত ইয়াৰ (তিনিটা পুখুৰী) মাটি কালি কিমান আছিল? বৰ্তমান মাটি কালি কিমান?

(গ) উক্ত পুখুৰী কেইটাৰ মাটি কোনো ব্যক্তিগত লোকক আবন্টন দিছে নেকি? যদি দিছে, ইয়াক কিহৰ ভিত্তিত দিছে?

(ঘ) উক্ত পুখুৰী কেইটাৰ মাটি কোনোবাই বেদখল কৰি আছে নেকি? যদি আছে, তেন্তে বেদখল মুক্ত কৰাৰ বাবে চৰকাৰে তৎকালীন ব্যৱস্থা ল'বনে?

ডাঃ ভূমিধৰ বৰ্মণ (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) প্ৰথম অৱস্থাত পুখুৰী তিনিটাৰ মাটি কালি আছিল ২৭১ বিঘা ২ কঠা ৬ লেচা। বৰ্তমান মাটি কালি ২৬৪ বিঘা ২ কঠা ৬ লেচা।

(গ) পুখুৰী কেইটাৰ মাটি কোনো ব্যক্তিগত লোকক আবন্টন দিয়া নাই। কিন্তু ৰাণী পুখুৰীৰ ৫ বিঘা মাটি মধ্য ইংৰাজী স্কুল আৰু ২ বিঘা মাটি ঈদগাহক, মুঠ ৭ বিঘা মাটি আবন্টন দিয়াটো হয়।

(ঘ) ৰাজা পুখুৰী আৰু ৰাণী পুখুৰীৰ কিছু পৰিমাণৰ মাটি বেদখল কৰাতো সত্য। অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬ ৰ বিধি মতে বেদখল মুক্ত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

বিষয় ঃ মহানগৰীৰ বিশুদ্ধ খোৱা পানী যোগান।

৭৫১ । মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিভাগটোৰ অধীনত গুৱাহাটী মহানগৰীৰ সকলো অঞ্চলকে সামৰি বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছেনে?

(খ) ৰাজধানী চহৰ দিছপুৰৰ নিচেই কাষতে লাগি থকা Down Town Hospital ৰ পাৰ্শ্ববৰ্ত্তী মথুৰা নগৰ, দ্বাৰকা নগৰ আদি অঞ্চলত বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ বাবে চৰকাৰে বৰ্তমালৈকে কোনো কাৰ্য্যব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণ কি?

(গ) এই সম্পৰ্কে চৰকাৰে কেতিয়ালৈ যাৱতীয় কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব?

শ্ৰী বিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰীৰ সকলো অঞ্চলকে সামৰি বিশুদ্ধ খোৱা পানী যোগানৰ দায়িত্ব জনস্বাস্থ্য কাৰিকৰী বিভাগৰ হাতত নাই। জনস্বাস্থ্য কাৰিকৰী বিভাগে গুৱাহাটী মহানগৰী অঞ্চলৰ অকল সচিবালয় চৌহদ,

M.L.A.হোষ্টেল, A.A.U. খানাপাৰা, I.A.S. কলনী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, অসম অভিযান্ত্রিক মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আদিত পানী যোগানৰ দায়িত্বত আছে।

(খ) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বাবে প্ৰযোজ্য নহয়।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ উদ্যোগৰ বাবে লোৱা মাটি। ফচলৰ মূল্য।

শ্ৰী অনুপ ফুকনে সুধিছে ঃ

৭৫২ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অইল ইণ্ডিয়া লিমিটেড বা অইলৰ কি কি ইনষ্টলেচন বা আন ব্যৱহাৰৰ বাবে ৰাজ্যৰ কিমান ভূমিখণ্ডৰ ব্যৱহাৰ হৈ আছে? (জিলা ৰাজহ চক্ৰ ভিত্তিত তথা ইনষ্টলেচন বা আন ব্যৱহাৰৰ তালিকা সদনত দাখিল কৰিব।)

(খ) 'অইল' ৰ ফালৰ পৰা মাটিৰ মূল্য আৰু ফচলৰ মূল্য কি হাৰত দিয়া হৈছে? উচ্চ মূল্য বিচাৰি বিবাদ হৈ কিমান জনৰ মূল্য আদায় দিয়াহোৱা নাই?

(গ) বৰ্তমানৰ মূল্যমানত এই মাটি আৰু ফচলৰ মূল্য (জিৰাট) অতিশয় কম হোৱা নাইনে? যদি কম হৈছে, ইয়াৰ উচিত মূল্য (গ্ৰাম্যাঞ্চলত বিঘাই প্ৰতি কমেও ৫ লাখ টকা) অতিশীঘ্ৰে নিৰ্দ্ধাৰণ কৰিবলৈ নিৰ্দেশ জাৰি কৰা হ'বনে?

(ঘ) 'অইল' ৰ লগতে অ এন জি চি তথা আন সকলো লাভজনক উদ্যোগৰ ক্ষেত্ৰতো এনে নিৰ্দেশ দিয়া হ'বনে?

(ঙ) 'অইল' ৰ বাবে মাটি অধিগ্ৰহণ কৰাৰ সময়ত টিংখণ্ডকে ধৰি বিভিন্ন ৰাজহ চক্ৰত ক্ষুদ্ৰ চাহ খেতিয়কেই ফচলৰ মূল্য পোৱাৰ ক্ষেত্ৰত আটাইতকৈ বেছি বঞ্চিত হোৱা নাইনে? ক্ষুদ্ৰ চাহ খেতিৰ বাবে ফচলৰ মূল্য টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ ফালৰ পৰা মূল্যায়ন ভিত্তিত কমেও ১০ (দহ) লাখ টকা দিয়াৰ ব্যৱস্থা কৰিবনে?

(চ) পুৰুষানুক্ৰমে ভোগ কৰি থকা খৰচ চৰকাৰী মাটিৰ আবন্টনৰ ব্যৱস্থা কৰি হ'লেও 'অইল' অধিগ্ৰহণ কৰোঁতে 'মাটিৰ মূল্য' দিয়াৰ ব্যৱস্থা কৰিবনে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২৪ খন জিলাৰ পৰা পোৱা তথ্য মতে অইল ইণ্ডিয়া লিমিটেড বা অইলৰ ইন্সটলেচন বা আন ব্যৱহাৰৰ বাবে ৰাজ্যৰ মুঠ ভূমিখণ্ডৰ ব্যৱহাৰ জিলা ও ৰাজহ চক্র ভিত্তিত তালিকা পৰিশিষ্ট 'ক' ত দাখিল কৰা হ'ল।

(See Annexure - XXX)

(খ) অধিগ্রহণ কৰা মাটিৰ মূল্য জাননী (Notification) প্রকাশৰ তাৰিখৰ আগৰ তিনি বছৰৰ ৰেজিষ্টাৰ বিক্রী দলিলৰ গড় মূল্য উলিয়াই ও মাটিৰ গুণাগুণৰ ভিত্তিত প্রতি বিঘাত নির্দ্ধাৰন কৰা হয়। সেইদৰে ফচলৰ মূল্যৰ ক্ষেত্রত জিলা কৃষি বিষয়া, জল সম্পদ, বন বিভাগ আদিৰে উপায়ুক্তৰ অধ্যক্ষতাত মূল্য নির্দ্ধাৰন কৰা হয় আৰু ৰাজহ বিভাগে অনুমোদন দিয়ে। জিলা উপায়ুক্ত আৰু বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ প্রধান সচিবে জনোৱা তথ্য মতে উচ্চ মূল্য বিচাৰি কোনো বিবাদ বা গোচৰ চলা নাই।

(গ) ভুমি অধিগ্রহন আইন অনুযায়ী উপযুক্ত হিচাবে বিবেচিত হোৱা সকলো পৰিয়ালকে মাটি আৰু ফচলৰ (জিৰাট) উচিত মূল্য প্রদান কৰা হৈছে। দ্বিতীয় দফাৰ প্রশ্নৰ উত্তৰ 'খ' প্রশ্নৰ উত্তৰত উল্লেখ কৰা হৈছে।

(ঘ) 'খ' ৰ প্রশ্নৰ উত্তৰত উল্লেখ কৰা হৈছে।

(ঙ) অধিগ্রহন কৰা মাটিৰ ফচলৰ উচিত মূল্য পোৱাৰ বাবে সংশ্লিষ্ট বিভাগৰ নীতি (Norms) অনুযায়ী প্রদান কৰাৰ ব্যৱস্থা কৰা হয় । গতিকে টিংখংকে ধৰি বিভিন্ন ৰাজহ চক্রত ক্ষুদ্র চাহ খেতিয়ক সকলক পট্টাভুক্ত মাটিত ফচলৰ উচিত মূল্য প্রদান কৰা হৈছে।

(চ) ডাঙৰ-ডাঙৰ প্রকল্পৰ বাবে ভুমি অধিগ্রহন কৰাৰ আগতে বিধিনুযায়ী উপযুক্ত হিচাবে বিবেচিত হোৱা পৰিয়ালক পট্টা প্রদান কৰি ভুমিৰ উচিত মূল্য যাতে পাব পাৰে তাৰ বাবে সময়ে সময়ে জিলা উপায়ুক্ত ও মহকুমাধিপতি সকলক নির্দেশনা দি অহা হৈছে।

বিষয় ঃ খহনীয়াত ক্ষতিগ্রস্তৰ সাহায্য।

শ্রী বিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

৭৫৩। মাননীয় সাহায্য আৰু পুনঃ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তর্গত ৰাজনা পথাৰ গাওঁ পঞ্চায়ত এলেকাৰ কিৰাকাৰা অঞ্চল ব্রহ্মপুত্র নদীৰ ভয়াবহ গৰাখহনীয়াৰ কবলত পৰা কথাটো চৰকাৰ জ্ঞাতনে?

(খ) এই গৰাখহনীয়াত কিৰাকাৰা বজাৰৰ লগতে বহু পৰিয়ালৰ ঘৰবাৰী নদীৰ বুকুত জাহ যোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, ক্ষতিগ্রস্ত পৰিয়াল সমূহৰ সাহায্যৰ বাবে কি ব্যৱস্তা গ্রহণ কৰা হৈছে?

(ঘ) ক্ষতিগ্রস্ত পৰিয়ালৰ তালিকা (তেওঁলোকক দিয়া সাহার্য্যৰ উল্লেখ সহ) সদনৰ মেজত দাখিল কৰিব?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

(খ) হয়, অৱগত।

(গ) কিৰাকাৰা গাওঁখন ৰাজহ গাওঁ নহয়। এই গাওঁখনৰ অধিকাংশ এলেকা ব্রহ্মপুত্র নদীৰ গৰাখহনীয়াই খহাই পেলোৱাত তাত অস্থায়ী ভাৱে চৰকাৰী ভূমি বেদখল কৰা এই লোকসকল গৰাখহনীয় হোৱাত কিৰাকাৰা অঞ্চলৰ পৰা ফুহুৱাতলি আৰু মৰিগাওঁ জিলাৰ বিভিন্ন ঠাইলৈ গুচি যায়। সেয়েহে এই সকল লোকক কোনো সাহার্য্যৰ ব্যৱস্থা কৰা হোৱা নাছিল।

(ঘ) ক্ষতিগ্রস্থ লোক সকল কিৰাকাৰা এলেকাৰ স্থায়ী লোক নহয়। তেওঁলোক চৰকাৰী ভূমিবেদখলকাৰী লোক। জিলা উপায়ুক্তৰ পৰা পোৱা গৰাখহনীয়াত

আক্রান্ত এই বেদখলকাৰী সকলে কোনো আশ্রয় শিবিৰত আশ্রয় লোৱা নাছিল আৰু খহনীয়াৰ প্রকোপত উক্ত এলেকাত তেওঁলোকে থাকিব নোৱাৰি ফুহুৱাতলি আৰু মৰিগাওঁ জিলাৰ বিভিন্ন এলেকালৈ গুছি গৈছিল। সেয়েহে চৰকাৰী ভূমি বেদখলকৰা এই লোকসকলক কোনো চৰকাৰী সাহায্য প্রদান কৰা হোৱা নাছিল আৰু তেওঁলোকৰ নামৰ তালিকাও যুগুত কৰা হোৱা নাছিল।

বিষয় ঃ সত্রৰ মাটি বেদখল।

শ্রী গুনীন্দ্র নাথ দাসে সুধিছে ঃ

৭৫৪ । মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমৰ ৩৯ খন সত্রৰ ৬৫৭৫ বিঘা মাটি অবৈধ নাগৰিকৰ বেদখলত থকাৰ বিষয়ে চৰকাৰ জ্ঞাত নে?

(খ) যদি জ্ঞাত, তেন্তে সত্রৰ মাটি বেদখল মুক্ত কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২১ খন জিলাৰ উপায়ুক্ত সকলৰ পৰা পোৱা তথ্য মতে ৪ খন সত্রৰ ৭১বিঘা ৩ কঠা ৩ লেচা মাটি বেদখলত আছে। পৰিশিষ্ট 'ক' ত উল্লেখ কৰা হ'ল। (See Annexure-XXXI)

(খ-১)জিলাৰ উপায়ুক্ত সকলক অসম ভূমি আৰু ৰাজহ আইনৰ ১৮ ধাৰা মতে বেদখলীকৃত ভূমি বেদখল মুক্ত কৰিবলৈ নির্দ্দেশ দিয়া আছে। মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চিভিল ৰুল ১৯৪৯/৯১ গোচৰত ২৭/০৩/১৯৯৭ তাৰিখে দিয়া হুকুম আৰু নির্দ্দেশৰ আধাৰতো উপায়ুক্ত সকলক সত্র সমূহৰ মাটি বেদখল মূক্ত কৰি ৰাখিবলৈ নির্দ্দেশ দিয়া আছে।

(২) অসম ৰাজ্যিক ধর্মানুষ্ঠান আৰু ৰাজহুৱা দাতব্য অনুষ্ঠান আইন, ১৯৫৯ ৰ গণ্ডীৰ ভিতৰত সত্রৰ মাটি সংৰক্ষণ আৰু সংবর্ধনৰ বিশেষ ব্যৱস্থা আছে। সেইমতেও উপযুক্ত ব্যৱস্থা ল'বলৈ নির্দেশ দিয়া আছে।

বিষয় ঃ চাহ জনজাতি কল্যাণ আঁচনি।

শ্রী উদ্ধৱ বর্মনে সুধিছেঃ

৭৫৫ । মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত মুঠতে কিমানখন চাহ বাগান আছে? কোন কোন বৃহৎ মালিকে এইবোৰৰ মালিকানাত আছে? ক্ষুদ্র চাহ বাগানৰ সংখ্যা কিমান?

(খ) এই বৃহৎ আৰু ক্ষুদ্র চাহ বাগানবোৰে কিমান মাটি দখল কৰি আছে? ক্ষুদ্র চাহ বাগানৰ মালিক সকলক মাটিৰ পট্টা দিয়াৰ কি ব্যৱস্থা কৰা হৈছে।

(গ) ব্রহ্মপুত্র আৰু বৰাক এই দুই উপত্যকাৰ চাহ বাগান সমূহত মুঠতে কিমান সংখ্যক স্থায়ী শ্রমিক আছে? কিমান সংখ্যক অস্থায়ী শ্রমিক বাগান সমূহত আছে? (বিতংকৈ উপত্যকা ভিত্তিক তথ্য দিব।)

(ঘ) চাহ বাগানৰ শ্রমিক সকলৰ বাবে নিম্নতম মজুৰি স্থিৰ হৈছেনে? যদি হৈছে, ব্রহ্মপুত্র আৰু বৰাক উপত্যকাত কি পৰিমাণৰ মজুৰি স্থিৰ কৰা হৈছে? কি পদ্ধতিত এই মজুৰি স্থিৰ কৰা হৈছে?

(ঙ) এই নিম্নতম মজুৰি কার্য্যকৰীকৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে? (বিতংকৈ জনাব।)

শ্রী পৃথিৱী মাঝি (শ্রম ও নিয়োগ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ৮৩৫ খন। বৃহৎ মালিক সকল হ'ল-

(১) এমালগেমেটেড প্লেনটেচন প্রাইভেট লিমিটেড (টাটা)।

(২) জয়শ্রী টি কোম্পানী (বিৰলা গোষ্ঠী)।

(৩) ৱাৰেন টি লিমিটেড।

(৪) এপিজয় লিমিটেড (পূর্বৰ এ এফ টি)

(৫) মেকলয়ড ৰাচেল (উইলিয়ামচন মেগৰ)
(৬) এম কে ছাহ।
(৭) আসাম কোম্পানী (ই) লিমিটেড (পূৰ্বৰ আমাম কোম্পানী)।
(৮) এনড্রিও এণ্ড ইয়ুল কোম্পানী (কেন্দ্রীয় চৰকাৰ)
(৯) এ টি চি লিমিটেড (অসম চৰকাৰ) ইত্যাদি।

অসমত ক্ষুদ্র চাহ বাগিছাৰ সংখ্যা প্রায় ৯৭৬৫ খন।

(খ) মজুত থকা তথ্যমতে ৩৩৬৯০৩.৯৬ হেক্টৰ। পট্টা দিয়াৰ বিষয়টো এই বিভাগৰ অন্তর্গত নহয়।

(গ)

	স্থায়ী শ্রমিক	অস্থায়ী শ্রমিক
ব্রহ্মপুত্র উপত্যকা -	৪,৭৮,৮৯৫ জন	১,৪০৭,৯০ জন
বৰাক উপত্যকা -	৩৬,০৯৩ জন	১৩,৫৪৩ জন

(ঘ) হৈছে। শ্রমিক সংঘ আৰু মালিক পক্ষৰ মাজত হোৱা দ্বিপাক্ষিক চুক্তি অনুসৰি ব্রহ্মপুত্র উপত্যকাৰ শ্রমিকসকলৰ ৬৬.৫০ টকা আৰু বৰাক উপত্যকাৰ শ্রমিকসকলৰ ৫১.৯৫ টকাকৈ মজুৰি স্থিৰ কৰা হৈছে।

(ঙ) ১৯৪৮ চনৰ নূন্যতম মজুৰি আইনৰ ধাৰা সমূহ বলবৎ কৰাৰ সাধ্যমেৰে নির্দ্ধাৰিত নূন্যতম মজুৰি আদায় দিয়াৰ বিষয়টো কার্য্যকৰীকৰণৰ ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ গৰাখহনীয়া প্রতিৰোধ।

শ্রী বলিন চেতিয়াই সুধিছেঃ

৭৫৬ । মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) চৰকাৰ অৱগতনে ডিৰাক চুমনিৰ নদিহিং গৰাখহনীয়া ৰোধ কৰিবৰ কাৰণে Immediate Measure ত 2009-10 বর্ষত 70.21 (L) টকাC.R.F. estimate sanction ৰ বাবে পঠোৱা হৈছিল ?

(খ) যদি অৱগত, এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাবনে?

(গ) চৰকাৰ জ্ঞাতনে, ডিৰাক নদীৰ গৰাখহনীয়া হোৱাৰ বাবে নদীৰ গতিপথ সলনি কৰিবৰ কাৰণে কেইবাটাও আঁচনি বিভাগীয় ভাবে দিয়া হৈছিল?

(ঘ) যদি জ্ঞাত,উক্ত আঁচনি সমূহ কেতিয়াৰ পৰা কার্য্যকৰী কৰা হ'ব অনুগ্ৰহ কৰি জনাবনে?

(ঙ) C.R.F. Fund ৰ তিনিচুকীয়া জিলাৰ পৰা 2008-09, 2009-10 বৰ্ষত কিবা আঁচনি লৈছিলনে? যদি লৈছিল, তথ্য সহকাৰে প্ৰকাশ কৰিব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) জলসম্পদ বিভাগৰ পৰাপোৱা নিম্নলিখিত আঁচনিসমূহ উপাযুক্তৰ অনুমোদনসহ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগত পোৱা গৈছে।

আঁচনিৰ নাম	প্ৰাক্কলন মূল্য
(1) Immediate measure to Saikhowa protection bundh Ph-I for 2009-10 (Repairing of drainage from Ch. 32000m to 362m)	Rs. 70,21,000/-
(2) I/M to dyke along L/B of Buridehing river from Chippibasti to Mulong Gaon for 2009-10.	Rs. 1,03,00,000/-
(3) I/M to protect Kordoiguri bund Darijan area including Simolguri Satra from the erosion of river Brahamputra (Ananta Nallah) using vertver Plant).	Rs. 4,60,00,000/-
	Total = Rs. 6,33,21,000/-

দুর্য্যোগ সাহার্য্য পুঁজিৰ ১৯/২/২০১০ তাৰিখত বহা ৰাজ্যিক পর্য্যায়ৰ বৈঠকৰ অনুমোদনৰ ভিত্তিত ৬ কৌটি ৩৩ লাখ ২১ হাজাৰ টকা ব্যয় সাপেক্ষে এই আঁচনিকেইখন মঞ্জুৰী প্রদান কৰাৰ ব্যৱস্থা কৰা হৈছে।

(গ) হয় অৱগত। উপাযুক্তৰ পৰা পোৱা তথ্যমতে ডিৰাক নদীৰ গড়াখহনীয়া হোৱাৰ বাবে নদীৰ গতিপথ সলনি কৰিবৰ কাৰণে ১১,৭৩,০০,০০০ /- (এঘাৰ কৌটি তেসত্তৰ লাখ) টকা ব্যয় সাপেক্ষে আঁচনি এখনৰ প্রাক্কলন কেন্দ্রীয় জলসম্পদ আয়োগৰ অনুমোদনৰ বাবে প্রেৰণ কৰা হৈছে।

(ঘ) কেন্দ্রীয় জল সম্পদ আয়োগৰ অনুমোদন সাপেক্ষে বিবেচনা কৰা হ'ব।

(ঙ) দুর্য্যোগ সাহার্য্যপূজিৰ পৰা তিনিচুকীয়া জিলালৈ ২০০৮-০৯ আৰু ২০০৯১০ বিত্তীয় বর্ষত উপায়ুক্তই অনুমোদন জনোৱা আঁচনিৰ বিপৰীতে বিভিন্ন শিতানত মঞ্জুৰি দিয়া ধনৰ পৰিমাণ উল্লেখ কৰা হ'ল।

বর্ষ	পাৰিতোষিক সাহায্য	পুনঃ সংস্থাপন সাহায্য	খৰাং পীড়িতলৈ সাহায্য	ৰাষ্টা ঘাট
২০০৮-০৯	২০,০০,০০০/-	২০,২০,০০০/-	-	-
২০০৯-১০	৪০,০০,০০০/-	৬,৩৯,০০০/-	১,৯৪,১৭,৬১৯	৪৮,৫০,০০০/-

২০০৯-১০ বর্ষত ৰাস্তাঘাট আন্তঃগাঠনি মেৰামতিৰ বাবদ মুঠ ৪৮,৫০,০০০/- টকা মার্ঘেৰিটা উন্নয়ন খণ্ডৰ ১৪ টা ৰাস্তা মেৰামতিৰ বাবে মঞ্জুৰি দিয়া হৈছে। উক্ত ৰাস্তাৰ নামত মঞ্জুৰিকৃত ধনৰ পৰিমাণ পৰিশিষ্ট 'ক' ত উল্লেখ কৰা হ'ল। (See Annexure - XXXII)

Annexure - XXXII

List of Schemes sanctioned to Margherita Dev. Block :-

Sl.No.	Name of Schemes	Amount
01	Mirikamazuli PWD to Bhitor Pawai Reserve.	Rs. 4,00,000.00
02	Mirikamazuli PWD Road to Indira Gandhi Motabil Road.	Rs. 3,00,000.00
03	Mirikamazuli PWD Road to Boruah Grant Mazuli Road.	Rs. 4,00,000.00
04	Khagari Pathar Ring Bunch	Rs. 5,00,000.00
05	Dibang Fakial Bodduba Road	Rs. 4,00,000.00
06	No. 1 Kuhiabari Road	Rs. 3,00,000.00
07	Tarakuchi Rodduba Bundh	Rs. 5,00,000.00
08	Mulung Village Road	Rs. 3,00,000.00
09	Maichangpani Village Road	Rs. 3,00,000.00
10	Ulup Tiniali to Bandirtola Road	Rs. 3,00,000.00
11	Ring Bunch at Machanpari Road	Rs. 3,00,000.00
12	Namdung Bahbari Village Road	Rs. 2,50,000.00
13	Toklong Village Road	Rs. 3,00,000.00
14	Amrit Gaon Village Road.	Rs. 3,00,000.00

Total = Rs. 48,50,000.00

বিষয় ঃ চাহ বাগিচাৰ সংখ্যা।

শ্রী আব্দুল আজিজে সুধিছে ঃ

৭৫৭ । মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত সর্বমুঠ চাহ বাগিচাৰ (ক্ষুদ্র আৰু বৃহৎ) সংখ্যা কিমান ?
(জিলা ভিত্তিত সংখ্যা দেখুৱাব।)
(চাহ বাগিচাৰ বিপৰীতে মালিক সকলৰ নাম, ঠিকনা, ব্যৱসায় আদি উল্লেখ কৰি তালিকা দাখিল কৰিব।)

(খ) অসমৰ সৰ্বমুঠ চাহ - বাগিচাত অসমৰ থলুৱা মালিকৰ সংখ্যা কিমান? (চাহ - বাগিচাৰ বিপৰীতে থলুৱা মালিকৰ নাম,ব্যৱসায়, ঠিকনা উল্লেখ কৰি জিলা ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব।)

(গ) এই বাগিচা সমূহত কিমান বিষয়া কৰ্মচাৰী আৰু শ্ৰমিক নিয়োজিত হৈ আছে? (চাহ বাগিচাৰ বিপৰীতে সংখ্যা দেখুৱাই বিতং তথ্য দাখিল কৰিব।)

(ঘ) অসমত সৰ্বপ্ৰথমে কোনখন চাহ বাগিচা আৰম্ভ কৰিছিল আৰু কিমান চনত?

শ্ৰী পৃথিৱী মাঝি (শ্ৰম ও নিয়োগ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) শ্ৰম আৰু নিয়োগ বিভাগত থকা ৰেৰ্কড অনুযায়ী ১০,৫৪৯ খন। (ক্ষেত্ৰীয় বিষয়াসকলৰ পৰা তাৎক্ষনিকভাৱে পোৱা তালিকা সমূহ সদনৰ মজিয়াত দাখিল কৰা হ'ল।) (See Annexure - XXXIV)

(খ) প্ৰাপ্ত তথ্যমতে ২২১ জন। (ক্ষেত্ৰীয় বিষয়াসকলৰ পৰা প্ৰাপ্ত তালিকাসমূহ সদনৰ মজিয়াত দাখিল কৰা হ'ল।)

(গ) শেহতীয়াকৈ সংগৃহীত তথ্যমতে বাগিচাসমূহৰ বিষয়া, কৰ্মচাৰী ও শ্ৰমিকৰ সংখ্যা এনেধৰণৰ -

বিষয়া	-	৬১০ জন
কৰ্মচাৰী	-	১৩,২১৯ জন
শ্ৰমিক	-	৫,৮৬,২৬৯ জন

(ক্ষেত্ৰীয় বিষয়াসকলৰ পৰা সদ্যহতে পোৱা তথ্য সম্বলিত তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল।) (See Annexure - XXXIV)

(ঘ) শ্ৰম আৰু নিয়োগ বিভাগত এনে কোনো ৰেকৰ্ড নাই।

বিষয় ঃ স্থায়ী পট্টাৰ ব্যৱস্থা।

শ্ৰী সুশীল দত্তই সুধিছে ঃ

৭৫৮ । মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) লামডিং সমষ্টিৰ অন্তৰ্গত প্ৰতিখন গাওঁ পঞ্চায়তৰ যেনে পুৰণা কাকী, থাইচুপাৰ, খাগৰিজান, টঙ্গিয়া, দক্ষিণ লামডিং,পূব লামডিং,পশ্চিম লামডিং আৰু টাউন এলেকাত থকা পৰিয়ালসমূহক চৰকাৰে স্থায়ী জমিৰ পট্টা দিয়াৰ ব্যৱস্থা লৈছে নে?

(খ) যদি পট্টা দিয়াৰ ব্যৱস্থা লৈছে, তেনেহ'লে প্ৰতিটো পৰিয়ালক কিমান পৰিমানৰ মাটি, মাটিৰ পট্টা দিয়া হ'ব আৰু কিমান দিনৰ ভিতৰত দিয়া হ'ব জনাবনে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) বৰ্তমানে বিষয়টো জিলা পৰ্য্যায়ত বিবেচনাধীন হৈ আছে।

(খ) জিলাৰ উপায়ুক্তৰ পৰা প্ৰস্তাৱসমূহ পালে পৰীক্ষা কৰি যথাসম্ভৱ যোগ্যতানুসাৰে সোনকালে দিয়াৰ ব্যৱস্থা কৰা হ'ব। ভূমিনীতি মতে নগৰত ২(দুই) কঠা আৰু গাঁও অঞ্চলত বস্তি আৰু খেতিৰ বাবদ ৭ (সাত) বিঘাকৈ দিয়াৰ ব্যৱস্থা আছে।

বিষয় ঃ কলগাছিয়া সৰভোগ পথ।

শ্ৰী আব্দুল খালেকে সুধিছে ঃ

৭৫৯ । মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধানমন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা আৰু দ্বাদশ বিত্ত আয়োগৰ অনুদানেৰে পকী কৰা কলগাছিয়া সৰভোগ (ভায়াৰহা) পথটো বৰ্তমানে চলাচলৰ ক্ষেত্ৰত বহু পৰিমাণে অনুপযোগী হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) এইটো সত্যনে, ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগে আৱণ্টন দিয়া ধন এই পথটোৰ মেৰামতিৰ কাৰণে যথেষ্ট নহয় ?

(গ) এই পথটো চলাচলৰ সুচল হ'ব পৰাকৈ প্রয়োজনীয় ব্যৱস্থা চৰকাৰে চলিত বছৰৰ ভিতৰতে গ্রহণ কৰিবনে ?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্য্যোগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) হয়, সত্য। ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগে আৱণ্টন দিয়া ধন ১৪ কিঃ মিঃ দৈর্ঘ্যৰ কলকাছিয়া সৰভোগ পথটোৰ সম্পূর্ণ মেৰামতিৰ বাবে যথেষ্ট নহয়।

(গ) এই পথটো চলাচলৰ সুচল কৰাৰ বাবদ সংশ্লিষ্ট উপায়ুক্তই অনুমোদন জনোৱা ৪৫.৩৩৫ লাখ আৰু ৭৫.০০ লাখ টকা ব্যয় সাপেক্ষে দুখন আঁচনি ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগত পৰীক্ষা কৰি থকা হৈছে।

বিষয় ঃ পুঁজি আৱণ্টন।

শ্রী বিনোদ গোৱালাই সুধিছে ঃ

৭৬০ । মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাত সীমান্ত উন্নয়ন পুঁজিৰ পৰা ২০০৬ চনৰ পৰা বর্তমানলৈকে পথ সমূহৰ বাবে কিমান পুঁজি আৱণ্টন দিলে ?

(খ) কোন কোন পথত কিমান পুঁজি আৱণ্টন দিছে ?

(গ) পথ সমূহৰ কাম কৰিলে নে নাই ?

(পথ সমূহ আৰু পুঁজিৰ পৰিমাণ সদনত দাখিল কৰিব।)

শ্রী গৌতম ৰয়ে (সীমান্ত অঞ্চল বিভাগৰ মন্ত্রী) উত্তৰ দিছে ঃ

(ক) গোলাঘাট জিলাত সীমান্ত উন্নয়ন পুঁজিৰ পৰা ২০০৬ চনৰ পৰা বর্তমানলৈকে মুঠ ৩,৩৫,৪১,০০০.০০ টকা আৱণ্টন দিয়া হৈছে ।

(খ) নিম্নলিখিত পথ সমূহৰ মেৰামতি / উন্নয়নৰবাবে পুঁজি আৱণ্টন দিয়া হৈছিল ।

বাহিনী আলি	৩৪.৪২ লাখ
পাঠৰিপৰীয়া আলি	৩৬.৭৯ লাখ
নৱগ্রাম ৰৰডুবি আলি	২৮.৭৭ লাখ
কমতাপুৰ তেলিশাল আলি	৪৫.১৩ লাখ
ভেলেউগুৰি চলং পথাৰ আলি	৩৯.৮০ লাখ
মিলন নগৰ তিনি আলিৰ পৰা	
- আজাৰগুৰি হৈ নপানী বিঅপি পথ	২৫.০০ লাখ
উৰিয়ামঘাট বিদ্যাপুৰ পথ	২৫.০০ লাখ
ভেলেউগুৰি জয়পুৰ পথ	৭.০০ লাখ
জনতাপুৰ চলং পথাৰ আলি	৬.০০ লাখ
গমাৰী শান্তিপুৰ সংলগ্ন পথ	২২.৫০ লাখ
সৰুপথাৰ হৈ উৰিয়ামঘাট পানজান,	
- নাওজান পথ	১০.০০ লাখ
জয়াপথাৰ ৰজাপুখুৰী পথ	১০.০০ লাখ
সৰুপথাৰ হৈ উৰিয়ামঘাট হৈ	
- মেৰাপানী পথ	১০.০০ লাখ
চিলনীজান পিঠাঘাট পথ	১০.০০ লাখ

(গ) ভেলেউগুৰি জয়পুৰ পথ, জনতাপুৰ চলং পথাৰ আলি, গমাৰী-শান্তিপুৰ সংলগ্ন পথৰ কাম ৬০ শতাংশ সম্পূৰ্ণ হৈছে। এই তিনিটা পথৰ বাহিৰে আন পথ সমূহৰ কাম সম্পূৰ্ণ হৈছে।

বিষয় ঃ ভূ-কম্পন এলেকা।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছেঃ

৭৬১ । মাননীয় দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসম তথা উত্তৰ পুর্বাঞ্চল এলেকা ভূ-কম্পন এলেকা বুলি চিহ্নিত কৰাটো হয় নে?

(খ) যদিহে কৰাটো হয়, তেনেহ'লে কেতিয়া চিহ্নিত কৰা হৈছিল?

(গ) ভূ-কম্পনৰ সম্ভাৱ্য বিপদৰ পৰা ৰক্ষা পাবলৈ বিভাগে কি কি ব্যৱস্থা গ্রহণ কৰিছে?

(ঘ) 'গ' প্রশ্নৰ কার্য্যসুচীত বে-চৰকাৰী সংস্থাক জড়িত কৰা হৈছে নে?

(ঙ) যদিহে জড়িত কৰা হৈছে, কোন কোন অনুষ্ঠানৰ কৰা হৈছে?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগ (সাহায্য আৰু পুনৰ সংস্থাপন শাখা) য়ে উত্তৰ দিছেঃ

(ক) হয়।

(খ) IS Code ৰ দফা 1893 PT-I 2002 চন অনুসৰি ভাৰত চৰকাৰে প্রস্তুত কৰা ভাৰতবর্ষৰ ভূ-কম্পন এলেকা চিহ্নিত তথা নির্দ্ধাৰণ কৰা মানচিত্র অনুসৰি অসম তথা উত্তৰ-পূর্বাঞ্চলক ভূকম্পন এলেকা বুলি চিহ্নিত কৰা হৈছে।

(গ) বিভাগে কৰা ব্যৱস্থাসমূহঃ (i) প্রশিক্ষণ আৰু সবলীকৰণ ব্যৱস্থা -

(১) সন্ধান/উদ্ধাৰ আৰু প্রাথমিক চিকিৎসা সাহার্য্যৰ ওপৰত ৰাজ্যিক, জিলা, খণ্ড-উন্নয়ণ, পঞ্চায়ত আৰু গাঁও অঞ্চলতস্বেচ্ছাসেৱকক প্রশিক্ষণ দিয়া হৈছে।

(২) গুৱাহাটী গৃহ নির্মাণ উপবিধি সংশোধন আৰু বলবৎ কৰা হৈছে। আন আন জিলাসমূহতো একেধৰণৰ উপবিধি সংশোধনীৰ বাবে নির্দেশনা জাৰি কৰা হৈছে।

(৩) গৃহ নির্মাণৰ বিষয়ে অভিযন্তা, আর্কিটেক্ট আদিক ভূমিকম্পৰ বিষয়ে ল'বলগা কাৰিকৰী পদ্ধতিৰ ওপৰত প্রশিক্ষণ দিয়া হৈছে।

(৪) গৃহ নির্মাণৰ বাবে পদ্ধতিগত দিশত ৰাজমিস্ত্রীৰ প্রশিক্ষণ দিয়া হৈছে।

(৫) ৰাজ্যিক আৰু জিলা পর্য্যায়ত দুর্য্যোগ প্রশমন প্রাধিকৰণ গঠন কৰা হৈছে।

(৬) অগ্নি নির্বাপক বাহিনী ৰাজ্যিক সংস্থাক CRF equipment খণ্ডৰ পৰা যাৱতীয় সা-সজুঁলি ক্রয়ৰ বাবে পুঁজিৰ যোগান ধৰা হৈছে।

(৭) স্থানীয় প্রশাসন (ULB) দুর্য্যোগ প্রশমন মূলক আঁচনি গ্রহণৰ পৰামর্শ ও প্রশিক্ষণ আঁচনি গ্রহণ কৰা হৈছে।

(৮) ৰাজ্যিক পর্য্যায়ত দুর্য্যোগ সাহার্য্য সেৱা বাহিনী (SDRF) ৰ গঠনৰ বাবে প্রস্তাৱ লোৱা হৈছে।

(৯) চিকিৎসক সকলক জৰুৰী স্বাস্থ্যসেৱাৰ ওপৰত বিশেষ প্রশিক্ষণ দিয়া হৈছে।

(১০) চৰকাৰী বেচৰকাৰী সংস্থাৰ লগত জৰুৰী সাহার্য্য আৰু সমন্বয় ৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

(১১) বিভিন্ন বিভাগক জৰুৰী সেৱা আগবঢ়াব পৰাকৈ পৰিকল্পনা প্রস্তুত কৰিবলৈ দিয়া হৈছে।

(১২) গুৰুত্বপূর্ণ চৰকাৰী কার্য্যালয় (LIFE LINE BUILDINGS) শিক্ষানুষ্ঠানৰ ঘৰৰ দুর্য্যোগত হ'ব পৰা ক্ষতিৰ বিষয়ে অধ্যয়ন কৰি সংকটপুর্ণ অৱস্থাৰ নির্দ্ধাৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে পাঁচটা তেনে ঘৰৰ R.V.S. (RAPID VISUAL SERVICING) প্রস্তুত কৰা হৈছে।

(১৩) শিক্ষা বিভাগৰ জৰিয়তে স্কুলৰ পাঠ্যক্রমত দুর্য্যোগৰ বিষয়ে পাঠ অন্তর্ভূক্তিৰ ব্যৱস্থা কৰা হৈছে।

(১৪) D.C.(Metro), GDD বিভাগৰ জৰিয়তে গুৱাহাটী মহানগৰীৰ ঠেক ৰাস্তা ঘাট আদি চিনাক্ত কৰা হৈছে আৰু সেইবোৰ বহলাবলৈ সংশ্লিষ্ট বিভাগক নির্দেশ দিয়া হৈছে।

(গ-ii) সজাগতামূলক ব্যৱস্থা -

(১) বাতৰি কাকত যোগে বিজ্ঞপ্তি প্ৰচাৰ।

(২) সজাগতা সভা।

(৩) পদযাত্ৰা, স্কুল পৰ্য্যায়ত প্ৰতিযোগিতা অনুষ্ঠানৰ আয়োজন।

(৪) নকল অনুশীলন (MOCK DRILL)

(৫) পোষ্টাৰ, হেণ্ডবিল আৰু কিতাপ বিতৰণ।

(৬) বাটৰ নাট প্ৰদৰ্শন।

(৭) চাইকেল যাত্ৰা, পদ যাত্ৰা।

(৮) প্ৰদৰ্শনীৰ ব্যৱস্থা।

(৯) অনাতাঁৰ যোগে অনুষ্ঠান প্ৰচাৰ ইত্যাদি।

(১০) কৰ্মশালা অনুষ্ঠান।

(ঘ) হৈছে।

(ঙ) ইউ, এন, ডি, পি. (UNDP) ইউ.নি.চেফ. (UNISEF) ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান (IIT), জিও হেজার্ড ছ'চাইটি (Geo Hazards Society) আদি অনুষ্ঠানক জড়িত কৰা হৈছে। আনহাতেদি,জিলা পৰ্য্যায়ত উপায়ুক্তসকলৰ দ্বাৰা চৰকাৰী পঞ্জীয়ণভূক্ত স্থানীয় বেচৰকাৰী অনুষ্ঠান জড়িত কৰা হৈছে।

Sub : Indira-Mujib Pact.

Dr. Alaka Sarma asked:

762 . Will the Minister of Implementation of Assam Accord be pleased to state:

(a) Is it a fact that Govt. has repeatedly mentioned on the floor of Assembly that the "Disputed area" on Indo-Bangla border has to be resolved by "Indira Mujib Pact" ?

(b) Is the Govt. aware that the said Indira Mujib Pact was valid for only 25 years ? (Reference-article 11of the pact).

(c) Considering that the pact, which was signed in seventies, with a validity period of 25 years is now defunt, whether any new machanism is in place to resolve the "disputed area"cases?

(d) If so,kindly state clearly.

(e) If no, whether state Government has taken any initiative to draw attention of Govt. of India to this important matter ? (Kindly place correspondence if any, on the floor of the House).

(f) Whether any progress is made regarding extradiction treaty to ensure that Bangladesh accepts as its citizens, people who had migrated to India and who have been waiting deportation from India?

Dr. Bhumidhar Barman (Minister of Implementation of Assam Accord Department) replied:

(a) It is a fact.

(b) After creation of the Sovereign Republic of Bangladesh in1971Prime Minister of India, Indira Gandhi and Prime Minister of Bangladesh Sheikh Mujibur Rahman signed a treaty on March 19,1972, known as Indo-Bangladesh Treaty of Friendship,Co-operation and Peace which experied after 25 years as per terms of Article XI of the Treaty, Another treaty known as Indira Mujib Treaty was signed between Indira Gandhi, Prime Minister of India and Sheikh Mujibur Rahman,PrimeMinister of Bangladesh in1974 to ensure a comprehensive settlement of outstanding border issues between the two countries. There was no clause on validity of this 1974 Treaty.

(c) In the Indira Mujib Treaty,1974 on settlement of India Bangladesh boundary issues there was no clause that the treaty will be defunct after 25 years.

(d) Does not arise.

(e) State Govt. is taking initiative with Govt.of India for resolving India Bangladesh border issues.

Since there is no clause on expiry of validity of the 1974 Indira Mujibur Pact,there is no question of taking up the matter with Govt. of India.

(f) The matter of extradition is under purview of Govt.of India.

বিষয় ঃ শিক্ষিত নিবনুৱা যুৱক-যুঁৱতীৰ কর্মসংস্থাপন।

শ্রী মোবাৰক আলী পাঠানে সুধিছেঃ

৭৬৩ । মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০০৬ ইং চনৰ পৰা বর্তমানলৈকে চৰকাৰে বিভিন্ন বিভাগ, নিগম-নিকায় আদিত কিমানজন শিক্ষিত নিবনুৱা যুৱক-যুৱঁতীক চাকৰি দি কর্মসংস্থাপন দিলে?

(খ) চলিত বিত্তীয় বর্ষত কিমান শিক্ষিত নিবনুৱা যুৱক-যুৱতীক চাকৰিৰ জৰিয়তে কর্মসংস্থাপন দিয়াৰ ব্যৱস্থা কৰিছে?

(গ) চৰকাৰী চাকৰিৰ কিমান শতাংশ মহিলা প্রার্থীৰ বাবে সংৰক্ষণ কৰাৰ ব্যৱস্থা চৰকাৰে লৈছে?

(ঘ) যিসকল নিবনুৱা যুৱক-যুৱঁতীৰ ৩৮ বছৰ অতিক্রম কৰিছে তেওঁলোকৰ বিষয়ে চৰকাৰে কিবা ব্যৱস্থা গ্রহণ কৰিছেনে? যদি কৰিছে, কি ধৰণৰ ব্যৱস্থা কৰিছে জনাবনে?

(ঙ) ৩৮ বছৰ অতিক্রম কৰা শিক্ষিত নিবনুৱা যুৱক-যুৱঁতী সকলে চৰকাৰী চাকৰিৰ ক্ষেত্রত আবেদন কৰিব পাৰিবনে?

শ্রী পৃথিৱী মাঝি (শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিভিন্ন বিভাগে দিয়া নিযুক্তিৰ তথ্য শ্রম আৰু নিয়োগ বিভাগে নাৰাখে। তথাপিও নিয়োগ বিনিময় কেন্দ্রসমূহে নিযুক্তিৰ বাবে অনুমোদন কৰা নামৰ

তথ্যমতে ২০০৬ চনৰ ১ জানুৱাৰীৰ পৰা ২০০৯ চনৰ ৩১ ডিচেম্বৰলৈ ১৪১০ জন শিক্ষিত নিবনুৱা যুৱক-যুৱঁতীক বিভিন্ন বিভাগ, নিগম-নিকায় আদিত কর্মসংস্থাপন দিয়া হৈছে। তদুপৰি আজিকালি উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি খালী পদসমূহ বাতৰি কাকত যোগে বিজ্ঞাপন দিয়াতো বাধ্যতামূলক।

(খ) ২০০৯ চনৰ ১ জানুৱাৰীৰ পৰা ৩১ডিচেম্বৰলৈ অসমৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ জৰিয়তে সর্বমুঠ ৫০১ জন শিক্ষিত নিবনুৱা যুৱক-যুৱঁতীক কর্মসংস্থাপন দিয়া হৈছে। (এই পৰিসংখ্যা কেৱল নিয়োগ-বিনিময় কেন্দ্ৰৰ জৰিয়তে প্ৰেৰণ কৰা তালিকাৰ পৰা নিযুক্তি পোৱা প্ৰার্থীৰ সংখ্যাহে। বিভিন্ন বিভাগে নিজাববীয়াকৈ নিযুক্তি দিয়া প্ৰার্থীৰ সংখ্যা শ্ৰম আৰু নিয়োগ বিভাগত ৰখা নহয়।)

(গ) চৰকাৰী চাকৰিতমহিলা প্ৰার্থীৰ বাবে, চৰকাৰী অধিসূচনা নং এ. বি. পি. ৮৪/২০০৩/৯৭ তাৰিখ ৩০/১১/২০০৫ মর্মে ৩০ শতাংশ নিযুক্তি সংৰক্ষণৰ ব্যৱস্থা চৰকাৰে লৈছে।

(ঘ) শ্ৰম আৰু নিয়োগ বিভাগ আৱগত নহয়।

(ঙ) এইক্ষেত্ৰত কার্য্যালয়স্মাৰক নং এ.এ.পি. ১১৫/৭২/ অংশ-১/১৯৪ তাৰিখ১০/৩/২০০৮ প্ৰযোজ্য।

বিষয় ঃ গৌৰীপুৰ টাউন কমিটি।

মোঃ মহিবুল হকে সুধিছে ঃ

৭৬৪ । মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গৌৰীপুৰ সমষ্টিৰ অন্তর্গত "গৌৰীপুৰ টাউন কমিটি" ত কিমান বিষয়া তথা কর্মচাৰী আছে ? (নাম আৰু পদবীৰ তালিকা দিব।)

(খ) এওঁলোকৰ কেতিয়া নিযুক্তি হৈছিল আৰু বর্তমানে এওঁলোকৰ দৰমহাৰ নিৰিখ কিমান?

(গ) ইয়াৰে কাৰোবাৰ Retirement হৈছেনে? Retirement হোৱাৰ পিছতো Extention দি ৰখা হৈছেনে?

(ঘ) তেখেতৰ নাম আৰু পদবী কি জনাবনে? Extention আৰু নতুন নিযুক্তি সংক্রান্তত নগৰ উন্নয়নৰ সঞ্চালকে নিষিদ্ধকৰণ কৰা স্বত্বেও টাউন কমিটিয়ে Extention দিয়া আৰু অলপতে দুই জনক III আৰু IV Grade ত নিযুক্তি দিয়া সম্পর্কে চৰকাৰে কিবা পদক্ষেপ লবনে?

(ঙ) টাউন কমিটিৰ সভাৰ কোনো অনুমোদন নোহোৱাকৈ Advertisement আৰু Interview আদি নিযুক্তি প্রক্রিয়া সম্পন্ন নকৰাকৈ অবৈধ ভাৱে নিযুক্তি দিয়াৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা ল'ব তাক সদনক জ্ঞাত কৰিবনে?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী) উত্তৰ দিছে ঃ

(ক) গৌৰীপুৰ নগৰ সমিতিত মুঠ ৫৪ জন কর্মচাৰী আছে। ইয়াৰে,

১) নিয়মীয়া কর্মচাৰী	-	১৬ জন।
২) মাষ্টাৰ ৰোল	-	১৯ জন।
৩) চাফাই কর্মচাৰী	-	১৯ জন।
সর্বমুঠ	-	**৫৪ জন**

(নাম আৰু তালিকা পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হৈছে)

(খ) বিতং তথ্য পৰিশিষ্ট 'ক' ত সন্নিবিষ্ট কৰা হৈছে।

(গ) হোৱা নাই। প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে। বিতং তথ্য বিচৰা হৈছে।

(ঙ) বিতং তথ্য বিচৰা হৈছে।

বিষয় ঃ সীমান্ত অঞ্চল উন্নয়ন আঁচনি।

ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ

৭৫৬। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) যোৱা তিনিটা বিত্তীয় বৰ্ষত অসমৰ সীমান্ত অঞ্চল উন্নয়নৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু ইয়াৰ কিমান টকা খৰছ কৰা হল?

(খ) যোৱা তিনিটা বিত্তী বৰ্ষত ভৱানীপুৰ বিধান সভা সমষ্টিৰ সীমান্তৱৰ্ত্তী অঞ্চলৰ উন্নয়নৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমাণ আৰু ব্যয় কৰা ধনৰ পৰিমাণ কিমান?

(গ) কি কি আঁচনিত এই ধন ব্যয় কৰা হল প্রতিটো বিত্তীয় বৰ্ষৰ বিপৰীতে আঁচনি সমূহৰ নাম সহ ধনৰ পৰিমাণ স্পষ্টভাবে উল্লেখ কৰিবনে?

(ঘ) এই আঁচনিবোৰ সম্পূৰ্ণ হ'লনে? যদিহোৱা নাই, ইয়াৰ কাৰণ কি আৰু কেতিয়ালৈ সম্পূৰ্ণ হ'ব?

(ঙ) যদি সম্পূৰ্ণ হৈছে, তেতিয়াহলে সম্পূৰ্ণ হোৱা আঁচনি বোৰৰ নাম বিতং ভাবে উল্লেখ কৰিবনে?

শ্রী গৌতম ৰয় (সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) যোৱা তিনিটা বিত্তীয় বৰ্ষত অসমৰ সীমান্ত অঞ্চল উন্নয়নৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমাণ আৰু খৰছৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল।

	বৰ্ষ	ধাৰ্য্য কৰা ধনৰ পৰিমাণ	খৰছ কৰা ধনৰ পৰিমাণ
আন্তঃ ৰাষ্ট্রীয়	২০০৭-০৮	২০১৭.০০ লাখ	১৯৫০.১৯ লাখ
আন্তঃ ৰাষ্ট্রীয়	২০০৭-০৮	১২৩১.০০ লাখ	৯৬৫.৮৯ লাখ
আন্তঃ ৰাষ্ট্রীয়	২০০৮-০৯	২৪৭০.০০ লাখ	১৬৭৬.৮১ লাখ
আন্তঃ ৰাষ্ট্রীয়	২০০৮-০৯	১৭৩১.০০ লাখ	৮২৫.০৮ লাখ
আন্তঃ ৰাষ্ট্রীয	২০০৯-১০	২৪২৪.০০ লাখ	৭৭৪.৯২ লাখ
আন্তঃ ৰাষ্ট্রীয়	২০০৯-১০	১৭৪৪.০০ লাখ	—

(খ) যোৱা তিনিটা বিত্তীয় বর্ষত ভৱানীপুৰ বিধান সভা সমষ্টিৰ অন্তর্গত জালাহ উন্নয়ন খণ্ডৰ বাবে ধার্য্য কৰা ধনৰ পৰিমাণ আৰু ব্যয় কৰা ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল।

বর্ষ	ধার্য্য কৰা ধনৰ পৰিমাণ	খৰছ কৰা ধনৰ পৰিমাণ
২০০৭-০৮	৭২.০০ লাখ	৭২.০০ লাখ
২০০৮-০৯	১৪২.৮৬ লাখ	৭১.৪০ লাখ
২০০৯-১০	১১৫.০০ লাখ	৭৪.৭৯ লাখ

(গ) আঁচনি সমূহৰ বিপৰীতে প্রতিটো বিত্তীয় বছৰৰ ব্যয় কৰা ধনৰ তালিকা পৰিশিষ্ট 'ক' ত দেখুৱা হ'ল।

(ঘ) ২০০৭-০৮ ৰ আঁচনি সমূহ সম্পূর্ণ হৈছে। ২০০৮-০৯ আৰু ২০০৯-১০ ৰ আঁচনি এতিয়ালৈকে সম্পূর্ণ হোৱা নাই। বিভাগীয় নিয়ম নীতিৰ মাজেদি পুঁজি মোকলাই দিব লাগে বাবে আঁচনি সমূহ কার্য্যকৰী হওতে কিছু বিলম্ব হয়। এই বছৰৰ শেষৰ ফালে ২০০৮-০৯ চনৰ আঁচনি সমূহ সম্পূর্ণ হোৱাৰ আশা কৰিব পৰা যায়।

(ঙ) পৰিশিষ্ট 'ক' ত দেখুৱা হৈছে। (২০০৭-০৮ চনৰ আঁচনি)

বিষয় ঃ Employment Generation Mission.

শ্রী দুর্গা ভূমিজে সুধিছে ঃ

৭৬৬। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) 'Employment Generation Mission' এই আঁচনিখন অসম চৰকাৰে কেটিয়াৰ পৰা গ্রহণ কৰিছে? আঁচনিখনত কিমান টকা এতিয়ালৈকে মঞ্জুৰী দিয়া হৈছে?

(খ) 'Employment Generation Mission' আঁচনিখন ৰূপায়ণ হৈছেনে? যদি হৈছে, এতিয়ালৈকে কিমান টকা কেনে ধৰণে খৰচ কৰা হৈছে? (বিতং ভাবে জনাব।)

(গ) এই 'Employment Generation Mission' আঁচনিখনত বর্তমানলৈকে কিমান সংখ্যক সক্রিয় কর্মী জড়িত হৈ আছে? ইয়াৰ কার্য্যালয় বর্তমান ক'ত অৱস্থিত?

শ্রী পৃথিৱী মাঝি (শ্রম ও নিয়োগ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) 'Employment Generation Mission' এই আঁচনিখন ২০০৬-০৭ বর্ষৰ পৰা গ্রহণ কৰিছে। আঁচনিখনত এতিয়ালৈকে ২০০৬-০৭ চনৰ শেষভাগত ১০.০০ কোটি টকা মঞ্জুৰী দিয়া হৈছে।

(খ) হয়, আঁচনিখন ৰূপায়ণ কৰি থকা হৈছে। এতিয়ালৈকে সর্বমুঠ ৯.৯৫কোটি টকা খৰছ কৰা হৈছে। সবিশেষ তলত উল্লেখ কৰা হ'ল।

মুঠ আৱণ্টন	-	১০.০০ কোটি টকা
বিভিন্ন বিভাগ/স্বেচ্ছাসেৱী অনুষ্ঠানলৈ মুকলি কৰি দিয়া ধনৰ পৰিমাণ	-	৯.৭৩ " "
কার্য্যলয়ত ব্যৱহৃত ধনৰ পৰিমাণ হাতে জমা	-	০.২২ " "
হাতে জমা	-	০.০৫ " "

(বিতং তথ্য পৰিশিষ্ট 'ক' ত দেখুওৱা হ'ল।)

(গ) নীতিগত নির্দেশাৱলী মতে এই মিছনত কোনো স্থায়ী বিষয়া তথা কর্মচাৰী নাই। বর্তমান এই কার্য্যালয়ত ভাৰতীয় প্রশাসনিক সেৱাৰ এগৰাকী প্রকল্প সঞ্চালককে ধৰি পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ দুজন বিষয়া এগৰাকী বিত্ত আৰু গাণণিক বিষয়া আৰু শ্রম আৰু নিয়োগ বিভাগৰ এজন বিষয়াই সেৱা দান কৰি আছে। তদুপৰি দুজন Computer Operator আৰু তিনি চতুর্থ বর্গৰ কর্মচাৰীয়ে ঠিকাভিত্তিত সেৱা আগবঢ়াই আছে। এই কার্য্যালয় দিছপুৰ ছুপাৰ মার্কেটৰ ওচৰৰ ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়াম ভৱনত অৱস্থিত।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

বিষয় ঃ চাহ্ আৰু প্ৰাক্তন চাহ শ্ৰমিকৰ মাটিৰ পট্টা।

৭৬৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চাহ আৰু প্ৰাক্তন চাহ শ্ৰমিকৰ পট্টা পোৱা আৰু দিয়াৰ নিয়ম কি?

(খ) ২০০৬-২০০৯ চনত কিমান জন চাহ আৰু প্ৰাক্তন চাহ শ্ৰমিকক মাটিৰ পট্টা দিয়া হৈছে?কোন কোন জিলাত কোনে কোনে এই মাটিৰ পট্টা পাইছে?

(গ) ইয়াৰ পৰা কিমানকৈ টকা প্ৰত্যেকজন ব্যক্তিৰ পৰা ৰাজহ আদায় পাইছে?

(ঘ) এই চাহ আৰু প্ৰাক্তন চাহ শ্ৰমিকক মাটিৰপট্টা দিয়াৰ চৰকাৰীকোনো নিৰ্দ্দেশ আছে নেকি? যদি আছে, সদনত দাখিল কৰিব নেকি?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম ভূমি আৰু ৰাজহ অধিনিয়ম,১৮৮৬ আৰু অসম চৰকাৰৰ ভূমি নীতি, ১৯৮৯ৰ আধাৰত মাটিৰ আৱণ্টন প্ৰাপ্ত চাহ আৰু প্ৰাক্তন চাহ শ্ৰমিকে তিনি বছৰ বা ততোধিক কাল, যি উদ্দেশ্যত মাটিৰ আৱণ্টন দিয়া হৈছিল সেই উদ্দেশ্যত অবিৰত ভাৱে দখল কৰি থকা মাটিৰ আৱণ্টন পত্ৰ দাখিল কৰি আবেদন কৰিলে, প্ৰথমতে একচনা পট্টা আৰু পৰৱৰ্ত্তী পৰ্য্যায়ত ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা আছে।

(খ) ২২ খন জিলাৰ পৰা পোৱা তথ্য মতে২০০৬-০৯চনলৈ ৩,৭৩৪ জন চাহ আৰু প্ৰাক্তন চাহ শ্ৰমিকক মাটিৰ পট্টা প্ৰদান কৰা হৈছে। জিলা ভিত্তিত পৰিশিষ্ট 'ক' ত তথ্য উল্লেখ কৰা হ'ল।

জিলাৰ উপায়ুক্তৰ পৰা প্ৰাপ্ত পট্টা পোৱা চাহ আৰু চাহ শ্ৰমিকৰ তালিকা পৰিশিষ্ট 'খ' ত সংলগ্ন কৰা হ'ল। বাকী জিলাৰ তথ্য বিচৰা হৈছে।

(গ) উপায়ুক্তই দিয়া তথ্য পৰিশিষ্ট 'গ' ত দাখিল দিয়া হ'ল। বাকী জিলাৰ তথ্য বিচৰা হৈছে।

(ঘ) আছে। পৰিশিষ্ট 'ঘ', 'ঙ' আৰু 'চ' ত সংলগ্ন কৰা হ'ল।

বিষয় ঃ কল্যাণমূলক আঁচনি।

শ্রী অনুপ ফুকনে সুধিছে ঃ

৭৬৮ । মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ জনজাতি সকলৰ বাবে যোৱা ২০০৬-০৭ বৰ্ষৰ পৰা কি কি আঁচনিত কিমান পৰিমাণৰ ধন আৱণ্টন হৈছিল আৰু এতিয়ালৈকে কিমান ব্যয় তথা কার্য্যকৰী কৰা হৈছে? (জিলা তথা সমষ্টি ভিত্তিত তালিকা দিব।)

(খ) ডিব্রুগড় জিলাৰ টিংখং সমষ্টিত ব্যক্তিগত ভাবে কিমান চাহ জনজাতিৰ লোকক আর্থিক বা অন্যান্য সাহায্য আগবঢ়োৱা হৈছে। (হিতাধিকাৰী সকলৰ নাম, পিতা/স্বামীৰ নাম, বয়স, আঁচনিৰ নামৰ তালিকা ২০০৬-০৭ বৰ্ষৰ পৰা বৰ্ষ ভিত্তিত দাখিল কৰিব।)

(গ) চাহ জনজাতি আৰু আদিবাসী বুলি সুকীয়া সুকীয়াকৈ কল্যাণ আঁচনিত সাহায্য দিয়া হৈছে নেকি? যদি কৰা নাই, কৰাৰ বাবে চৰকাৰৰ মতামত জনাবনে?

শ্রী পৃথিবী মাঝি(চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) অসমৰ চাহ জনজাতি সকলৰ উন্নয়নৰ বাবে চাহ ও প্রাক্তন চাহ জনজাতি কল্যান বিভাগে ২০০৬-০৭ বৰ্ষৰ পৰা ২০০৯-১০ বৰ্ষলৈ আৱণ্টন পোৱা ধনৰ পৰিমাণ আঁচনি অনুযায়ী পৰিশিষ্ট-১ত দেখুৱা হ'ল। ব্যয়ৰ হিচাব পৰিশিষ্ট-২,৩,৪,৫,৬ আৰু ৭ তদেখুৱা হল। আঁচনি সমূহ মহকুমা ভিত্তিতহে ৰূপায়ন কৰা হয়।

(খ) এই বিভাগৰ ফালৰ পৰা প্রদান কৰা মঞ্জুৰী সমূহ মহকুমা ভিত্তিতহে মুকলি কৰি দিয়া হয়। তথাপি ডিব্রুগড় জিলাৰ টিংখং সমষ্টিৰ ব্যক্তিগত হিতাধিকাৰী সকলৰ তালিকা সংশ্লিষ্ট মহকুমা কল্যাণ বিষয়াৰ পৰা সংগ্রহ কৰাৰ দিহা কৰা হৈছে।

(গ) এই বিভাগৰ সঞ্চালকালয় জৰিয়তে মোকলাই দিয়া সকলো সাহায্য মঞ্জুৰী চাহ জনজাতিৰ নামতহে মোকলাই দিয়া হয়। সুকীয়া সুকীয়াকৈ চাহ জনজাতিবা আদিবাসীৰ নামত দিয়া নহয়।

এই বিষয়ে এই বিভাগৰ হাতত কোনো তথ্য নাই ।

শ্রী বিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

বিষয় ঃ মাটিৰ পট্টা প্রদান ।

৭৬৯ । মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ছিপাঝাৰ বিধান সভা সমষ্টিত ছিপাঝাৰ ৰাজহ চক্রৰ অন্তর্গত ১ নং শুক্তাগুৰি আৰু ২ নং শুক্তাগুৰি নামৰ দুখন ৰাজহ গাওঁ থকাটো সত্যনে?

(খ) এই গাওঁ দুখনৰ বাসিন্দা সকলে নিয়মীয়াকৈ খাজনা আদায় দি থকাৰ পাছতো আজিলৈকে মাটিৰ পট্টা নোপোৱা কথাটো চৰকাৰৰ জ্ঞাতনে?

(গ) বহু বছৰ আবেদন-নিবেদন কৰিও আজিলৈকে মাটিৰ পট্টা নোপোৱা উক্ত চৰকাৰী ৰাজহ গাওঁ দুখনৰ বাসিন্দা সকলক মাটিৰ পট্টা দিয়াৰ ক্ষেত্রত চৰকাৰে ব্যৱস্থা লৈছেনে?

(ঘ) যদি লৈছে, কেতিয়াকৈ এই ব্যৱস্থা কার্য্যকৰী হ'ব?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ছিপাঝাৰ ৰাজহ চক্রৰ ছিপাঝাৰ মৌজাত ১ নং শুক্তাগুৰি আৰু ২ নং শুক্তাগুৰি নামৰ দুখন ৰাজহ গাঁও আছে।

(খ) উক্ত দুয়োখন গাঁৱৰ বাসিন্দাসকল প্রকৃততে ননকে কুৰুৱা চাপৰি গাঁৱৰ বাসিন্দা আছিল। ব্রহ্মপুত্রৰ খহনীয়াত উক্ত গাঁও দুখন জাহ যোৱাত তেওঁলোকে উক্ত দুয়োখন গাঁৱৰ সাধাৰণ চৰকাৰী গোপাচাৰ, সংৰক্ষিত বনি আৰু অনুমতি প্রাপ্ত কৃষি সমবায়ৰ মাটিত বেদখল কৰি আছে।

উপাযুক্তৰ পৰা পোৱা তথ্য মতে সাধাৰণ চৰকাৰী মাটিত বেদখলকাৰীৰ মাজৰ পৰা কিছুলোকে মাটি পট্টন বিচাৰি আৱেদন কৰিছে। চৰজমিন তদন্তক্রমে ভুমি নীতিৰ আধাৰত যোগ্য লোকক মাটি আৱন্টন/পট্টন দিয়াৰ প্রস্তাৱ যুগুতাই থকা হৈছে।

(গ) উত্তৰ 'খ' দফাত দিয়া হৈছে।

(ঘ) ভূমি নীতি অনুসৰি মাটি আবন্টন/পট্টন দিয়াৰ ব্যৱস্থা লৈ থকা হৈছে।

(UNSTARRED QUESTION NO. 770 WAS DEFFERED)

(Short Notice Question Nos. 16 to 20 could not be taken up for disposal on the questioners were not present in the House when for. However, the said questions deemed to have been laid on the table of the House with replies there to.)

বিষয় ঃ তাকৰীয় সময়ৰ প্ৰশ্ন নংঃ-১৬

শ্ৰী শম্ভু সিং মাল্লাহে সুধিছে ঃ

১৬ । মাননীয় আৰকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাতাবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত চাহবাগিচাবোৰত দেশীয় মদ অবৈধভাৱে বনোৱা সম্পৰ্কে চৰকাৰ আৱগতনে?

(খ) যদি অবগত, ইয়াক বন্ধ কৰাৰ বাবে কি কি ব্যৱস্থালোৱা হৈছে?

(গ) যদি অৱগত নহয়, তেতিয়া হলে তদন্তৰ ব্যৱস্থা কৰি ইয়াৰ প্ৰতিবেদন সদনত দাখিল কৰিবনে?

শ্ৰী গৌতম ৰয় (আৰকাৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) দেশীয় মদ অবৈধভাৱে বনোৱাটো বন্ধ কৰাৰ বাবে আৱকাৰী বিভাগে সময়ে সময়ে উল্লেখিত অঞ্চলবোৰত আৱকাৰী অভিযান চলাই অবৈধভাৱে বনোৱা বহু পৰিমানৰ দেশীয় মদ জব্দ আৰু ধবংস কৰাৰ লগতে এই অবৈধ ব্যৱসায়ৰ লগত জড়িত ব্যক্তিক আটক কৰে। ২০০৯ চনৰ জানুৱাৰী মাহৰ পৰা ২০১০ চনৰ মার্চ মাহৰ ১৫ তাৰিখলৈকে আৱকাৰী অভিযানৰ খতিয়ান অনুবদ্ধ 'ক' ত দিয়া হ'ল।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰী শম্ভু সিং মাল্লাহে সুধিছে ঃ

১৭ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কৰিমগঞ্জ জিলাৰ ৰাতাবাৰী সমষ্টিৰ নিম্ন লিখিত PMGSY আঁচনিৰদ্বাৰা নিৰ্মিত ৰাস্তাবোৰৰ কাম নিম্নমানৰ হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) (১) বিশেষকৈ সিঙ্গিৰপাৰ ৰাস্তা, (২) ৰাজাৰামপুৰ ৰাস্তা, (৩) চনটিলা কালাচেৰা ৰাস্তা উল্লেখযোগ্য ?

(গ) যদি অৱগত, চৰকাৰে ইয়াৰ কি কি ব্যৱস্থা লৈছে?

(ঘ) যদি অৱগত নহয়, তেনেহলে ইয়াৰ উচিত তদন্তৰ ব্যৱস্থা কৰিবনে?

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কৰিমগঞ্জ জিলাৰ ৰাতাবাৰী সমষ্টিৰ PMGSYৰ দ্বাৰা নির্মাণৰত পথসমূহৰ মানদণ্ড সম্পর্কে চৰকাৰ অৱগত। পথসমূহ সময়ে সময়ে বিভাগীয় বিষয়াৰ উপৰিও কেন্দ্রীয় পর্য্যবেক্ষক (NQM) আৰু ৰাজ্যিক পর্য্যবেক্ষক (SQM)য়ে নিৰীক্ষণ কৰিছে। দুই এটা আসোঁৱাহৰ বাদে সামগ্রিক ভাৱে পথৰ মানদণ্ড নিম্ন নহয়।

(খ) সিঙ্গিৰপাৰ পথ আৰু ৰাজাৰামপুৰ পথ যথাক্রমে PMGSY পেকেজ নং AS-13-43 আৰু AS-13-44 ৰ অন্তর্গত। উক্ত পথ দুটাৰ গুণগত মানদণ্ড বিভাগীয় বিষয়াৰ উপৰিও NQM আৰু SQM য়ে নিৰীক্ষণ কৰিছে। চনটিলা কালাচেৰা নামৰ কোনো পথ গড়কাপ্তানী বিভাগৰ অধীনত নাই।

(গ) SQM ও NQM ৰ নিৰীক্ষণত আঙুলিয়াই দিয়া আঁসোৱাহসমূহ সংশোধনৰ বাবে নিবিদা চুক্তি অনুসৰি ঠিকাদাৰক নির্দ্দেশ দিয়া হৈছে আৰু এই সংশোধনৰ কাম বিভাগীয় বিষয়াৰ পর্য্যবেক্ষণত চলি আছে।

(ঘ) যিহেতু বিভাগ ও ঠিকাদাৰ ত্রুটি সংশোধনৰ বাবে বিধিগত ভাবে দায়বদ্ধ আৰু সংশোধনৰ কামো কৰি থকা হৈছে। গতিকে তদন্তৰ প্রয়োজন হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রী শম্ভু সিং মাল্লায়ে সুধিছে ঃ

১৮ । মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) কৰিমগঞ্জ জিলাৰ অন্তর্গত Veterinary State Dispensary /Sub Centre/ Surgeon Quarter/Chowkidar Quarter আৰু অন্যান্য কর্মচাৰীৰ Quarter সমূহ সম্পূর্ণ ৰূপে বিনষ্ট হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, উক্ত Quarter সমূহ পুনঃ নির্মাণৰ কাৰণে চৰকাৰে কি পদক্ষেপ লৈছে, জনাবনে?

শ্রীখৰ ছিং ইংতি (পশুপালন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) মেৰামতি কৰিবলগীয়া পশু চিকিৎসানুষ্ঠান আদিৰ গৃহ সমূহ মেৰামতিৰ কাৰণে নিবিদা (Tender) গ্রহণ কৰা হৈছিল। এই কামখিনি সাময়িক ভাৱে স্থগিত ৰখা হৈছে আৰু নিবিদা সংক্রান্তীয় আসোঁৱাহ দুৰীকৰণৰ বাবে অনুসন্ধান চলাই থকা হৈছে। অনুসন্ধান প্রক্রিয়া সম্পূর্ণ হ'লেই কামখিনি কৰা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রী বৃন্দাবন গোস্বামীয়ে সুধিছেঃ

১৯ । মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) তেজপুৰ নগৰ পানী যোগান আঁচনিখন বিভাগীয় হেমাহী আৰু দুর্নীতিৰ বাবে কার্যকৰী নহল। বর্তমান বিষয়টো উচ্চতম ন্যাযালয়ত গোচৰাধীন হৈ আছে? বিগত বিশ বছৰ ধৰি তেজপুৰ নগৰ বাসীয়ে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ আছে। চৰকাৰী বিভাগ আৰু চোৱেজ বোর্ডৰ তৎপৰতাৰ অভাৱৰ বাবে তেজপুৰীয়া ৰাইজক জীয়াতু ভূগিবলৈ দিয়াতো উচিত হৈছে নে? এই ক্ষেত্রত চৰকাৰে বিকল্প জৰুৰী ব্যৱস্থা কেতিয়া ল'ব জনাবনে?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) প্রকৃত পক্ষে তেজপুৰ নগৰ পানী যোগান আঁচনিখন বিভাগীয় হেমাহী বা দুর্নীতিৰ বাবে কার্যকৰী নোহোৱাতো সত্য নহয়। বিষয়টো বর্তমান উচ্চতম ন্যায়ালয়ত গোচৰাধীন হৈ থকাটো সত্য। কিয়নো তেজপুৰ পানী যোগান আঁচনিখনৰ ৰূপায়নৰ ক্ষেত্রত প্রথমে নিবিদা আহ্বান কৰা হৈছিল ২০/০৭/০৯ তাৰিখে। নিবিদা কমিটিয়ে মাৰফৎ সুভাষ প্রজেক্ট এন্দ মার্কেটিং লিমিটেডক তেজপুৰ পানী যোগান আঁচনিৰ কামৰ ঠিকা দিবলৈ অনুমতি প্রদান কৰিছিল। সেইমর্মেপৰিষদে ১০/০৩/১৯৯১ চনত কাম কৰিবলৈ অনুমতি প্রদান কৰে।

(Except Distribution Network and T.P. of Zone-I),পৰিষদৰ নির্দেশমর্মে ঠিকাদাৰে ১৯৯২ চনত খন্দ ১ নং ৰ কাম আৰম্ভ কৰিছিল। ১৯৯২ চনৰ পৰা ১৯৯৫ চনলৈ কামৰ অগ্রগতি হৈছিল যদিও ১৯৯৫ চনৰ পৰা ঠিকাদাৰে সম্পূর্ণৰূপে কাম কৰাৰ পৰা বিৰত থাকে। ইয়াৰ কাৰণ হ'ল খণ্ড নং২টো তেজপুৰ ঔগুৰি পাহাৰৰ ওপৰত বনোৱাৰ বাবে নির্দ্ধাৰিন কৰা হৈছিল। কিন্তু সেই ঠাইত শিল কাটিব লগীয়া হোৱাত অতিৰিক্ত ধনৰ দাবী কৰিছিল। পৰিষদৰ দ্বাৰা ইয়াৰ সুমীমাংসা কৰা হৈছিল যদিও সময়মতে ঠিকাদাৰে হৈ যোৱা কামৰ ধন নোপোৱাৰ বাবে কাম পেলাই থৈ দিছিল। ইয়াৰ পাছত ঠিকাদাৰে ন্যায়ালয়ৰ দ্বাৰস্থ হয়। যিহেতু এতিয়ালৈকে বিষয়টো উচ্চতম ন্যায়ালয়ে মীমাংসা কৰি দিয়া নাই বাবে চৰকাৰে আঁচনিখন সম্পূর্ণ আগবাঢ়িব পৰা নাই।

বিষয় ঃ সমবায় সমিতিৰ সংখ্যা।

ডাঃ আদিত্য লাংথাছাই সুধিছেঃ

২০ । মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বর্তমানলৈকে হোজাই মহকুমাৰ অন্তর্গত সমবায় সমিতিৰ সংখ্যা কিমান?

(খ) উক্ত সমবায় সমিতি সমূহৰ অন্তর্গত ডিলাৰ (Dealer) ৰ সংখ্যা কিমান?

(গ) উক্ত ডিলাৰ সমূহৰ অন্তর্গত এ পি এল বি পি এল আৰু অন্তদয়া গ্রাহকৰ সংখ্যা কিমান নাম সহ তথ্য জনাব?

শ্রী ভৰত চন্দ্র নৰহ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হোজাই মহকুমাত সর্বমুঠ১৫৭ খন সমবায় সমিতি আছে। তাৰে ভিতৰত ১৮ খন গাওঁ পঞ্চায়ত সমবায় সমিতি।

(খ) হোজাই মহকুমাত সমবায় সমিতি সমূহৰ অন্তর্গত ৪৮৮ জন ডিলাৰ (Dealer) আছে।

(গ) উক্ত ডিলাৰ সমূহৰ অন্তর্গত এ পি এল বি পি এল আৰু অন্তদয়া গ্রাহকৰ সংখ্যা তলত দিয়া হ'ল।

এ পি এল - ৩৬, ৪২৫ জন।
বি পি এল - ১১, ২৭২ জন।
অন্তদয়া - ৭, ৮১৩ জন।

হিতাধিকাৰী সকলৰ নামৰ তালিকা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কার্য্যালয়তহে উপলব্ধ হোৱাৰ বাবে উক্ত তালিকা যোগান ধৰিব পৰা নগল।

Mr. Speaker : Now, Short Notice Question No. 21, Hon'ble Member, Shri Abdul Khaleque.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং-২১।

শ্রী আব্দুল খালেকে সুধিছে ঃ

২১। মাননীয় নির্ব্বাচন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসম ৰাজ্যত বর্তমানে কিমান 'ডি' ভোটাৰ আছিল?

(খ) এই 'ডি' ভোটাৰ সকলৰ সৃষ্টি কোন চনত হৈছে? ভাৰতৰ আন কোনো ৰাজ্যত 'ডি' ভোটাৰ আছে নেকি?

(গ) ৰৰপেটা জিলাত এনে ভোটাৰৰ সংখ্যা কিমান?

(ঘ) জনীয়া সমষ্টিত কিমান 'ডি' ভোটাৰ আছে? ভোটগ্রহন কেন্দ্র ভিত্তিক বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

শ্রী ভৰত চন্দ্র নৰহ (ভাৰপ্রাপ্ত মন্ত্রী) য়ে নির্ব্বাচন বিভাগৰ হৈ উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যত ইং ২৮/০২/২০১০ তাৰিখলৈ 'D' ভোটাৰ আছিল ১,৫১,৮৫৪ জন।

(খ) ১৯৯৭ চনৰ ভোটাৰ তালিকাৰ বিস্তৃত সংশোধনীৰ সময়ত ভাৰতৰ নির্ব্বাচন আয়োগৰ নির্দ্দেশা অনুযায়ী যিসকল ভোটাৰে ভাৰতীয় নাগৰিকত্বৰ উপযুক্ত নথি-পত্রৰে সৈতে প্রমাণ কৰিব নোৱাৰিলে সেইসকলভোটাৰৰ নামৰ বিপৰীতে 'D' আখৰ লিখা হৈছিল। ভাৰতৰ আন কোনো ৰাজ্যত 'D' চিহ্নযুক্ত ভোটাৰ আছে নে নাই জনা নাযায়।

(গ) ৰৰপেটা জিলাত 'D' ভোটাৰৰ সংখ্যা - ২৪,১৫৮ জন।

(ঘ) জনীয়া সমষ্টিৰ ভোটাৰ তালিকাত-৬,৬৫৩ জন 'D' ভোটাৰ আছে। ভোট গ্ৰহণ কেন্দ্ৰৰ অনুয়ায়ী বিতং তথ্য ইয়াৰ লগত গাঠি দিয়া হ'ল।

(Short Notice Question Nos. 22,23,24 could not be taken up for disposale as the Questioner were not present in the House when called for. However the said questions deemed to have been laid on the table of the House with replies there to).

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰী বৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

২২। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰ উন্নয়ন কৰ্ত্তৃপক্ষ (Tezpur Dev. Authority) খন গঠন হ'লনে? ইয়াৰ সভাপতি আৰু সদস্য সকল কোন কোন?

(খ) যদি গঠন হোৱা নাই কিয় হোৱা নাই? জনাবনে?

(গ) গৃহ নিৰ্মাণৰ ক্ষেত্ৰত উল্লেখিত অনুষ্ঠানটিয়ে মাচুল বৃদ্ধি কৰাটো হয়নে? যদি কৰিছে, কিমান নিৰিখত বৃদ্ধি কৰিছে? এই সিদ্ধান্ত কোন খন সভাত লোৱা হৈছিল?

(ঘ) যদি তেজপুৰ উন্নয়ন কৰ্ত্তৃপক্ষ গঠন হৈছে, যোৱা দুবছৰত কিমান খন সভা অনুষ্ঠিত হ'ল?

শ্ৰী দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, হৈছে। সভাপতি আৰু সদস্য সকলৰ চৰকাৰী নিযুক্তিৰ জাননী পৰিশিষ্ঠ 'ক' আৰু 'খ' ত দিয়া আছে।

(খ) প্ৰশ্ন নুঠে।

(গ) হয়। এই বৃদ্ধিৰ হাৰ অসম আৰ্হিৰ ঘৰৰ ক্ষেত্ৰত প্ৰতি বৰ্গ মিটাৰত ৩/- টকাৰ পৰা ৫/- টকা আৰু পকীঘৰ নিৰ্ম্মানৰ ক্ষেত্ৰত প্ৰতি বৰ্গ মিটাৰত ৬/- টকাৰ পৰা ১০/- টকালৈ বৃদ্ধি কৰা হৈছে। মাচুল বৃদ্ধিৰ সিদ্ধান্ত তেজপুৰ উন্নয়ন

প্রাধিকৰণে যাৰা ইং২৯/০১/২০০৯ তাৰিখে অনুষ্ঠিত হোৱা সভাত গৃহীত কৰিছে। উক্ত সভাৰ কার্য্য বিবৰনীৰ নকল পৰিশিষ্ঠ 'গ' ত দিয়া আছে।

(ঘ) তেজপুৰ উন্নয়ন প্রাধিকৰণে যোৱা দূবছৰত দুখন সভা অনুষ্ঠিত কৰিছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রী বৃন্দাবনগোস্বামীয়ে সুধিছে ঃ

২৩ । মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) তেজপুৰ 'ধূবী পুখুৰীত' সৌন্দর্য্য বর্ধন আৰু উন্নয়নৰ আঁচনি লাৱাটো সঁচানে? সৌন্দর্য্য বর্ধনৰ বাবে কি কি আঁচনি লৈছে?

(খ) যদি হয়, উল্লেখিত আঁচনিৰ ধন কেন্দ্রীয় চৰকাৰৰ শিতানৰ ধনেৰে কৰা হৈছেনে? পূর্বতে এই ধনৰ বাবে সুকীয়া আঁচনি আছিল নেকি?

(গ) যদিহে আছিল, আঁচনি কেতিয়া সলনি কৰা হ'ল? পৰিবর্তিত আঁচনি পুনৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰৰ কোনটো স্তৰত অনুমোদনৰ প্রয়োজন সেইমতে লোৱা হৈছিলনে? কেন্দ্রীয় চৰকাৰৰ ধন সেই স্তৰতো অনুমোদনৰ প্রয়োজন আছিলনে? যদি হয, অনুমোদন লোৱা হৈছিলনে?

(ঘ) বর্তমানলৈ কিমান ধন ব্যয় কৰা হ'ল আৰু কিমান কাম সম্পূর্ণ হ'ল? কিমান ধন জমা আছে? কাক কামৰ দায়িত্ব দিয়া হৈছে আৰু কি পদ্ধতিত দিয়া হৈছে?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা। সৌন্দর্য্য বর্ধনৰ বাবে তেজপুৰৰ ধুবী পুখুৰীত সুৰক্ষা বেৰ নির্মান, মূর্ত্তি স্থাপনৰ বাবে বেদী নির্মান, চাৰিওফালে সু-সর্জ্জিত বেৰ নির্মান আদিৰ আঁচনি লোৱা হৈছে।

(খ) কেন্দ্রীয় সাহার্য্য প্রাপ্ত আঁচনি 'IDSMT' আঁচনি ৰূপায়নৰ বাবে কেন্দ্রৰ ৬০% শতাংশ আৰু ৰাজ্য চৰকাৰৰ ৪০% শতাংশ ধনৰ ব্যৱস্থা আছে যদিও উল্লেখিত আঁচনিৰ ধন ৰাজ্য চৰকাৰৰ অংশৰ পৰা খৰচ কৰা হৈছে। তেনেকোনো সুকীয়া আঁচনি নাছিল।

(গ) প্রশ্ন নুঠে।

(ঘ) বর্তমানলৈ ১৮,৫৫,৫০৫/- টকা ব্যয় কৰা হ'ল আৰু ১০০% কাম সম্পূর্ণ হৈছে। উক্ত আঁচনিৰ বজাৰ নির্মান/গাড়ী ৰখা ঠাই উন্নয়ন আঁচনিৰ কাম আৰম্ভ হোৱা নাই আৰু এই আঁচনিৰ সম্পূর্ণ ধন ৫৭.৫০ লাখ টকা জমা আছে। নিবিদাৰ জৰিয়তে শ্রীবাবুল নাথক বাচনি কৰি উক্ত কামৰ দায়িত্ব দিয়া হৈছিল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী প্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৪ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজহুৱা আবেদন, বিধায়কৰ অনুৰোধ, বিধান সভাৰ প্রশ্নত্তোৰ স্বত্বেও এন এইচ ৩৭ৰ গড়মূৰৰ পৰা চাপানালা, গোমোঠা গাঁৱৰ পৰা বঢ়মপুৰ হৈ বামুণীলৈ, কঠিয়াতলীৰ পৰা কামপুৰ,ববকোলাৰ পৰা কামপুৰ, কঠিয়াতলীৰ পৰা চালনা এই পথকেইটা উন্নয়নৰ বাবে কিয় ব্যৱস্থা লোৱা নহ'ল জনাবনে?

(খ) ২০০১চনৰে পৰা মেৰামতিৰ অভাবত বিধস্ত হোৱা পথকেইটা মেৰামতিৰ বাবে ৰাইজে প্রতিবাদী কার্য্যসূচী হাতত লোৱাটো চৰকাৰে বিচাৰে নেকি?

(গ) এই বছৰত উক্ত পথ কেইটাৰ নির্মাণৰ কাম চৰকাৰে সম্পূর্ণ কৰিবনে?

(ঘ) যদি কৰিব নোৱাৰে, নকৰাৰ কাৰণ কি জনাবনে?

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) মাননীয় বিধায়কৰ অনুৰোধ মর্মে ইতিমধ্যে গোমোঠা গাঁৱৰ পৰা বঢ়মপুৰ হৈ বামুনী পথটি AP 2009-10 বর্ষত ৫০.০০ লাখ টকাৰ অনুমোদন দিয়া হৈছে। কঠিয়াতলীৰ পৰা কামপুৰ পথটি ইতিমধ্যে NABARD ৰ RIDF - XV আঁচনিত ৩৫০.০০ লাখ টকাৰ প্রাক্কলন জমা দিয়া হৈছে। বাকীকেইটা পুঁজি সাপেক্ষে উন্নয়নৰ ব্যৱস্থা লোৱা হ'ব।

(খ) ৰাইজে প্রতিবাদী কার্য্যসুচী লোৱাটো চৰকাৰৰ কাম নহয়।

(গ) আঁচনি অনুমোদন প্রাপ্ত পথৰ কাম সমূহ সময় মতে সম্পূর্ণ কৰিব পৰা যাব।

(ঘ) আঁচনি অনুমোদন নথকা পথৰ কাম কৰিব পৰা নাযাব; কিয়নো FRBM Rule মতে অনুমোদন নোহোৱা আঁচনিৰ কাম কৰাটো আইনমতে দণ্ডনীয়।

(Mr. Speaker:Now, Short notice Question No.25, Hon'ble Member, Md. Mohibul Hoque.)

মোঃ মহিবুল হকে সুধিছেঃ

বিষয়ঃ মাননীয় বিধায়ক মোঃ মহিবুল হকে ২০১০ চনৰ বাজেট অধিবেশনত সোধা তাকৰীয়া প্রশ্নৰ জাননীঃ

২৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনত সর্বমুঠ কেইখন I.I.D. (Integrated Infrastructure Dev), I.G.C. (Industrial Growth Centre) আৰু Border Trade Centres আছে আৰু ক'ত ক'ত আছে?

(খ) গৌৰীপুৰ সমষ্টিত উক্ত পর্য্যায়ৰ প্রতিষ্ঠান স্থাপিত কৰাৰ প্রস্তাৱ চৰকাৰে বিবেচনা কৰিবনে?

(গ) North East Industrial Investment Promotion Policy) ৰ সফলতা ৰাজ্যখনত কিদৰে হৈছে তাৰ এক বিৱৰণ সদনত দাঙি ধৰিবনে?

(ঘ) মুখ্যমন্ত্রীৰ কর্ম্মজ্যোতি আঁচনি আৰু উদ্যোগজ্যোতি আঁচনি কোন কোন সমষ্টিৰ ৰূপায়ন কৰা হৈছে জনাবনে?

(ঙ) উদ্যোগিক দিশত পিছপৰি থকাৰ বাবে চৰকাৰে অতি পলমে গৌৰীপুৰ সমষ্টিত কেন্দ্রীয ৰাজ্য চৰকাৰৰ আঁচনিমতে উদ্যোগ বা বানিজ্যক কেন্দ্র স্থাপন কৰাৰ কথা ঘোষনা কৰিব পাৰেনে?

শ্রী প্রদ্যুত ৰবদলৈ (উদ্যোগ আৰু বানিজ্যবিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) বর্তমানে অসমত১১ টা I.I.D.C. (সংহত আন্তঃগাঠনি উন্নয়ন কেন্দ্র), ৩ টা I.G.C. (Industrial Growth Centre) আৰু ৩ টা BTC (সীমা বানিজ্য কেন্দ্র) আছে। এই কেন্দ্র কেইটা হ'ল - IIDC

(১) ৰঙিয়া, জিলা - কামৰূপ,
(২) নলবাৰী, জিলা - নলবাৰী,
(৩) দল-গাওঁ - দৰং
(৪) ভোমোৰাগুৰি, জিলা - নগাওঁ
(৫) চিলাপথাৰ, জিলা - ধেমাজি,
(৬) বান্দৰদোৱা, জিলা - লক্ষীমপুৰ,
(৭) তিতাবৰ, জিলা - যোৰহাট,
(৮) ডিমৌ, জিলা - শিৱসাগৰ,
(৯) মালিনীবিল, জিলা - কাছাৰ,
(১০) পার্বতীপুৰ, জিলা - তিনিচুকীয়া,
(১১) চেৰফাংগুৰি, জিলা - কোকৰাঝাৰ।

Industrial Growth Centre (I.G.C)

(১২) মাটিয়া, জিলা - গোৱালপাৰা,
(১৩) বালিপাৰা, জিলা - শোনিতপুৰ,
(১৪) ছয়গাওঁ-পাটগাওঁ - কামৰূপ।

Border Trade Centre (B.T.C.)

(১৫) সুতাৰকান্দি, জিলা - কৰিমগঞ্জ,
(১৬) মানকাচাৰ, জিলা - ধুবুৰী,
(১৭) গোলকগঞ্জ, জিলা - ধুবুৰী।

(খ) ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিত, উক্ত পর্য্যায়ৰ প্রতিষ্ঠান স্থাপন কৰা প্রস্তাৱ বর্তমানে চৰকাৰৰ হাতত নাই।

(গ) বিভিন্ন জিলা উদ্যোগ কেন্দ্র, অসম উদ্যোগীক উন্নয়ন নিগম, নেডফি ইত্যাদিৰ তথ্যমতে২০০৭ চনৰ ১এপ্রিল তাৰিখৰ পৰা বর্তমানলৈ পঞ্জিয়নভুক্ত উদ্যোগৰ সংখ্যা এনেধৰণৰ,- (ক) ক্ষুদ্র আৰু মজলীয়া উদ্যোগঃ মুঠ সংখ্যা -৬৫২ টা, প্রস্তাৱিত বিনিয়োগ- ৩৩২১.৯৭ কোটি টকা, প্রস্তাৱিত কর্মচাৰীৰ সংখ্যা-

২৬,৬৫০ জন। (খ) বৃহৎ উদ্যোগঃ মুঠ সংখ্যা ৯২ টা, প্রস্তাৱিত বিনিয়োগ-১১,৩৭৮ কোটি। ওপৰত উল্লেখ কৰা এই বৃহৎ সংখ্যক উদ্যোগৰ বেচিভাগেই NEIIPP ৰ অধীনত বিভিন্ন ৰাজসাহায্য ইত্যাদিৰ প্রতি আকর্ষিত হৈ দেশৰ বিভিন্ন প্রান্তৰ উদ্যোগীয়ে স্থাপন কৰা বা কৰিব খোজা উদ্যোগ।

(ঘ-১) মুখ্যমন্ত্রীৰ কর্মজ্যোতি আঁচনিখন তলত দিয়া সমষ্টি সমূহত ৰূপায়ন কৰা হৈছে,

২০০৫-০৬ চনতঃ ধুবুৰী, দঃ শালমাৰা, মানকাচাৰ, দূধনৈ, গোৱালপাৰা, দঃ অভয়াপুৰী, বৰপেটা, নলবাৰী, ধর্মপুৰ, বৰমা, বকো, ছয়গাওঁ, হাজো, কমলপুৰ, ৰঙিয়া, জালুকবাৰী, পাঠশালা,পঃগুৱাহাটী, দিশপুৰ, ৰহা, বটদ্রৱা, ৰূপহীহাট, চামগুৰি, নগাওঁ, ধিং, মৰিগাওঁ,গোলাঘাট,দেৰগাওঁ,মাজুলী, তিতাবৰ, টিয়ক, যোৰহাট, আমগুৰি, মাহমৰা, সোনাৰী, শিৱসাগৰ, ডিব্রুগড়, নীহৰকটীয়া, মৰাণ, ডুলীয়াজান, তিনিচুকীয়া, শদিয়া, মার্ঘেৰিটা, মঙ্গলদৈ, চিপাঝাৰ, গহপুৰ, চতিয়া, লক্ষীমপু, বিহপুৰীয়া, জোনাই, শিলচৰ, উদাৰবন্দ, বৰখোলা, লক্ষীপুৰ, কাটলিচেৰা, বদৰপুৰ, পাথাৰকান্দি, বৰক্ষেত্রী,হোজাই।

২০০৬-০৭ঃ পূব গুৱাহাটী, বিশ্বনাথ, বৰচলা, তেজপুৰ, জাগীৰোড, থাওৰা, সোনাৰী, ঢকুৱাখানা, নাওবৈচা, লাহোৱাল, টিংখাং, চাবুৱা, ডিগবৈ, ডুমডুমা, বঙাইগাওঁ, দলগাওঁ, ধেমাজি, পূঃগোৱালপাৰা, পাটাচাৰকুছি,জনিয়া, সৰুক্ষেত্রী, বোকাখাত, সৰুপথাৰ, খুমটাই, মৰিয়নী, তিতাবৰ, গৌৰীপুৰ।

২০০৮-০৯ঃ ভবানীপুৰ, সৰভোগ, বাঘবৰ, চেঙা, ঢেকিয়াজুলী, বিহালী, ৰঙাপাৰা, কলিয়াবৰ, বৰহমপুৰ, যমুনামুখ, লামডিং, কলাই গাওঁ, লাহৰিঘাট, জলেশ্বৰ, পঃবিলাসীপাৰা, পূঃবিলাসীপাৰা, গোলকগঞ্জ,উঃঅভয়াপুৰী, কাটলিচেৰা, আলগাপুৰ।

(২) উদ্যোগজ্যোতি আঁচনিখন সমষ্টিভিত্তিত নহয়, জিলাভিত্তিতহে ৰূপায়ন কৰা হয়।

উত্তৰ (ঙ) এই সম্পর্কত সিদ্ধান্ত লিৱা হোৱা নাই।

(Short Notice Question No. 26 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said, question deemed to have been laid on the table of the House with replies there to.)

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কলিয়াবৰ গড়কাপ্তানী গ্ৰাম্য পথ সংমণ্ডলটোত ২০০৬ চনত ৬ জন সহকাৰী অভিযন্তাক চৰকাৰে নিযুক্তি দিছিল। তাৰে মাত্ৰ এজন সহকাৰী অভিযন্তাক পকীপথ নিৰ্ম্মণ, কলিয়া ভোমোৰা দলঙৰ টোল সংগ্ৰহ আদি সকলো দায়িত্ব ন্যস্ত কৰি অন্যান্য ৫ জনক কৰ্ম্মবিহীন ভাবে ৰখাৰ কাৰণ কি জনাবনে।

(খ) পথ পকীকৰণ কামত ব্যৱহাৰ বয়বস্তুৰ জোখমাখ, জোখ মাফৰ চৰকাৰী নথিত (Measurement Book) নথিভুক্ত কৰি তাৰ বিপৰীতে ঠিকাদাৰক প্ৰাপ্য আদায় দিয়াটো চৰকাৰী বিধি। কিন্তু সেই বিধি উলংঘা কৰি বিভাগীয় বিষয়াই ঠিকাদাৰক এক বৃহৎ পৰিমানৰ ধন আদায় দিয়াটো সত্য নে। যদি সত্য হয়, তদন্তকৰি দোষীক শাস্তিৰ ব্যৱস্থা কৰিবনে।

(গ) উক্ত সংমণ্ডলৰ ভিতৰতে বালিবাট পথ আৰু কঠাল গুৰিৰ পৰা আমনি পথত পূৰ্ব্বতে কৰি থোৱা জি, এচ, বিৰ ওপৰতে পুনৰ কাগজে পত্ৰই জি, এচ,বি কৰা দেখুৱাই বৃহৎ পৰিমানৰ ধন আত্মসাৎ কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, চৰকাৰে ইয়াৰ কি ব্যৱস্থা কৰিব?

(ঘ) যোৱা চাৰিবছৰত উক্ত সংমণ্ডলত ১৭ খন শাল কাঠৰ দলং পকী দলঙলৈ ৰূপান্তৰিত হ'ল। কিন্তু পুৰনা কাঠ আৰু আইৰণ জইস্ট (Iron Joist) বোৰ কলৈ গ'ল চৰকাৰ জ্ঞাতনে? এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাবনে?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কলিয়াবৰ গড়কাপ্তানী গ্ৰাম্য পথ সংমণ্ডলটোত ২০০৬ চনত মুঠ ৭ (সাত)

জন সহকাৰী অভিয়ন্তাক চৰকাৰে নিযুক্তি দিছিল। তেওঁলোকৰ ভিতৰত ২ (দুই) জনক উক্ত সংমণ্ডলৰ কাৰিকৰী শাখাত, ২(দুই) জনক কলিয়াবৰ উপ সংমণ্ডলত আৰু ৩ (তিনি) জনক চামগুৰি উপসংমণ্ডলত বিভাগীয় কাম কাজ চোৱাৰ বাবে বিভাগীয় নির্দেশ নং ৪১ তাং ৮-০৩-২০০৬ মর্মে নিয়োগ কৰা হৈছিল। ইতিমধ্যে ৫(পাঁচ)জন সহকাৰী অভিযন্তা অন্য সংমণ্ডললৈ বদলি হৈছে আৰু ২ (দুই) জন সহকাৰী অভিযন্তা সংমণ্ডলৰ অধীনত নির্ম্মাণ হৈ থকা বিবিন্ন পথ আৰু দলং নির্ম্মাণব কাম চোৱা-চিতাৰ দায়িত্বত আছে। কলিয়া ভোমোৰা দলঙৰ টোল সংগ্রহৰ দায়িত্বত দুজন কনিষ্ঠ অভিযন্তা আৰু এজন সহকাৰী অভিযন্তাক লৈ মুঠ (তিনি) জন বিষয়া আছে। গতিকে এজন সহকাৰী অভিযন্তাক সকলো পথ, দলং আৰু কলিয়াভেমোৰা দলঙৰ টোল সংগ্রহ ইত্যাদি সকলো কামৰ দায়িত্ব ন্যস্তকৰি অন্য সহকাৰী অভিযন্তা কেইজনক কর্মবিহীন কৰি ৰখা কথাষাৰ সঁত্য নহয়।

(খ) চৰকাৰী বিধি উলংঘা কৰি কোনো কামৰ জোখ মাফ নথিভুক্ত [M.B.Record) নকৰাকে ঠিকাদাৰক ধন আদায় দিয়াটো সত্য নহয়।

(গ) কলিয়াবৰ গড়কাপ্তানী গ্রাম্য পথ সংমণ্ডল অনুসৰি গাঁৱৰ পৰা NH-37 লৈ মুঠ ৪.০০ কি.মি. দৈর্ঘ্যৰ পথটোক এই অঞ্চলত বালিবাট নামেৰে জনা যায়। উক্ত পথটোৰ নির্ম্মাণ কার্য্য PMGSY-২০০৮-০৯ বর্ষৰ অধীনত চলি আছে।

কঠালগুৰিৰ পৰা আমনিলৈ ২১ কি.মি. দৈর্ঘ্যৰ পথটো "ৰাজ্যিক ঘাই পথ"শ্রেণীৰ অন্তর্ভুক্ত। এই পথটোৰ এটা অংশ ১৮,০৪,৪৬৮.০০ টকা ব্যয় সাপেক্ষে বিশেষ মেৰামতি শিতানত (S/R) মাটি (E/W in shoulder) আৰু শিলবালিৰ (G.S.B.)কাম সম্পুর্ণ বিধিসম্মত ভাবে ১৬-০৭-২০০৭ তাৰিখে সম্পুর্ণ কৰা হয়। উক্ত পথ দুটাত পূর্বতে ক ৰি থোৱা জি.এচ.বিৰ ওপৰত পুনৰ জি.এচ.বিৰ কাম কাগজে কলমে দেখুৱাই কোনো ধন আত্মসাৎ কৰা কথাষাৰ সঁচা নহয়।

(ঘ) পকীকৰন হোৱা কাঠৰ দলং সমূহৰ কাঠ আৰু জইষ্ট (Iron Joist)সমূহ বিভাগীয় নীতি অনুযায়ী নিউমাৰিকেল একাউন্টত লোৱা হয়। পকী দলং নিৰ্ম্মাণৰ যাৱতীয় প্ৰস্তুতিত ষ্টেজিভৰ কাৰণে সংশ্লিষ্ট ঠিকাদাৰক বিভাগীয় নিয়মৰ মাধ্যমত অস্থায়ীভাৱে হস্তান্তৰ কৰা হয়। আৰু নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱাৰ পাছত উক্ত সামগ্ৰীসমূহ পুনৰ বিভাগলৈ ঘূৰাই লোৱা হয়।

(Mr. Speaker : Now, Short Notice question No. 27, Hon'ble Member, Md. Mohibul Hoque.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী মহিবুল হকে সুধিছেঃ

২৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত ৰূপচী আৰু দেবীতোলা (ICDS) অধীনত কোন কেন্দ্ৰত কোন প্ৰাৰ্থীক কিহৰ ভিত্তিত অঙ্গনবাদী কৰ্ম্মী আৰু সহায়িকা পদত নিযুক্তি দিয়া হৈছে। (বিতং তথ্য দিব।)

(খ) উক্ত প্ৰাৰ্থীবোৰৰ Selection Committee ৰ মিটিঙত Selection কৰা হৈছেনে?

(গ) যদি হৈছে, তেন্তে কোন তাৰিখত আৰু কাৰ কাৰ উপস্থিতিত সভা অনুষ্ঠিত হৈছিল তাৰ Proceeding ৰ Photocopy সদনত দাখিল কৰিবনে?

শ্ৰী অকন বৰা (সমাজ কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গৌৰীপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত দেবীতোলা শিশু উন্নয়ণ প্ৰকল্পত নতুনকৈ ৫৮ টা অঙ্গনবাদী কেন্দ্ৰ চৰকাৰৰ পৰা অনুমোদিত হৈছে ইয়াৰে ২৩ টা কেন্দ্ৰ নন বিটি ছি এলেকাৰ অন্তৰ্ভুক্ত আৰু ৩৫টা কেন্দ্ৰ বিটি ছি এলেকাৰ অন্তৰ্ভুক্ত। আনহাতে, ৰূপচী শিশু উন্নয়ণ প্ৰকল্পত ২৮ টা অঙ্গনবাদী কেন্দ্ৰ চৰকাৰৰ পৰা অনুমোদিত হৈছে। ইয়াৰে ১৭ টা নন বি.টি.ছি. এলেকাৰ অন্তৰ্ভুক্ত আৰু ১১টা কেন্দ্ৰ বি. টি. ছি. এলেকাৰ অন্তৰ্ভুক্ত। উক্ত দুয়োটা

প্রকল্পৰ অধীনত নতুনকৈ অনুমোদিত হোৱা আঙ্গনবাদী কৰ্ম্মী আৰু সহায়িকা পদতচৰকাৰৰ অধিসুচনা নং SWD.64/2007/Pt.II/10.dt/19-9-2009 & corrigendum No. SWD.64/20027/Pt.III/12 dt.22-9-09 দ্বাৰা নিৰ্দ্ধাৰণ কৰি দিয়া নীতি নিৰ্দেশনাৰ ভিত্তিত সংশ্লিষ্ট বাছনি কমিটিয়ে যোগ্য প্ৰাৰ্থীক বাচনি কৰিছে। (দুয়োটা প্ৰকল্পৰ বাছনিকৃত প্ৰাৰ্থীৰ তালিকা "ক" ত সদনৰ মেজত দাখিল কৰা হল।)

(খ) কৰা হৈছে।

(গ) দেবীতোলা শিশু উন্নয়ণ প্ৰকল্পত১-৯-২০০৯,১৭-৯-২০০৯,আৰু ৬-১২-২০০৯ তাৰিখে অনুষ্ঠিত হোৱা বাচনি কমিটিৰ সভাৰ কাৰ্য্য বিৱৰণী দাখিল কৰা হ'ল। ৰূপচী শিশু উন্নয়ণ প্ৰকল্পৰ ২২-৯-২০০৯, ২৩-৯-২০০৯,২৪-৯-২০০৯ আৰু ২-১০-২০০৯ তাৰিখে অনুষ্ঠিত হোৱা বাচনি কমিটিৰ সভাৰ কাৰ্য্য বিৱৰণীৰ তালিকা 'খ' আৰু 'গ' সদনৰ মেজত দাখিল কৰা হল।

(Short Notice question Nos. 28 to 32 could not be takenup for disposale as the questioner were not present in the House when called for, However, the said questions deemed to have been laid on table of the House with replies thereto.)

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৮। মাননীয় শক্তি (বিদ্যুত) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ ৭ নং দফা অনুসৰি ১৯৯০ চনৰ ২১ নৱেম্বৰত আমগুৰিত ৩ টা গেচ ভিত্তিক শক্তি প্ৰকল্পৰ (Gas based power project) আধাৰশিলা স্থাপন কৰা সম্পৰ্কত চৰকাৰ জ্ঞাত নে?

(খ) প্ৰকল্পটো স্থাপনৰ বাবে প্ৰয়োজনীয় যাবতীয় অনুমোদন লাভ কৰাৰ বিষয়ে চৰকাৰ জ্ঞাত নে?

(গ) ২০০৬ চনৰ ৮ মার্চ তাৰিখে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চেয়াৰমেনে তেখেতৰ চিঠি নং DO No. ASEB/CE(G)/46/Pt-II/2যোগে এই প্রকল্প নির্ম্মাণ হোৱাৰ বিষয়ে নিশ্চিতি প্রদান কৰাৰ বিষয়ে চৰকাৰ জ্ঞাত নে? (চিঠিৰ প্রতিলিপি সংলগ্ন কৰিব)

(ঘ) অসম বিধান সভাৰ মজিয়াত যোৱা ইং ১২-০৩-২০১০ তাৰিখে শক্তি মন্ত্রী ডাঙৰীয়াই উক্ত প্রকল্পৰ সম্পর্কত ইতিবাচক সহাৰি প্রদান কৰাটো সত্য নে?

(ঙ) গুৱাহাটী উচ্চন্যায়ালয়ে এই ৰাজহুৱা স্বার্থ জড়িত গোচৰৰ ৰায়ত অসম চৰকাৰৰ ওপৰত উক্ত প্রকল্প নির্ম্মাণৰ দায়িত্ব অর্পণ কৰাটো সত্য নে?

(চ) যদি সত্য, তেন্তে আজিকোপতি উক্ত নির্ম্মাণৰ কাম আৰম্ভ নোহোৱাৰ কাৰণ কি জনাবনে?

(ছ) উক্ত প্রকল্প নির্ম্মাণৰ কাম কেতিয়াকৈ আৰম্ভ কৰিব জনাবনে?

শ্রী প্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) জ্ঞাত। অসম চুক্তিয়ে অৱশ্যে প্রত্যক্ষভাবে আমগুৰি শক্তি প্রকল্পৰ কথা উল্লেখ কৰা নাছিল।

(খ) জ্ঞাত।

(গ) জ্ঞাত। চিঠিৰ প্রতিলিপি সংলগ্ন কৰা হৈছে (পৰিশিষ্ট 'ক')। চিঠিত প্রাকৃতিক গেচ উপলব্ধ হলেহে প্রকল্প ৰূপায়নৰ কথা কোৱা হৈছে।

(ঘ) হয়।

(ঙ) মাননীয় গুৱাহাটী উচ্চন্যায়ালয়ৰ PIL case No. 33,2001,03-09-2009 তাৰিখৰ নির্দ্দেশৰ সংশ্লিষ্ট অংশ তলত উল্লেখ কৰা হ'ল -

<u>পেৰা-১০ঃ</u> অনুসৰি প্রাকৃতিক গেচৰ প্রয়োজনীয় প্রাপ্তি আৰু মুল্য নির্দ্ধাৰণ হোৱাৰ পাছত এই প্রকল্পৰ ক্ষমতা ৩৬০ মেগাৰাট হ'বনে ১০৫ মেগাৰাট হ'ব সি কেন্দ্রীয় চৰকাৰৰ বিচার্য্য বিষয়। যিহেতু প্রকল্প নির্মাণৰ প্রথম সিদ্ধান্ত লোৱাৰ পৰা দুই দশক পাৰ হৈ গ'ল। স্বাভাবিকতে, এনে সিদ্ধান্ত লওতে কেন্দ্রীয় চৰকাৰে গেচৰ প্রাপ্তি, প্রকল্পৰ Feasibility উৎপাদন ব্যয় আদি

কৰি অনেক বিষয়ৰ ওপৰত বিবেচনা কৰিব লাগিব। এনে বিষয়বোৰ আদালতৰ বিচাৰৰ বাহিৰত কাৰণ এনে বিষয়বোৰ নীতি আৰু কাৰিকৰী সম্পৰ্কীয় আৰু কেন্দ্ৰীয় চৰকাৰৰ বিচাৰ্য্য বিষয়।"

পেৰা- ১১ঃ গতিকে আমি উল্লেখিত PIL ত বিচাৰামতে কোনো নিৰ্দ্দেশ জাৰি কৰা উচিত নহব। এই প্ৰকল্প স্থাপন হব নে নহব বা আন কোনো সিদ্ধান্ত লোৱা হবনে নহয়, এই বিষয়ে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ, অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত ল'ব। ইয়াৰ উপৰিও উক্ত পক্ষ সমূহে এই বিষয়ে সিদ্ধান্ত ল'ব।"

(চ, ছ)মাননীয় গুৱাহাটী উচ্চন্যায়ালয়ৰ নিৰ্দ্দেশত উল্লেখ কৰাৰ দৰেই প্ৰাকৃতিক গেচৰ প্ৰয়োজনীয় প্ৰাপ্তি আৰু গ্ৰহণযোগ্য মূল্য নিৰ্দ্ধাৰণৰ ওপৰতে এই প্ৰকল্পৰ কাম আগ বঢ়া নবঢ়াটো নিৰ্ভৰ কৰিছে। এই দুই বিষয়ৰ ওপৰত মীমাংসা হলেই প্ৰকল্প নিৰ্ম্মাণৰ কামত ততালিকে আগবাঢ়িব পৰা হ'ব। উল্লেখযোগ্যযে এনে আশা আগত ৰাখিয়েই EIA Study, EMP আৰু DPR প্ৰস্তুতিৰ কামত আগবঢ়া হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰী বৃন্দাবন গোস্বামীয়ে সুধিছেঃ

২৯। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) তেজপুৰ পৌৰসভাৰ বাবে ছলিদমেনেজমেন্টৰ এখন আঁচনি কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা হৈছেনে?

(খ) আঁচনিখনৰ বিষয়ে সবিশেষ জনাবনে? পৌৰসভাখনৰ দায়িত্ব কি কি?

(গ) আঁচনিখনৰ সালসলনি ঘোটোৱা হৈছেনে? যদি হৈছে, কেনে ধৰণে সালসলনি কৰা হৈছে?

(ঘ) আঁচনিখন কোনে কাৰ্য্যকৰী কৰিব? আঁচনিখনৰ বাবে পথ নিৰ্মাণৰ বাবে ন লাখ টকা ধাৰ্য্য কৰা হয়নে?

শ্ৰী দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয়, হৈছে।

(খ) আঁচনিখনৰ সবিশেষ তলত উল্লেখ কৰা হ'ল।

(১) আঁচনিখনৰ নাম ঃ Centrally Sponsored Scheme for Solid Waste Management & Drainage Scheme in 10 selected Air Field Town in Tezpur, Assam.

(২) আচনিখনৰ মুঠ প্রস্তাৱিত ধন ঃ ৬,৮৪,৬৯,১৯৯.০০ টকা।

(৩) আঁচনিখনৰ ৰূপায়ন কৰিব ঃ National Building Construction Corporation Ltd., Lodhi Road, New Delhi - 110003

(৪) আঁচনিখনৰ বাবে আৱন্টিত স্থান ঃ মহাভৈৰৱ মৌজাৰ অন্তর্গত বালিচাপৰি গাওঁ।

(৫) আঁচনিখনৰ বাবে আৱন্টিত মুঠ মাটিৰ পৰিমাণ ঃ বালিচাপৰি গাওঁৰ দাগ নং ৯০,৯২ আৰু ৯৩ ৰ অন্তর্গত মুঠ ৪৫ বিঘা মাটি।

(৬) কেন্দ্রীয় চৰকাৰে মুকলি কৰা ধনৰ পৰিমান ঃ বর্তমানলৈকে, NBCC ক ১ম কিস্তি হিচাবে ৪.৬২ কোটি টকা মোকলাই দিছে।

পৌৰসভাৰ দায়িত্ব ঃ ১) প্রকল্পৰ বাবে মাটি যোগান ধৰা।
২) প্রকল্পৰ কাম সম্পূর্ণ হোৱাৰ পিছত চমজি লোৱা।
৩) কার্য্যকৰীকৰণ ও ভৰণ-পোষণ।
৪) প্রকল্পৰ কামৰ তদাৰক কৰা।

(গ) ১৯৯৪-৯৫ চনতেই উক্ত আঁচনিখনৰ প্রকল্প বনোৱাৰ কাম আৰম্ভ কৰোতে প্রকল্প নির্ম্মাণ ৰ বাবে মৰাভৰলী মৌজাৰ বালিচাপৰি গাওঁৰ মাটিখিনি নির্ব্বাচন কৰা হৈছিল। পিছলৈ ইয়াক "ৰাজভড়াল" নামৰ ঠাইলৈ স্থানান্তাৰিত কৰি "DPR" প্রস্তুত কৰা হৈছিল, যদিওঁ LowLand হোৱাত কাৰিকৰী অসুবিধাই দেখা দিয়াত পুনৰ পূর্ব্বৰ ঠাইখিনিতেই বিবেচনা কৰি 'Revised Project' প্রস্তুত কৰা হয়।

(ঘ) কেন্দ্রীয় চৰকাৰে আঁচনিখন কার্য্যকৰী কৰনার্থে (National Building Construction Corporation Ltd.)ক দায়িত্ব দিছে।

যিহেতু তেজপুৰ পৌৰসভাই বালিচাপৰি গাঁৱৰ উক্ত ঠাইখিনিয়েই জাঁৱৰ-জোখৰ পেলোৱা ঠাই হিচাপে ব্যৱহাৰ কৰি আহিছে। গতিকে প্রকল্পৰ কাম চলি থকা সময়চোৱাত আৰু আগন্তুক বাৰিষাৰ প্রতি লক্ষ্য ৰাখি বিকল্প ঠাইত পেলাব লগীয়া হোৱাত পৌৰসভাৰ জাঁৱৰ-জোখৰ কঢ়িওৱা যানবাহন চলাচল কৰাত যাতে কোনো অসুবিধা নহয় তাৰ প্রতি লক্ষ্য ৰাখি দ্বাদশ বিত্তীয় আয়োগৰ ২০০৬-০৭ (দ্বিতীয় কিস্তি) ৯,৫৯,০০০.০০ ৰ টকাৰ এটা পথ নির্মাণৰ কাম হাতত লৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রী বৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

৩০। মাননীয় পৌৰপ্রশাসন নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমৰ পৌৰ প্রশাসন আইনমতে প্রতিখন পৌৰসভাত চৰকাৰৰ মনোনীত সদস্যৰ সংখ্যা কিমানজন হ'ব লাগে?

(খ) অসমৰ সকলোবোৰ পৌৰসভাত চৰকাৰী মনোনীত সদস্য দিয়া হৈছেনে?

(গ) যদি দিয়া হৈছে, পৌৰসভা অনুসৰি সদস্য সকলৰ নামৰ তালিকা দিব নে?

(ঘ) তেজপুৰ পৌৰসভাত চৰকাৰী মনোনীত সদস্যৰ সংখ্যা কিমানজন? নামৰ তালিকা খন দিবনে?

শ্রী দীনেশ প্রসাদ গোৱালা (পৌৰ প্রশাসন, নগৰ উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) নির্দ্দিষ্ট নহয়।

(খ) সকলোবোৰ পৌৰসভাত দিয়া হোৱা নাই। কিছুমান পৌৰসভা আৰু নগৰ সমিতিত দিয়া হৈছে।

(গ) সদস্য সকলৰ নামৰ তালিকা পৰিশিষ্টত দেখুওৱা হৈছে।

(ঘ) ৪(চাৰি) জন। তেওঁলোক হল (১) এচ ই আলম, (২) শ্রী ভাস্কৰ লহকৰ, (৩) শৈলেজা পদ্মপানী, (৪) খেমৰাজ অধিকাৰী।

বিষয় ঃ তেজপুৰ চুইমিংপ'ল আৰু ফ্লাইং ক্লাব সম্পৰ্কে।

শ্রী বৃন্দাবন গোস্বামীয়ে সুধিছেঃ

৩১। মাননীয় ক্রীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) তেজপুৰ চুইমিংপ'ল এটা স্থাপনৰ বাবে ব্যৱস্থা লৈছে নে?

(খ) যদি লৈছে, ইয়াৰ বাবে কিমান ধনৰ অনুমোদন দিয়া হৈছে? কাৰ দ্বাৰা চুইমিংপ'লটো হব ইয়াৰ বাবে স্থান নির্ণয় কৰা হৈছে নে?

(গ) ফ্লাইং ক্লাৱটো পুনৰ সক্ষম কৰা হৈছে নে? ইয়াৰ বাবে টেকনিকেল কমিটি এখন গঠন কৰা হৈছে নে?

শ্রী ভৰত চন্দ্র নৰহ (ক্রীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ব্যৱস্থা লৈ থকা হৈছে।

(খ) ধন অনুমোদন হোৱা নাই। তেজপুৰ চুইমিংপ'ল নির্মাণৰ বাবে ৭০০.০০ লাখ টকাৰ কনচেপ্ট পেপাৰ কেন্দ্রীয় চৰকাৰলৈ পঠোৱাৰ ব্যৱস্থা লোৱা হৈছে । পুঁজি আৱন্টন পোৱাৰ পাছত স্থান নির্ণয় কৰা হব।

(গ) ফ্লাইং ক্লাৱটো পুনৰ সক্ষম কৰাৰ বাবে প্রচেষ্টা চলাই থকা হৈছে। টেকনিকেল কমিটি গঠনৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ কামপুৰ চেনীকল।

শ্রী প্রফুল্ল কুমাৰ মহন্তই সুধিছেঃ

৩২। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) নগাওঁ জিলাৰ কামপুৰত থকা অসম সমবায় চেনীকলটো পুনৰুজীৱিত কৰা হ'ব বুলি চৰকাৰৰ হৈ পূর্বৰ মন্ত্রীয়ে দিয়া প্রতিশ্রুতি পূৰণ কৰিবনে?

(খ) যদি কৰে, কেতিয়াৰ পৰা কামপুৰ চেনীকলটোৰ কাম আৰম্ভ কৰিব পাৰিব জনাবনে?

(গ) যি সকল বিষয়া কর্মচাৰীয়ে চৰকাৰৰ নীতি অনুসৰি VRS (স্বেচ্ছাই অৱসৰ ল'ব বিছাৰিছে) লব বিছাৰিছে, তেওঁলোকে উক্ত আঁচনি অনুসৰি কেতিয়াৰ পৰা VRS ৰ সুবিধা লাভ কৰিব পাৰিব জনাবনে?

(ঘ) VRS ৰ বাবে কিমান টকাৰ প্ৰয়োজন হ'ব?

শ্ৰী ভৰত চন্দ্ৰ নৰহ (সমবায় বিভাগৰ মাননীয় মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) নগাওঁ জিলাৰ কামপুৰত থকা চেনীকলটো বহুত চেষ্টা কৰাৰ পিচতো পুনৰুজীৱিত কৰিব পৰা নগল। সেয়েহে পূৰ্বৰ মন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাই।

(খ) কামপুৰ চেনীকলটো পূণৰুজীৱিত কৰাৰ সম্ভাৱনা নাই।

(গ) চেনীকলৰ বিষয়া কর্মচাৰী সকলক চৰকাৰৰ নীতি অনুসৰি VRS (স্বেচ্ছাই অৱসৰ লোৱা আঁচনি) দিয়াৰ প্ৰচেষ্টা চলাই থকা হৈছে।

(ঘ) এই আঁচনিৰ অধীনত ৩১-৩-২০১০ লৈকে 858.40 লাখ টকাৰ প্ৰয়োজন হ'ব।

Mr. Speaker : Now, Short Notice Question No. 33. Hon'ble Member, Md. Mahibul Haque.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

মোঃ মহিবুল হকে সুধছে ঃ

৩৩। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২৪-২-২০১০ তাৰিখে 'প্ৰতিদিন' কাকতত প্ৰকাশিত আবকাৰী কর্মচাৰীৰে ড্ৰাগছ ব্যৱসায়ীৰ বুজাবুজি ঃ জিলা আছুৰ সকীয়নি বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকর্ষণ হৈছেনে?

(খ) যদি হৈছে, তেন্তে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

(গ) ধুবুৰী জিলাত অনুৰূপ ঘটনা হৈ আছেনে?

(ঘ) এই সম্পর্কে তদন্ত কৰি সদনত এক প্ৰতিবেদন দাখিল কৰিবনে?

শ্ৰী গৌতম ৰয় (আবকাৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) বাতৰিটোৰ প্ৰতি বিভাগৰ দৃষ্টি গোচৰ হৈছে।

(খ) বাতৰিত প্ৰকাশিত আফিং খেতিৰ কোটি টকীয়া বেহা সম্পর্কত যোৱা ১৬/৩/২০১০ তাৰিখে চলোৱা আবকাৰী অভিযানৰ সময়ত উক্ত কার্য্যত

জড়িত দুজন ব্যক্তি ক্রমে (১) মোঃ আবুল কালাম, ৩২ বছৰ, পিতা- মৃত নাদেৰ আলী, গাওঁঃ বৰিগাওঁ, থানা- দলগাওঁ, জিলাঃ দৰং আৰু (২) মোঃ আছাদুল্লাহ, ৩৫ বছৰ, পিতা - মৃত হিল্লত আলী, গাওঁ ঃ ১/২ বৰুৱাঝাৰ, থানা ঃ দলগাওঁ, জিলা ঃ দৰং, আটক কৰি দৰং জিলা চেচন জাৰ্জৰ ওচৰত উপস্থিত কৰোৱা হয়। দুয়োজন আচামীকে মহামান্য আদালতে ২৯-৩-২০১০ তাৰিখলৈকে জেইল হাজোতত ৰাখিবলৈ আদেশ প্রদান কৰে।

উক্ত অভিযোগ সম্পর্কত আবকাৰী অধীক্ষক পর্য্যায়ত তদন্ত অব্যাহত আছে।

(গ) ধুবুৰী জিলাত অনুৰূপ ঘটনাৰ বিষয়ে আবকাৰী বিভাগ অৱগত নহয়।

(ঘ) প্রশ্ন নুঠে।

Mr. Speaker : Now, Short Notice Question No. 34, Hon'ble Member, Dr. Rumi Nath.

(a) Is the Govt. aware that the Silchar - Kalain road which has been constructed just one year back and has been out of condition at present? If so, why? How much fund has been sanctioned for the repairing work of the said road? please furnish the total amount sanctioned, with date of starting and completion report of the work on the table of the House?

(b) Please furnish details of the contractors name and standard of work tender for constructing of the works? What action will be taken by the Govt. regarding the bad quality construction taken - up?

(c) Will the Govt.be pleased to furnish the reports of expenditure and receipt regarding the construction of the Silchar-Kalain roads?

(d) Is the Govt. aware that the NH-44 is the only connectivity of the Inter State Meghalaya, Assam, Tripura, Mizoram and Manipur but it is very unfortunate that the road from Marlidor to Badarpur is in a worse condition and not a single repairing work have so far been taken - up

till date for the last 4 -5 years? If so, Will the Govt. take immediate steps for repairing the road ? If not, Why, what immediate measures will be taken by the Govt. in this regards? Please furnish details of action taken and yet to be taken-up by the Govt.?

(e) Is it true that the Govt. have taken-up the construction work of Abul Kalam Azad Road (2nd Link Road of Silchar, Cachar? If so, when it had been sanctioned and under which schemes? What is the total amount sanctioned? Who is the tenderer of the work? What is the time frame tergated for starting and completion of the works? Please furnish in details of the total amount sanctioned, length and breath, date of starting and completion name of technical officers etc. on the table of the house?

(f) What steps have so far been taken-up for the drainage of water sub-lanes of both sides of the Abul Kalam Azad Road (2nd Link Road)? What is the total amount sanctioned for this purpose ? Who is the tenderer of the work? What is the time frame targeted for starting and completion of the works? Please furnish in details of the total amount sanctioned, length and breath, date of starting and completion, name of technical officers etc. on the table of the house?

Smt. Ajanta Neog (Minister, Public Works Departments) replied:

(a) The construction work but repair works of Silchar - Kalain Road were carried out during last year for only 26.63 km out of 28.53 km of the road and Government is aware of bad condition of the remaining 2.50 km (i.e., from Padritilla to Kalain Bazar) which could not be taken up for repairing due to shortage of fund.

Rs. 492.84 lakhs was sanctioned for repairing of the said road vide NBC's sanction No. NBC/(T&C)/ Approval/08-09/81 dated 30-05-08.

i) Date of commencement was - Nov'2008.
ii) Date of completion was - May'2009.

(b) The name of the contractors who had been entrusted with the repair works are :

i) M/s Gautam Construction, Co.for the Ist to10th Km.
ii) M/s R.A. Mazumdar for 11th to 19th Km.
iii) M/s Gautam Construction, Co. for 20th to 26th Km.

The Govt. had taken all necessary action regarding maintaining the quality of this works.The executed stretch from 1st to 20th Km is in good condition.

(c) NBC has released Rs.300.00 lakhs on 01-08-08 and Rs.136.84Laks on18-01-2010.Release letter of Rs.138.81 lakhs is received on 26-02-2010. Rs.300.00 lakshs has already been paid to the contracters.The balance amount of Rs.138.84 lakhs is yet to be paid.

(d) Yes.

Yes, but the PWD have taken the Road from BDO in July, 2009 and as such not aware of repairing works made prior to July, 2009. However, after taking over the road, PWD,Govt. of Assam have immediately taken necessary and further measure as would be taken up are furnished at Annexure -I.

(e) Yes,it is true.

The work has been sanctionedby HOSRT&H, Govt. of India. New Delhi vide letter No.NH-12031/30/2005/ AS/CRF/NH-10,dated 26-08-2008 under Central Road Fund (CRF) and Govt. of Assam has also accorded Financial sanction vide letter No. CNW.143/2003/10, dated 18-02-2009.

Total sanctioned amount of the said road is Rs. 48,46,578.00 (Rupees Forty Eight lakhs forty six thousand five hundred seventy eight only.(as per

sanctioned estimate).

Name of tenderer is Sri Swadesh Ranjan Paul. Starting date 23-02-2009. Intended date of completion as per agreement is 23-02-2010. Presently work is under progress and it is 57%. Extended time of completion is 15-04-2010. Details as sought for is furnished at Annexure-II.

(f) There is no provision in this sanctioned estimate for drainage system for sub-lane of both side of Abul Kalam Azad Road (2nd link road).

Does not arise.

Does not arise.

Does not arise.

Does not arise.

(Short Notice Question No. 35 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies there to)

বিষয় ঃ ক্রীড়া পেঞ্চন সম্পর্কে।

শ্রী গিৰীন্দ্র কুমাৰ ৰৰুৱাই সুধিছেঃ

৩৫। মাননীয় ক্রীড়া আৰু যুৱ কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ক্রীড়া আৰু যুৱ কল্যান বিভাগৰ তৰফৰ পৰা বর্তমানলৈকে কিমান জন ব্যক্তিয়ে পেঞ্চন লাভ কৰিছে?

(খ) পেঞ্চনাৰ সকলক নিয়মীয়াকৈ পেঞ্চন দি থকা হৈছে নে?

(গ) যদিহে নিয়মীয়াকৈ দিয়া হোৱা নাই, কেতিয়াৰ পৰা দিয়া হোৱা নাই?

(ঘ) পেঞ্চনাৰ সকলৰ পেঞ্চন বৃদ্ধি কৰাটো সচাঁ নে?

(ঙ) যদিহে সঁচা, বর্তমান কিমান টকালৈ বৃদ্ধি কৰা হৈছে?

(চ) বর্দ্ধিত টকা পেঞ্চনাৰ সকলে লাভ কৰিছেনে?

(ছ) যদিহে লাভ কৰা নাই, কেতিয়াৰ পৰা লাভ কৰিব?

শ্রী ভৰত চন্দ্র নৰহে (ক্রীড়া আৰু যুৱ কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ১৯৮৩ চনৰ পৰা বর্তমানলৈ ২০৩ জন ব্যক্তিয়ে ক্রীড়া পেঞ্চন লাভ কৰিছে। বর্তমান ৮৯ জন জীৱিত ক্রীড়া পেঞ্চনাৰ আছে।

(খ) হয়, হৈছে।

(গ) প্রশ্ন নুঠে।

(ঘ) হয়, সঁচা।

(ঙ) বর্তমান ২,০০০.০০ টকালৈ বৃদ্ধি কৰা হৈছে।

(চ) কৰা নাই।

(ছ) অহা বিত্তীয় বর্ষৰ পৰা লাভ কৰিব।

Mr. Speaker : Now, Short Notice question No. 36, Hon'ble Member, Md. Mohibul Hoque.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রী মহিবুল হকে সুধিছে ঃ

৩৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২৬/২/২০১০ তাৰিখে সংবাদ লহৰি কাকতত প্রকাশিত বিলাসীপাড়য় প্রধানমন্ত্রী গ্রাম সড়ক যোজনা প্রকল্প ৰূপায়নে দুর্নীতি "শিৰোনামা" বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে?

(খ) যদি হৈছে, তেন্তে এই ক্ষেত্রত চৰকাৰে ঠিকাদাৰ জনৰ বিৰুদ্ধে শাস্তি মূলক ব্যৱস্থা গ্রহণ কৰিছে জনাবনে?

(গ) ২০০৮-০৯ ৰ AS-05-54 পেকেজৰ অন্তর্গতৰ (i) NH-31 to Panbari Mosque (Length) "4Km amount of Rs.77.11", (2) Alomganj to Phulkatari Length = 1.071 Km amounting of Rs. 51.27 Lakh আৰু (3) 56 পেকেজৰ Khuskakati to Hardemara (Length=0.91Km amounting of Rs.52.27 Lakh) ৰ PMGSY আঁচনিৰ উক্ত আলিবাটৰ কামৰ ব্যাপক দুর্নীতি হৈ আছে। স্থানীয় ৰাইজে প্রশ্নকর্ত্তাক বিধায়ক হিচাবে অভিযোগ কৰা মতে ৰাস্তাৰ কাম below standard হৈছে। এই ক্ষেত্রত চৰকাৰে তদন্ত কৰি

এক প্রতিবেদন দিবনে?

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ২৬/০২/২০১০ তাৰিখে সংবাদ লহৰি কাকতত প্রকাশিত বিলাসীপাৰাৰ প্রধানমন্ত্রী গ্রাম চড়ক যোজনা প্রকল্পৰ ৰূপায়নত দুর্নীতি এই বাতৰিটো বিভাগৰ দৃষ্টি গোচৰ হৈছে।

(খ) যিহেতু উক্ত AS-05-43 পেকেজৰ কাম M/s VSP Verma নামৰ ঠিকাদাৰ ফার্মখনক নিবিদাৰ চুক্তি অনুযায়ী কাম শেষ কৰিবলৈ ৫/১১/২০১০ তাৰিখলৈকে সময়সীমা বান্ধি দিয়া হৈছে, আৰু কোনো নিম্নমানৰ সামগ্রী ব্যৱহাৰ কৰি কাম কৰা নাই। গতিকে সেই ফার্মৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিব পৰা নাযায়। তদুপৰি পথৰ প্রস্থ কম হোৱাৰ বাবে চুঙা কালভার্টৰ চুঙাৰাস্তাৰ আধালৈকে বহুৱাই বাকী আধা অংশ পথেৰে যানবাহন চলাচল কৰিবলৈ দিয়াত ৰাইজৰ বা পথাচাৰীৰ কিছু অসুবিধা হোৱাটো সত্য। কিছু চুঙা বহুৱাই তাক বালি চিমেন্টৰ মিশ্রনেৰে জোৰামাৰি নিয়মমতে কঠিন হোৱাৰ পিছত স্তৰে স্তৰে মাটি জাপি, ৰোলাৰেৰে চেপি নির্দ্দিষ্ট পৰিমানৰ Compaction হোৱাৰ পিছত Granular Sub-base, WBM আদি কামবোৰ PMGSY works ৰ Specification ৰ আধাৰত কৰাৰ পিছত গাড়ী চলিবলৈ বা পথাচাৰীক ব্যৱহাৰ কৰিবলৈ এৰি দিয়া হয়। তাৰ পিছত অন্য বাকী থকা অংশ (অর্থাৎ যিফালেদি ৰাস্তাটো বর্তমান য়ানবাহনৰ বাবে খোলা আছে) ত একেধৰণে কাম কৰা হয়। এনেকার্য্য কৰিবলৈ যাওঁতে কামৰ মানদণ্ড নিবিদাৰ চুক্তি মর্মে আৰু গড়কাপ্তানী বিভাগৰ তথা PMGSY কামৰ Specification ৰ (বিস্তৃত বিবৰণ) মর্মে কৰা হয় আৰু এই কামটোও এনেদৰেই কৰি থকা হৈছে। গতিকে ঠিকাদাৰৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা হোৱা নাই।

(গ) AS-05-54 পেকেজৰ শ্রী নবিৰুল ইছলাম নামৰ ঠিকাদাৰ জনে পথ দুটা "NH-31 to Panbari আৰু Alomganj to Phulkatari" ৰ নির্মান কার্য্য বিভাগীয় নীতি নিয়ম অনুসৰি নিবিদা চুক্তিৰ আধাৰত চলাই আছে। উক্ত পথ দুটাৰ প্রথম পথটি ৰাজ্যিক মান নিৰীক্ষকৰ (SQM) ৰ দ্বাৰা আৰু দ্বিতীয় পথটি বিভাগীয় বিষয়া সকলে ১ ম পর্য্যায়ৰ কাম পৰীক্ষা কৰি

সন্তোষজনক বুলি ঠাৱৰ কৰিছে। যিহেতু গুণগত মানৰ পৰীক্ষাত কোনো বিসংগতি বা আসোঁৱাহ পৰিলক্ষিত হোৱা নাই। গতিকে ঠিকাদাৰৰ বিৰুদ্ধে কোনো শাস্তিমূলক ব্যৱস্থা লোৱাৰ প্ৰশ্ন উঠা নাই।

AS-05-56 Package ৰ অধীনস্থ কাম সমূহৰ মঞ্জুৰী এতিয়ালৈকে কৰা হোৱা নাই।

(Short Notice Question Nos. 37 to 41 could not be taken up for disposal as the questioners were not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

৩৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ সদৰ সমষ্টিৰ অন্তৰ্গত কোন কেইটা পথ পি, এম, জি, এচ, ওৱাই আঁচনিৰ অন্তৰ্ভূক্ত কৰা হৈছে?

(খ) নগাওঁ সমষ্টিৰ অন্তৰ্গত ওপৰ পাঠৰী মূছলমানগাঁও পথটো পি, এম, জি, এচ, ওৱাই আঁচনিৰ অন্তৰ্ভূক্ত কৰা হৈছেল নেকি?

(গ) উক্ত পথটোৰ কাম আৰম্ভ কৰা হৈছে নেকি?

(ঘ) যদিহে আৰম্ভ কৰা হোৱা নাই, তেনেহলে আৰম্ভ নকৰাৰ কাৰণ সমূহ জনাবনে?

(ঙ) অনতিপলমে পথটো নিৰ্মাণ (২০১০-১১) দ্বিতীয় বৰ্ষত কৰাৰ বাবে ব্যৱস্থা লবনে?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) নগাওঁ সদৰ সমষ্টিৰ অন্তৰ্গত পি, এম, জি, এচ, ওৱাই আঁচনিৰ অন্তৰ্ভূক্ত কৰা পথসমূহৰ নাম অনুবদ্ধক 'ক' ত দেখুওৱা হৈছে।

(খ) উক্ত পথটো বৰ্তমানলৈকে অন্তৰ্ভক্ত কৰা হোৱা নাই।

(গ) হোৱা নাই।

(ঘ) উক্ত পথটোৰ ৫০০-৯৯৯ জন বসতি পূর্ণ/গাওঁ চুবুৰী সংযোজিত কৰিব। কিন্তু বর্তমান পি, এম, জি, এচ, ওৱাই আঁচনিখন ভাৰত নির্মাণৰ অধীনত চলি আছে। ভাৰত নির্মাণত ১০০০ বা তাতোধিক জনবসতি পূর্ণ গাঁও/ চুবুৰী সংযোজিত কৰা পথসমূহহে সামৰি লোৱা হৈছে। সেইবাবে উক্ত পথটো PMGSY ত বর্তমানলৈকে (ভাৰত নির্মাণ) আঁচনিভুক্ত হোৱা নাই।

(ঙ) PMGSY আঁচনিৰ অধীনত ADB RRS-III P - ৰ দ্বাৰা ৫০০-৯৯৯ জনবসতি সামৰি পথসংযোগ ব্যৱস্থা কৰিবলৈ সমগ্র অসমৰ ১০০০ কিঃ মিঃ পথ অন্তর্ভুক্ত কৰাৰ আঁচনি আছে। এই আঁচনিত নির্দ্দিষ্ট জিলা পৰিষদৰ অনুমোদন সাপেক্ষে আৰু PMGSY আঁচনিৰ নির্দেশাৱলী মতে অগ্রাধিকাৰ ভিত্তিত উক্ত পথটো নির্বাচিত হলে নির্মাণৰ ব্যৱস্থা ল'ব পৰা যাব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং ৩৮।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছেঃ

৩৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনত বর্তমান কিমান জন মুক্তি যুঁজাৰু আছে?

(খ) প্রতিজন মুক্তি যুজাঁৰুৰে বর্তমান কিমান টকা পেঞ্চন হিচাবে লাভ কৰিছে?

(গ) উক্ত ধনৰ পৰিমাণ বৃদ্ধি পাব বুলি চৰকাৰে ঘোষণা কৰাটো সঁচা নে?

(ঘ) যদিহে সচাঁ, তেনেহলে বর্দ্ধিত হাৰত পেঞ্চন প্রদান কৰা হৈছে নে?

(ঙ) যদিহে দিয়া হোৱা নাই, তেনেহলে কিয় দিয়া হোৱা নাই?

(চ) কেতিয়াৰ পৰা বর্দ্ধিত হাৰৰ পেঞ্চন দিয়া হ'ব?

শ্রী ৰকিবুল হুছেইন (বন আৰু পর্যটন বিভাগৰ মন্ত্রী) য়ে মুখ্যমন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছেঃ

(ক) ৰাজ্যখনত বর্তমান ৫৮৫৪ জনে মুক্তিযুঁজাৰু পেঞ্চন ভোগ কৰি আছে। উক্ত মুক্তি যুঁজাৰু পেঞ্চন ভোগ কৰি থকা লোকৰ সংখ্যাত বর্তমান জীৱিত মুক্তিযুঁজাৰু, মুক্তিযুঁজাৰুৰ বিধৱা পত্নী আৰু অবিবাহিত কন্যাও অন্তর্ভূক্ত।

(খ) প্রতিজন মুক্তি যুঁজাৰুৱে বর্তমান মাহেকত ৩০০০.০০ (তিনি হেজাৰ) টকাকৈ পেঞ্চন লাভ কৰি আছে।

(গ) সঁচা। মাননীয় মুখ্যমন্ত্রীয়ে ২০০৯ চনৰ স্বাধীনতা দিৱসত দিয়া ভাষণত মুক্তিযুঁজাৰ সকলে বর্তমানে ভোগ কৰি থকা পেঞ্চনৰ পৰিমাণ ৩০০০.০০ (তিনি হেজাৰ) টকাৰ পৰা ৫০০০.০০ (পাঁচ হেজাৰ টকালৈ) বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছিল।

(ঘ) বর্দ্ধিত হাৰত পেঞ্চন প্রদান কৰা হোৱা নাই।

(ঙ) প্রচেষ্টা চলাই থকা হৈছে, যাৰতীয় কামখিনি শেষ হলেই দিব পৰা হ'ব।

(চ) ইং ১-৪-২০১০ তাৰিখৰ পৰা বর্দ্ধিত হাৰত পেঞ্চন দিয়াৰ পোষকতা কৰা হৈছে।

Sub : Short Notice Question No. 39.

Shri Sambhu Singh Mallah asked :

39. Will the Minister of Industry, Assam be pleased to state :

(a) 20 (Twenty) Employees, out of 156 (one hundred fifty six) employees had taken V.R.S. benefits etc. from the company in accordance with the Affidavit - in - opposition filed by the Managing Director, Cachar Sugar Mill Ltd. Chargola, P.O. Ratabari., Dist - Karimganj, Assam in relation to the write petition (c) No. 4018/08, now, it is reported that Managing Director, Cachar Sugar Mill has got the bill prepared for payment of V.R.S. against these 20 (Twenty) employees - Is it a fact?

(b) If it is a fact, whether the Govt. of Assam would instruct the M.D., C.S.M. not doing such an illegal act, i.e, payment of V.R.S. twice?

(c) Is it a fact that C.S.M. Account of S.B.I. Geetanagar Branch, Guwahati, a huge amount has been expended unauthorisedly for an illegal purpose?

(d) Whether the Govt. would investigate by a chartered Accountant from a reputed and reliable firm from the date of its opening?

Shri Pradyut Bordoloi (Minister of Industries & Commerce) replied:

(a) As on date, 25 employees of closed Cachar Sugar Mills Ltd. received arrear salary, gratuity, V.R.S. benefit etc. based on pre-revised scale prior to 1980.

(b) The State Government vide notification No. PE/2009/214 dated 18-11-09 decided to release the revised arrear salary, gratuity, V.R.S. etc. of the closed PSU units based on the Assam Service (ROP)Rules 1998 including Cachar Sugar Mills Ltd. as such the release of revised payment is not illegal act.

(c) No, it is not a fact.

(d) Does not arise.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

৪০। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিভাগৰ অধীনৰ উন্নয়ন প্ৰাধিকৰনৰ চাকৰি চৰকাৰী কৰণ কৰিবলৈ দাবী উৎথাপন হোৱাটো সত্য নে?

(খ) বিভাগৰ অধীনৰ উল্লেখিত উন্নয়ন প্ৰাধিকৰন সমূহত সৰ্বমুঠ কিমান জন কৰ্ম্মচাৰী আছে?

(গ) উক্ত কৰ্ম্মচাৰী সকলক চৰকাৰী কৰণ কৰাৰ বাবে বিবেচনা কৰিব নে?

(ঘ) উন্নয়ন প্ৰাধিকৰনৰ কৰ্ম্মচাৰী সকলে বৰ্তমান মাহিলি দৰমহা লাভ কৰাৰ উৎস সমূহ কি কি?

(ঙ) উক্ত উল্লেখিত উৎস সমূহৰ এলেকা বৰ্তমান কমাবলৈ বিচৰা হৈছে নেকি?

(চ) যদিহে এলেকা সমূহ কমাবলৈ বিচৰা হৈছে, তেনেহলে উক্ত এলেকা সমূহ কোন কোন এলেকা হ'ব স্পষ্ট ভাৱে জনাবনে?

(ছ) 'ঙ' আৰু 'চ'প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত কৰ্ম্মচাৰী সকলক চৰকাৰী কৰ্ম্মচাৰী কৰন কৰাটো জৰুৰী ভাৱে বিবেচনা কৰিব নে?

শ্ৰী দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) দাবী উৎথাপন কৰি অহাটো সত্য।

(খ) ৩১৩ জন।

(গ) এতিয়ালৈ তেনে কোনো ব্যৱস্থা হাতত লোৱা হোৱা নাই।

(ঘ) কৰ্মচাৰী সকলৰ মাহিলী দৰমহা লাভৰ উৎস সমূহ হৈছে - গৃহ নিৰ্মানৰ অনুমতি প্ৰদানৰ বাবদ পোৱা মাচুল, সীমাৰ বেৰ নিৰ্মানৰ অনুমতি দিয়াৰ বাবে লাভ কৰা মাচুল, বিজুলী সংযোগৰ অনুজ্ঞা পত্ৰ দিয়া, মোবাইল ফোনৰ টাৱাৰ স্থাপনৰ বাবদ পোৱা মাচুল আৰু মাটি বিক্ৰীৰ অনুমতি প্ৰদানৰ বাবদ পোৱা মাচুল ইত্যাদি।

(ঙ) বৰ্তমানলৈ তেনে ধৰনৰ কোনো প্ৰস্তাৱ নাই।

(চ) প্ৰশ্ন নুঠে।

(ছ) এই ক্ষেত্ৰত কোনো সিদ্ধান্ত হোৱা নাই।

বিষয় ঃ সত্ৰ সংৰক্ষণ।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৪১। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম সত্ৰ মহাসভাই অসমৰ সত্ৰ সমূহৰ বিকাশ আৰু সংৰক্ষণৰ বাবে সুকীয়া সঞ্চালকালয় স্থাপনৰ বাবে সুদীৰ্ঘ দিন ধৰি দাবী কৰি অহাটো চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, সত্ৰ সমূহৰ বাবে সঞ্চালকালয় স্থাপন নকৰাৰ কাৰণ কি? যদি জ্ঞাত নহয়, শাঘ্ৰে সঞ্চালকালয় স্থাপনৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

(গ) অসমত বৰ্তমানলৈকে কিমানখন সত্ৰানুষ্ঠান আছে?

(ঘ) এই সত্ৰ সমূহৰ উন্নয়ণৰ বাবেকেন্দ্ৰীয় চৰকাৰে ২০০১ চনৰ পৰা বৰ্তমানলৈকে কিমান টকা অনুদান আগবঢ়াইছে? তাৰ কিমান টকা বৰ্তমানলৈকে সত্ৰসমূহলৈ

আগবঢ়োৱা হৈছে? কোন কোন সত্রই কিমান পৰিমাণৰ ধন অনুদান হিচাবে এতিয়ালৈকে লাভ কৰিছে?

শ্রী ভৰত চন্দ্র নৰহ (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত।

(খ) এটা সুকীয়া সঞ্চালকালয় প্রয়োজন অনুভৱ কৰা হোৱা নাই।

(গ) অসমত বর্তমানলৈকে আবেদনৰ ভিত্তিত পঞ্জীয়ন কৰা তালিকা মর্মে ৮৬২ খন সত্র আছে।

(ঘ) বর্তমানলৈকে কেন্দ্রীয় চৰকাৰৰ অতিৰিক্ত সাহায্য পুঁজিৰ (ACA) পৰাহে ২০০৯-১০ বর্ষত ৩.০০ কোটি টকা পোৱা হৈছে।

উক্ত কেন্দ্রীয় পুঁজিৰ ৩.০০ কোটি টকাৰে তিনিখন সত্রলৈ তলত দিয়া ধৰণেৰে সাহার্য্য আগ বঢ়োৱা হৈছে -

১) শ্রী শ্রী পুখুৰী পাৰা সত্র, গোলাঘাট - ১.০০ কোটি।

২) শ্রী শ্রী ধামৰাম ৰায় কুটীৰ সত্র, ধুবুৰী - ১.০০ কোটি।

৩) শ্রী শ্রী জৰাবৰী সত্র, শিৱসাগৰ - ১.০০ কোটি।

Mr. Speaker: Short Notice question No.42, Hon'ble Member, Md. Mohibul Hoque.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

মোঃ মহিবুল হকে সুধিছে ঃ

৪২। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) "গৌৰীপুৰ টাউনকমিটি খনক পৌৰসভালৈ (Municipality) উন্নত কৰা হব"। অসম বিধান সভাৰ মজিয়াত নগৰ উন্নয়ন বিভাগৰ মন্ত্রীৰ হৈ সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী ডাঙৰীয়াই প্রতিশ্রুতি দিছিল যদিও ইয়াক কার্য্যকৰী নকৰাৰ কাৰণ কি?

(খ) ইতিমধ্যে এই ক্ষেত্রত টাউন কমিটিয়ে কেতিয়াবাই Resolution প্রেৰণ কৰাৰ পিছতো চৰকাৰে কোনো পদক্ষেপ নোলোৱাৰ কাৰণ কি?

(গ) কেতিয়াৰ ভিতৰত ৰাইজে বিচৰামতে গৌৰীপুৰ টাউন কমিটিখন পৌৰসভালৈ উন্নীত কৰন কৰিব?

শ্ৰী দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) গৌৰীপুৰ টাউন কমিটি খনক পৌৰসভালৈ উন্নীতকৰণৰ প্ৰস্তাৱ (Resolution) গৌৰীপুৰ টাউন কমিটিৰ ফালৰ পৰা এতিয়ালৈ পোৱা নাই।

(খ) তেনেধৰনৰ কোনো প্ৰস্তাৱ (Resolution) এতিয়ালৈ পোৱা হোৱা নাই।

(গ) প্ৰস্তাৱ পালে বিধি অনুসৰি ব্যৱস্থা লোৱা হ'ব।

STATEMENT BY MINISTER

***ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কবলৈ ওলাইছো যে এন. আৰ. চি. ৰিভিউৰ ক্ষেত্ৰত যোৱা ৰাতি মোলৈ দিল্লীৰ পৰা এটা মেচেজ আহিছে। আমি দাবী কৰা মতে নতুনকৈ তেওঁলোকে দিছে।

"Electoral Roll prior to 1971 as per SMS I received today from Central Govt. They have agreed the figures and Electoral Roll 1971."

Shri Ananta Deka : It is an important matter regarding N.R.C.Whether it is Notification or Govt. of India's Instructons?

***শ্ৰী প্ৰণৱ কলিতা** - মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ এটা ক্লিয়াৰিফিকেচন লাগিব। এন. আৰ. চি. এটা ডাঙৰ ইচ্ছ্যু। আমি গম নাপালে বাহিৰত কি কম? মাননীয় মন্ত্ৰী মহোদয়ে কিবা এটা কৈছে, আমি বুজি পোৱা নাই।

মাননীয় অধ্যক্ষ ঃ আকৌ মন্ত্ৰীয়ে কৈ দিব।

***ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিছাৰিছিলো আপটু ১৯৭১ দিব লাগে। তেখেত সকলে ৰুল এমেন্ডমেন্ট কৰি প্ৰায়ৰ টু ১৯৭১ কৰিলে। এইটোত আমি আপত্তি কৰিছিলো। বাহিৰতো আপত্তি হৈছিল। পেপাৰতো হৈছিল। যোৱাকালি ৰাতি ৯ বজাত মই এই মেচেজটো পালো। মই এইটো এই কাৰণেই কবলৈ ওলাইছে যে কালি মই এটা প্ৰশ্নৰ উত্তৰ

দিছিলো। তেতিয়া পেপাৰত ওলাই যাব যে মন্ত্রীয়ে একো নাজানে। তেখেত সকলে আমাৰটো মতে দিছে, সেইকাৰণে মই সদনক অৱগত কৰিলো।

POINT OF ORDER

***শ্রী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ, পইন্ট অৱ অর্ডাৰ ছাৰ। মই আজি সদনত এটা কথা উৎথাপন কৰিব খুজিছো। আমাৰ ৰাজ্যসভাৰ নির্বাচন সম্পর্কত অসমীয়া প্রতিদিন কাকতৰ ২২ জানুৱাৰী তাৰিখত ওলাইছে 'যুদ্ধ আৰম্ভ নহওতেই যুদ্ধক্ষেত্র এৰি পলাল চন্দ্রমোহন।' আজি ভোটদানৰ অধিকাৰ সকলোৰে আছে।

মাননীয় অধ্যক্ষ ঃ এইটো পইন্ট অৱ অর্ডাৰ নহব।

***শ্রী আব্দুল খালেক ঃ** এই ক্ষেত্রত যোৱাকালি ৪ বাৰকৈ সদন স্থগিত ৰাখিব লগা হৈছে। আজিও বিৰোধী পক্ষই সদনৰ বাহিৰত ধর্না দিছে। এই ক্ষেত্রত আপোনাৰ হস্তক্ষেপ বিছাৰিছো।

মাননীয় অধ্যক্ষ ঃ আপুনি বহক। এইটো মোৰ ওপৰত এৰি দিয়ক।

DISCUSSION ON ZERO HOUR MATTER

মাননীয় অধ্যক্ষ ঃ এতিয়া শূন্য কালীন ঘন্টা।

তলত উল্লেখ কৰা মাননীয় সদস্য সকলৰ পৰা সর্বমুঠ খন শূন্যকালীন জাননী প্রাপ্ত হৈছে।

১। শ্রী মতী সুশীলা হাজৰিকা
২। শ্রী ভূপেন কুমাৰ বৰা
৩। শ্রী ৰাজীৱ লোচন পেগু
৪। শ্রী আব্দুল খালেক
৫। মোঃ মহিবুল হক
৬। মোঃ মহিবুল হক
৭। মোঃ মহিবুল হক

উক্ত জাননী সমূহৰ পৰা নিয়মানুসৰি মই ৩ খন শূন্য কালীন ঘন্টাৰ জাননী উপস্থাপন কৰিবলৈ অনুমতি প্রদান কৰিলোঁ।

---

* Speech not corrected

১। এতিয়া মই, মাননীয় সদস্য, শ্রী ভূপেন কুমাৰ বৰাক ইং ২৫-০৩-২০১০ তাৰিখৰ **"অসমীয়া খবৰ"** বাতৰি কাকতত প্রকাশিত -

"থলুৱাক বঞ্চনাৰ অভিযোগ ঃ ন্যায়ালয়লৈ যাব বঞ্চিত প্রার্থী"।

শীর্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

(ভূপেন বৰা অনুপস্থিত)

২। এতিয়া মই, মাননীয় সদস্য শ্রী আব্দুল খালেকক ইং ২৭-০৩-২০১০ তাৰিখৰ **"Eastern Chronicle"** বাতৰি কাকতত প্রকাশিত -

"Govt. bodies deprived of funds "

শীর্ষিক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

***শ্রী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা মার্চ তাৰিখৰ **"North East Chronicle"**পেপাৰ খনত সংখ্যালঘু কল্যাণ পৰিষদৰ জৰিয়তে আমাৰ সংখ্যা লঘু ভাই সকলৰ উন্নয়ণৰ হকে কাম কৰিব লাগে আৰু তাৰ কাৰণে বাজেটত টকা ধৰা হৈছে। আমাৰ ৰাজ্যত, বঙালী, নেপালী, বিষ্ণু প্রিয়া, মনিপুৰি, উর্দ্দু আদি লোক সকল আছে। এই ভাষিক সংখ্যা লঘূ সকলৰ কাৰণে বোর্ড গঠণ কৰা হৈছে কিন্তু ধনৰ আৱন্টন দিয়া হোৱা নাই। এই সংখ্যা লঘূ ভাই সকলৰ বিকাশৰ কাৰণে ধন আবন্টিত কৰা হৈছে । মাননীয় অধ্যক্ষ মহোদয়, আৱন্টিত ধন যাতে ভাল ধৰণে ব্যৱহাৰ হয় তাৰ কাৰণে মই অনুবোধ কৰিছো।

মই মাননীয় মুখ্য মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছে যে আমাৰ এই ভাষিক সংখ্যালঘূ সকলৰ কাৰণে কার্য্যপন্থা হাতত লৈছে। মাননীয় অধ্যক্ষ মহোদয়, যিখন বোর্ড গঠন কৰা হৈছে এই বোর্ড খনৰ কাম-কাজ সুচাৰুৰূপে কৰি অতি সোনকালে কার্য্যকৰী ব্যৱস্থা হাতত লোৱাৰ কি ব্যৱস্থা গ্রহণ কৰিছে মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

Mr. Speaker : Hon'ble Minister, Food & Civil Supplies Please.

***ডাঃ নজৰুল ইছলাম (যোগান মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য

---

* Speech not corrected

আব্দুল খালেক ডাঙৰীয়াই উল্লেখ কৰা যোৱা ইং ২৭ মার্চ তাৰিখৰ ইংৰাজী বাতৰি কাকত এখনত ওলোৱা বাতৰিটো আমাৰ দৃষ্টি গোচৰ হৈছে। উক্ত বিভাগটোৰ কাৰণে যি ধন ধার্য্য কৰা হৈছে, সেইখিনি বাজেটত প্রভিজন হোৱা নাই কাৰণে এইটো কার্য্যকৰী হোৱা নাই। প্রভিজন হোৱাৰ লগে লগে কার্য্যকৰী হব আৰু আমি সঠিক ৰূপায়ণ কৰিব পাৰিম।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই, মাননীয় সদস্য, মোঃ মহিবুল হকক ইং ১১-০৩-২০১০ তাৰিখৰ "সংবাদ লহৰি " কাকতত প্রকাশিত - ধাৰাবাহিকভাবে বেড়েছে মহিলা ঘটিত অপৰাধ " শীর্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

